# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখ ঃ ২০/০২/২০১৯ বুধবাৰ

**ইংৰাজী ২০-০২-২০১৯ তাৰিখে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পুৱা ৯.৩০ বজাত অনুষ্ঠিত হোৱা বাজেট অধিৱেশনৰ কাৰ্য্যবিৱৰণী ঃ**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৫৪ , শ্ৰী অনন্ত কুমাৰ মালো ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য , শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অনন্ত কুমাৰ মালো, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল বঙাইগাওঁ জিলাৰ অভয়াপুৰী দক্ষিণ সমষ্টিৰ প্ৰাদেশীকৃত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ খালী পদৰ সংখ্যা কিমান ? বিদ্যালয় ভিত্তিত তালিকা সদনত দাখিল কৰিব । মই উত্তৰ পাইছো, কিন্তু চলন্ত পাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত মই বিসংগতি পাইছো । তথ্যত সহকাৰী শিক্ষক দুজন, বিজ্ঞানৰ সহকাৰী শিক্ষক দুজন আৰু সংস্কৃতৰ শিক্ষক এজন, মুঠ ৫ জন শিক্ষকৰ পদ খালী থকা বুলি কৈছে । কিন্তু অধ্যক্ষ মহোদয়, তাত অসমীয়া, ৰাজনীতি বিজ্ঞান, ভূগোল আৰু গণিতৰ বিষয় শিক্ষক নাই । গতিকে এই চাৰিজন বিষয় শিক্ষকৰ পদো খালী হৈ আছে । এই কথাতো ইয়াতে দিয়া নাই । অধ্যক্ষ মহোদয়, আমি জানো যে শিক্ষা জাতিৰ মেৰুদণ্ড আৰু শিক্ষক সকল হ'ল মানৱ সম্পদ গঢ়াৰ খনিকৰ । এই শিক্ষক অবিহনে বছৰ বছৰ ধৰি এই পদসমূহ খালী হৈ আছে । মাননীয় মন্ত্ৰী মহোদয়ৰ শিক্ষামন্ত্ৰীৰ দায়িত্ব লোৱা বেছিদিন হোৱা নাই, কিন্তু আজি ৬-৭ বছৰ আগৰ পৰাই এই পদসমূহ খালী হৈ আছে । এই স্কুলখন মোৰ ঘৰৰ পৰা মাত্ৰ ২০০ মিটাৰ আঁতৰত । সেইকাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে এই পদসমূহ অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য , শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই খালীপদসমূহ সৃষ্টি হোৱাৰ এটা মূল কাৰণ হৈছে যে বহুতো সময়ত বিদ্যালয় সমূহে এজন শিক্ষকে অৱসৰ লোৱাৰ পিছতহে কৰ্তৃপক্ষক অৱগত কৰে । শিক্ষক অবিহনে যে অসুবিধাৰ সৃষ্টি হয় এইটো মইও স্বীকাৰ কৰিছো । অধ্যক্ষ মহোদয়, আমি এই ক্ষেত্ৰত এটা পদক্ষেপ লৈছো , যিটো পদক্ষেপে হয়তো যিটো gaped পিৰিয়দৰ সৃষ্টি হয়, এই gaped পিৰিয়দটো নাইকীয়া কৰিবলৈ সক্ষম হ'ব । উচ্চ শিক্ষাৰ ক্ষেত্ৰত আমি ন'টিফিকেশ্যন উলিয়াইছো । এতিয়া চেকেণ্ডাৰী আৰু প্ৰাইমাৰীৰ ক্ষেত্ৰটো উলিয়াম যে যি কোনো এজন শিক্ষকে অৱসৰ লোৱাৰ ৬ মাহ আগতে স্কুলখনে পদখালী হোৱাৰ কথাটো আমাক জ্ঞাত কৰিব লাগিব । এইটো কৰিলে আমাক যিখিনি সময় লাগে সেই সময়খিনি আমি পাম আৰু সময়ত শিক্ষক নিযুক্তি দিব পাৰিম । মাননীয় বিধায়ক গৰাকীয়ে যিখন চলন্তপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তথ্যৰ বিসংগতিৰ কথা কৈছে, মই এইটো তদন্ত কৰি তেখেতক ব্যক্তিগত ভাৱে জনাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ খালী হোৱা পদৰ কথা কোৱা হৈছে । কথাটো হৈছে আমি বাৰে বাৰে

শিক্ষকৰ কথা কৈ থাকো যে শিক্ষকখিনি কেতিয়া নিযুক্তি দিব, যিহেতু এই পদসমূহ পূৰণ কৰা হোৱা নাই । অধ্যক্ষ মহোদয়, মই আন এটা বিষয়ত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে- আমাৰ কৰিমগঞ্জত এনেকুৱা হৈছে যে “ঢাল নাই-তৰোৱাল নাই, নিধিৰাম চৰ্দাৰ ” । ডি আই এজন আছে তেওঁ ডি,অ, আই, এছ আৰু ডি, এম, চিৰ চাৰ্জত আছে । এজনেই অফিচাৰ আছে আৰু তেওঁ ৰাতিপুৱাৰ পৰা ৰাতিলৈকে ঘুৰি থাকে । অধ্যক্ষ মহোদয়, কেতিয়া এই পদসমূহ পূৰণ কৰা হ’ব ? আই, এছ, ডি, অ আৰু ডি, এম, চিৰ ব্যৱস্থা কৰি শিক্ষকৰ পৰিৱেশটো ঠিক কৰিবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য , শিক্ষা মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি পদক্ষেপ লৈছো আৰু কেইদিনমানৰ ভিতৰতে তাত নিযুক্তি দিয়া হ’ব ।

**মাননীয় অধ্যক্ষ ঃ** উৎপল দত্ত ।

**শ্ৰী উৎপল দত্ত, বিধায়ক ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া ,এটা - দুটা পদ খালী নাই । মোৰ এটা প্ৰশ্নৰ উত্তৰত দিয়া ধৰণে গোটেই অসমত প্ৰধান শিক্ষক ও অধ্যক্ষৰ পদ ৬৩ টা, উপাধ্যক্ষৰ ৫১২ টা, বিষয় শিক্ষকৰ ১৩৫৩ টা, প্ৰধান শিক্ষকৰ ৯৫৬ টা পদ খালী আছে । ইমান বিলাক পদ খালী থাকিলে এখন বিদ্যালয় কেনেকৈ চলিব । মই যোৱাবাৰ বিধান সভাত কৈছিলো যে লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৮ টা পদখালী হৈ আছে । অধ্যক্ষ-উপাধ্যক্ষ নাই , বিষয় শিক্ষক, হিন্দী শিক্ষক নাই । এই পদ সমূহ পূৰণ কৰাৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াক পদক্ষেপ লোৱাৰ বাবে অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাইছো । কাৰণ অধ্যক্ষ মহোদয়, শিক্ষক নাথাকিলে স্কুল কেনেকৈ চলিব ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য , শিক্ষা মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, তেখেতে কোৱা কথাটো হয় যে শিক্ষক নাথাকিলে স্কুল কেনেকৈ চলিব । মই কব খুজিছো যে অনন্ত কুমাৰ মালো ডাঙৰীয়াক যিখিনি কথা কৈছো, সেই কথাখিনিয়েই প্ৰযোজ্য । বহুতো সময়ত দেখা যায় যে স্কুল কৰ্তৃপক্ষই এজন শিক্ষক অৱসৰ লৈ গুচি নোযোৱালৈকে আমাক নজনায় । তেখেত সকলৰ অৱসৰৰ ক্ষেত্ৰত আমাৰো এটা প্ৰক্ৰিয়া থাকে । তেওঁলোকে যদি আমাক Original Sanction আৰু Retention Copy টো নপঠিয়াই তেতিয়া আমাৰ অসুবিধা হয় । চিঠি লিখা-লিখি কৰোতেওঁ বহুত সময় যায় । সেই বাবেই আমি এই পদক্ষেপটো লৈছো যে কোনো এজন শিক্ষকে অৱসৰ লোৱাৰ ৬ মাহ আগতে স্কুল-কৰ্তৃপক্ষই তেওঁৰ কথাটো আমাক অৱগত কৰিব লাগিব । তেওঁৰ সলনি বিকল্প এজন দিয়াৰ বাবে আমালৈ লিখিব লাগিব । আগতে শিক্ষকজন অৱসৰ লোৱাৰ পিচতহে প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল । এতিয়া আমি এজন শিক্ষক অৱসৰ লোৱাৰ ৬ মাহ আগৰ পৰাই এই প্ৰক্ৰিয়াটো আৰম্ভ কৰিবলৈ গৈ আছো । উচ্চ শিক্ষাৰ ক্ষেত্ৰত আমি ইতিমধ্য Notification উলিয়াইছো। বাকী শিক্ষানুষ্ঠান সমূহৰ ক্ষেত্ৰতো আমি ৬ মাহ আগৰ পৰাই পদক্ষেপটো লোৱাৰ আৰম্ভ কৰিম । আপুনি জানে যে - চৰকাৰী প্ৰক্ৰিয়া এটা যথেষ্ট দীঘলীয়া হয়। Retention copy, original sanction copy আদি নাপালে আমি দিব নোৱাৰো । তাৰোপৰি বিষয়-শিক্ষক সমূহ Institution based . Institution based হোৱাৰ বাবে আমাক নজনোৱাৰ কাৰণে আমি দিশপুৰত সেই কথাখিনি গম নাপাওঁ । গতিকে এই ক্ষেত্ৰত যি আসোৱাহ আছে এইবোৰ দূৰ কৰাৰ কাৰণে আমি পদক্ষেপ লৈছো আৰু আশা ৰাখিছো এই পদক্ষেপটো সফল হ’ব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, দেবানন্দ হাজৰিকা । যিখিনি পদক্ষেপ লৈছে সঁচাকৈয়ে শলাগিবলগীয়া । ইয়াত মোৰ এটা কথা কবলগীয়া আছে যে - প্ৰতিখন স্কুলৰ জিলা বিষয়াৰ ওচৰত তথ্য থাকে যে

কোনজন শিক্ষকে কেতিয়া অৱসৰ গ্ৰহণ কৰিব । গতিকে এই ক্ষেত্ৰত স্কুলখনৰ হেডমাষ্টাৰ বা মেনেজমেন্ট কমিটিলৈ বৈ থকাতকৈ স্কুল Inspector এ যিহেতু এই ক্ষেত্ৰত অৱগত, তেওঁলোকে যদি সময়মতে শিক্ষামন্ত্ৰী মহোদয় বা সচিবালয়ত জনায় দিয়ে তেতিয়াহ'লে পদক্ষেপটো লোৱাত সুবিধা হয় ।

দ্বিতীয়তে, কেৱল উচ্চতৰ বিদ্যালয়তে নহয় কলেজটো এনেকুৱা অৱস্থা হৈছে যে কলেজখন প্ৰভিন্সিয়েলাইজ হৈ গৈছে, কিন্তু প্ৰিন্সিপালৰ পোষ্টটো চেংশ্যন হোৱা নাই । আৰু এটা কথা, যেতিয়া প্ৰিন্সিপালজনে অৱসৰ লয়, অৱসৰ লোৱাৰ বহুদিন আগতে যদি চিলেকশ্যন হৈ যায় তেতিয়াহ'লে কোৰ্ট কেচৰ জামেলাটো নাথাকে । ধন্যবাদ অধ্যক্ষ মহোদয়, মোক এইখিনি কবলৈ দিয়াৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হৈছে নিয়ম আমাৰ বহুত আছে। এইটো নহয় যে এতিয়াহে শিক্ষা জগত খনত অৰাজকতা হৈছে। এইটো বহুদিন আগৰ পৰাই চলি আহিছে। কিন্তু এই নিয়মবোৰ কোনেও পালন নকৰে । স্কুল, ইন্সপেক্টৰ অব স্কুলেও পালন নকৰে আৰু সময়মতে আমিও গম নাপাওঁ। কলেজৰ ক্ষেত্ৰত আমি নটিফিকেশ্যন উলিয়াই দিছো আৰু অন্যান্য ক্ষেত্ৰত আমি নটিফিকেশ্যন উলিয়াই ৬ মাহ আগতে জনোৱাটো বাধ্যতামূলক কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** Last Supplementory. Shri Nurul Huda.

**শ্ৰী নুৰুল হুডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পবিত্ৰ সদনত মই আগতেও কৈ আহিছো যে মোৰ সমষ্টিৰ জুৰিয়া হায়াৰ চেকেণ্ডাৰীত আজি ৪ বছৰে বিজ্ঞান শাখাৰ শিক্ষক নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে কিমান দিনৰ পিছত জুৰিয়া হায়াৰ চেকেণ্ডাৰীত বিজ্ঞান শাখাৰ শিক্ষক দিয়া হ'ব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন তেখেতে কৰিছে জুৰিয়া হায়াৰ চেকেণ্ডাৰী সম্পৰ্কত এইটো তেখেতক মই ব্যক্তিগত ভাৱে জনাই দিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৫৫। শ্ৰী উৎপল দত্ত।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। এই বিষয়টোৰ সন্দৰ্ভত মই মন্ত্ৰী মহোদয়ৰ ওচৰলৈ ২-৩ বাৰ গৈছো। কমিশ্যনাৰকো দুবাৰ মান কৈছো। তেওঁলোকে কৈছে সোনকালে খোলা হ'ব। এতিয়া উত্তৰত দিছে যে উপাযুক্তক জনোৱাৰ পিছত কিছু বিদ্যুৎ সামগ্ৰী চুৰি হৈছে। অকল চুৰিয়েই নহয়, ৰাতি হ'লে তাত মদৰ আদ্দা হয়। ইতিমধ্যে দৰজা-খিড়িকী ভাঙিছে আৰু ৰাতি ৰাতি তাত মানুহ থকা কৰিছে। এই প্ৰকল্পটো এতিয়া জহি-খহি গৈছে। আজি প্ৰায় ডেৰ বছৰ আগতে সম্পূৰ্ণ হ'ল। আজি মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা উত্তৰ বিচাৰিছো যে কেতিয়াৰ ভিতৰত এইটো ল'ব? উত্তৰত কোৱা হৈছে যে স্বায়ত্ব পৰিষদৰ নিৰ্বাচনৰ বাবে বৰ্তমান কেন্দ্ৰটো উদ্বোধন কৰিব পৰা নাই। স্বায়ত্ব পৰিষদৰ নিৰ্বাচন হৈ গ'ল। গতিকে তাৰিখ এটা দিবৰ কাৰণে মই অনুৰোধ কৰিছো। প্ৰশ্ন নং (গ) এইটো কোনে পৰিচালনা কৰিব? এইটোৰ উত্তৰত কোৱা হৈছে যে ইয়াত কোনো নিযুক্তিৰ ব্যৱস্থা নাই। যদিহে এই প্ৰকল্পটোত নিযুক্তিৰ ব্যৱস্থা নাই তেন্তে নিশ্চয় এখন কমিটি থাকিব লাগিব। গতিকে এই কমিটিখনত কাক কাক দিব, কেনেধৰণে গঠিত হ'ব? গতিকে

জিলা উপায়ুক্তৰ হতুৱাই এখন কমিটি বনাই আগন্তুক মাৰ্চৰ ভিতৰত প্ৰকল্পটো উদ্বোধন কৰিব নেকি তাকে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰকল্পৰ কথা কোৱা হৈছে, এইটো সম্পূৰ্ণ হৈছিল আৰু হোৱাৰ পিছত ২০১৮ চনৰ ৮ নৱেম্বৰ তাৰিখে এই প্ৰকল্পটো ডি চি য়ে সাংস্কৃতিক বিভাগক হস্তান্তৰ কৰিছিল। হস্তান্তৰ কৰাৰ পিছত এই কেন্দ্ৰটো মুকলি কৰিবৰ কাৰণে চৰকাৰে চিন্তা চৰ্চা কৰিছিল, কিন্তু কৰাৰ সময়তে আমাৰ পঞ্চায়তৰ নিৰ্বাচন, স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচন আহিল। গতিকে নিৰ্বাচনৰ কোড অব কনডাক্ট থকাৰ কাৰণে উদ্বোধন কৰিব পৰা নগ'ল। ইয়াৰ মাজতে তাৰ পৰা কিছু ইলেকট্ৰিকেল সামগ্ৰী চুৰি হৈ গ'ল। এতিয়া বিভাগৰ ফালৰ পৰা এই চুৰি হোৱা সামগ্ৰী যেনে লাইট, ফেন এইবোৰ তাত লগোৱাৰ ব্যৱস্থা কৰা হৈছে আৰু এইটো সোনকালে উদ্বোধন কৰা হ'ব। এতিয়া যদি আকৌ পাৰলিয়ামেণ্টৰী ইলেকশ্যনৰ কোড অব কনডাক্ট লাগি যায় তেনেহ'লে আকৌ অসুবিধা হ'ব। সেয়েহে আজিয়েই নিৰ্দিষ্ট তাৰিখটো কোৱাটো টান। কিন্তু এইটো যিমান সোনকালে পৰা যায় সিমান সোনকালে কৰা হ'ব। যিহেতু বিধায়ক মহোদয় আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয় দুয়োজন লখিমপুৰ জিলাৰ অন্তৰ্গত গতিকে এই প্ৰশ্নটো বিধান সভালৈ নানি নিজৰ মাজতে আলোচনা কৰি ল'ব পাৰে। গতিকে দুয়োজনে বহি আলোচনা কৰি তাৰিখ এটা ল'ব পাৰে। মই মাননীয় সদস্য গৰাকীক জনাওঁ যে যিমান সোনকালে পৰা যায় সিমান সোনকালে কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৫৬। শ্ৰী মহেশ্বৰ বড়ো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মহেশ্বৰ বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ পাইছো কিন্তু উত্তৰখিনি সন্তুষ্টিজনক নহ'ল। ইয়াত উল্লেখ কৰিছে যে ৯২ খন উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাদেশিকৰণৰ কাৰণে উপযুক্ততা নিৰূপণ প্ৰক্ৰিয়া চূড়ান্ত পৰ্য্যায়ত আছে বুলি কৈছে। মই জানিব বিচৰা কথাটো হৈছে ৯২ ৰ উপৰিও আৰু অতিৰিক্ত আছে নেকি আৰু এই আইনৰ আওঁতাৰ ভিতৰত পৰা ৯২ খনৰ বাহিৰে আৰু আছে নে নাই? দ্বিতীয়তে, মধ্য ইংৰাজী বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয় অসমত প্ৰাদেশিকৰণ কৰিবৰ কাৰণে আনুমানিক কিমানখন মান আছে?

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ৯২ খন সম্পূৰ্ণ হৈ গৈছে। ইয়াৰ উপৰিও আৰু আছে যদিও তেওঁলোকৰ ভেৰিফিকেশ্যন আৰু অন্যান্য administrative প্ৰক্ৰিয়া যিখিনি আছে সেইখিনি সম্পূৰ্ণ হোৱা নাই। পৰৱৰ্তী সময়ত আমাৰো দিম। মই লিষ্টখন এইকাৰণে দিব পৰা নাই যে যেতিয়ালৈকে এই অধিসূচনা জাৰি নহয় তেতিয়ালৈকে এই লিষ্টখন দিয়াতো সমীচিন নহ'ব। এই মাহৰ ভিতৰতে ৯২ খন উচ্চ মাধ্যমিক বিদ্যালয়ৰ তালিকাখন জাৰি হ'ব, পৰৱৰ্তী সময়ত যিবিলাক স্কুলৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা নাই, যিবিলাকৰ তথ্যপাতি পাওঁতে অলপ দেৰি হৈছিল পৰ্য্যায়ক্ৰমে তেওঁলোককো আমি প্ৰাদেশীকৰণৰ আওঁতাত আহিলে তেওঁলোকক প্ৰাদেশীকৰণ কৰা হ'ব। দ্বিতীয়তে, যিটো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ কথা কৈছে এই গোটেই বস্তুবোৰ আমাৰ এঠাইত আহি ৰৈ গৈছে সেইটো হৈছে আমাৰ যিটো rationalization and amalgamation ৰ প্ৰক্ৰিয়া ইয়াত আমি যথেষ্ট অসুবিধা পাইছো। অসুবিধাটো হৈছে ধৰা হ'ল এখন স্কুল ১০০ বছৰতকৈও বেছি পুৰণি আৰু তাৰ ওচৰত এখন নতুন স্কুল আছে। আমাৰ প্ৰক্ৰিয়ামতে যিখনত সমানুপাতে ছাত্ৰ-ছাত্ৰী আছে আৰু যিখনত নাই সেইখনক amalgamate কৰা হ'ব। যেতিয়াই আমি amalgamate কৰিবলৈ যাওঁ তেতিয়াই হুলস্থুলটো লাগি যায় যে ঐতিহ্যমণ্ডিত

স্কুলখন কিয় amalgamate কৰিব লাগে? কিন্তু এই ঐতিহ্যমণ্ডিত স্কুলখনত যে ছাত্ৰ-ছাত্ৰী নাই এই কথাটো কোনেও নকয়। গতিকে আমাৰ এই rationalization and amalgamation ৰ প্ৰক্ৰিয়াটোত আমি যথেষ্ঠ অসুবিধা পাইছো। .

মাননীয় অধ্যক্ষ মহোদয়, গতিকে আমাৰ এই প্ৰক্ৰিয়াটোত আমি যথেষ্ট অসুবিধা পাইছো আৰু এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ নোহোৱালৈকে আমি Provincialisation লৈ যোৱাটো অলপ Pre-mature হ'ব। কিয়নো আপোনালোকেও জানে যে এই প্ৰক্ৰিয়াটোত যদি অলপ খুদ থাকি যায়, লগে লগে তেওঁলোক কোৰ্টলৈ গুচি যায়। গতিকে এই প্ৰক্ৰিয়াটেত আমি যাতে কোনো litigation নোহোৱাকৈ বা কোৰ্ট-কাছাৰীলৈ নোযোৱাকৈ, মিলা-প্ৰীতিৰ মাজেৰে কৰিব পাৰি সেই বাবে আমি অলপ সময় লৈ কৰিছো। মই আপোনাক আশ্বস্ত কৰিব বিচাৰিছো যে এই ক্ষেত্ৰত যি মূহূৰ্ততেই এই প্ৰক্ৰিয়াটো আমি সকলোৰে গ্ৰহণযোগ্য হিচাপে সম্পূৰ্ণ কৰিব পাৰিম, তেতিয়াহে আমি এই Provincialisation ৰ কামটো হাতত লম। In the mean time আপোনালোকে জানে যে শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত ৯হেজাৰতকৈ অধিক শিক্ষকৰ নিযুক্তিৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিছো আৰু যিবিলাক বিদ্যালয়ত Surplus শিক্ষক আছে আৰু যিবিলাক বিদ্যালয়ত Deficit শিক্ষক আছে, এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱাৰ লগে লগে জল-জল-পট-পট কৈ ওলাই পৰিব। সেইদিনাখনো মই কৰ্ত্তন প্ৰস্তাৱৰ উত্তৰত কৈছিলো যে আমি এতিয়া এটা সিদ্ধান্ত লৈছো। সেই সিদ্ধান্তৰ Notification আজি বা কালিৰ ভিতৰত আপোনালোকৰ ওচৰত যাব। সেই সিদ্ধান্ত হৈছে যে কোনখন স্কুলৰ পৰা কোনখন স্কুললৈ শিক্ষক বদলিকৰণ কৰিব লাগে সেইটো আমি কেন্দ্ৰীয়ভাৱে নকৰো। সেইটো আমি জিলাভিত্তিত Deputy Commissioner, Inspector of school বা DEO, বিধায়ক বা Elected Representitive এই ৫জন মানুহৰ এখন কমিটী কৰিব। সেই কমিটীয়ে ধৰক আপোনাৰ সমষ্টিত দুখন স্কুল, এখন Amalgamanate হ'ব আনখন স্কুলৰ লগত। তেনেক্ষেত্ৰত Surplus শিক্ষকসকলক ক'ৰ পৰা ক'ত দিব তাৰ সিদ্ধান্ত আপোনালোকে ল'ব। নহ'লে কেন্দ্ৰীয়ভাৱে যদি দিছপুৰত এই সিদ্ধান্ত ল'ব যাওঁ প্ৰথম কথা হৈছে আমি Ground Reality টো গম নাপাওঁ। আমি হয়তো ইয়াৰ পৰা কৰি দিব পাৰো। কিন্তু তাৰ পিচদিনা ৰ পৰাই আমাৰ ওচৰলৈ অভিযোগ আহিব যে আমাক কিয় এইখন স্কুলৰ পৰা আনখন স্কুলত দিয়া হ'ল? কিন্তু আপোনালোক যিহেতু স্থানীয় প্ৰতিনিধি, নিৰ্বাচিত প্ৰতিনিধি আপোনালোকেই এই কমিটীৰ দ্বাৰা আমি যিটো বদলিকৰণ বা সৰলীকৰণৰ ব্যৱস্থা বা সমানুপাতৰ ব্যৱস্থা কৰিব বিচাৰিছো সেইটো সম্পন্ন কৰিব। এই সম্পৰ্কীয় Notice খন আজি কালিৰ ভিতৰত দি দিয়া হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে, ইয়াত মই ক'ব বিচাৰিছো যে যিখিনি ভেঞ্চাৰ স্কুল Provincialisation হ'ব, সেইখিনিও আগৰ ভেঞ্চাৰ স্কুলৰ লগত Amalgamanation কৰা হ'ব নেকি? যদি সেইখিনি কৰ নহয়, যদি আগৰ Provincialise ৰ লগতে Provincialise স্কুলৰ Amalgamanation কৰা হয়, ভেঞ্চাৰ স্কুল পিছত Provincialise কৰা হয়, তেনেহ'লে মই ভাৱো এইটো বছৰ পাৰ হৈ যাব আৰু বহুত দেৰী হৈ যাব। গতিকে এই কথাটো মই স্পষ্ট কৰাটো মই বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয় যোৱা বছৰ আপোনাৰ অধ্যক্ষতাত ৪ দিন শিক্ষা বিষয়ৰ ওপৰত আলোচনা হৈছিল আৰু আপুনিও উপস্থিত আছিল। আমাৰ সদনত সেইকথাবিলাক আমি দাঙি ধৰিছিলো আৰু তাত কিছুমান দাবী আহিছিল Assam Education Provincialisation of Services of

Teachers and Re-Organisation of Educational Institution Act 2017. এই খনত কিছুমান Issue Date ৰ দাবী আছিল যিসমূহ আমি ইয়াত উত্থাপন কৰিছিলো যে এই সমূহ সংশোধন কৰি দিলে তেওঁলোকে এটা সকাহ পাব। গতিকে এই ক্ষেত্ৰত কিবা সংশোধন কৰাৰ বিবেচনা চৰকাৰে কৰিব নেকি? জানিব বিচাৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে জানে যে আমি ভেঞ্চাৰ স্কুলৰ Provincialisation আৰু আমাৰ বৰ্ত্তমান যিটো প্ৰশ্ন আছে, দুয়োটাই সম্পূৰ্ণ বেলেগ বিষয়। কিন্তু তেখেতে যিটো কথা উত্থাপন কৰিছে সেইটো মইয়ো মানি লওঁ যে ভেঞ্চাৰ স্কুল এখন Provincialisation কৰাৰ লগে লগে সেইখনো Provincialise হৈ যাব। গতিকে আমি বিচাৰিছো যে প্ৰথমে আমাৰ যিখিনি Provincialisation হৈছে, সেইখিনি ছিজিল কৰি লওঁ। তাৰ পিছত ভেঞ্চৰ স্কুলসমূহ Provincialise কৰাৰ পাছত পৰৱৰ্ত্তী পদক্ষেপসমূহ লোৱা হ'ব। সেয়েহে মই মাননীয় সদনক জনাব বিচাৰিছো যে প্ৰথমে আমি আমাৰ যিখিনি Provincialise স্কুল আছে, সেইখিনি ঠিক কৰি লওঁ। কিয়নো Provincialise স্কুলৰ মাজতে এনেকুৱা কিছুমান আছে, য'ত ছাত্ৰ-ছাত্ৰী আছে ১০ গৰাকী আৰু শিক্ষক আছে ৭ গৰাকী, যিটো আমাৰ ১ঃ৩০ হ'ব লাগে। কিন্তু আমাৰ কিছুমানত ১ঃ৬০ লৈও স্কুল আছে। কিন্তু কিছুমানত বেছিও আছে। গতিকে এই গোটেই বিষয়টো স্থানীয় প্ৰতিনিধি MLA বা MP য়ে হওঁক তেওঁলোকৰ লগত স্থানীয়ভাৱে এই গোটেই কথাখিনি মিলাই লৈ আমি এটা সঠিক হিচাপ পাম যে কিমান স্কুল আছিল আৰু কিমানখিনি কৰা হ'ল ? কিয়নো ইয়াৰ লগত আৰু এটা কথা জড়িত হৈ আছে আৰু আমাৰ সদনৰ মজিয়াত উত্থাপনো হৈছিল। ধৰি লওঁক দুখন স্কুল আছে, এখন স্কুলৰ লগত আনখন স্কুলৰ Amalgamanate কৰিলো। আগৰ স্কুলৰ যিবোৰ সম্পত্তি আছিল সেইবোৰৰ কি হ'ব ? আমাৰ সদনৰ মজিয়াত এই কথাটো উত্থাপন হৈছিল আৰু শংকা কৰা হৈছিল যে এইবোৰৰ কিবা অপব্যৱহাৰ বা বে-দখল কৰা হ'ব নেকি ? গতিকে আমি সেই ক্ষেত্ৰতো পদক্ষেপ লৈছো যে গোটেইখিনি সম্পত্তি যিখন স্কুলৰ লগত Amalgamanate কৰা হ'ব ধৰি লওঁক 'ক' ৰ লগত 'খ' ৰ Amalgamanate কৰা হ'ল, গতিকে 'খ' ৰ মালিকনাত আটাইখিনি গুছি যাব আৰু তেওঁলোকে গোটেইখিনি চোৰ-চিতা কৰিব। এই গোটেই পদক্ষেপ খিনি লওঁতে আমাৰ যিখিনি স্থানীয় বিধায়ক, তেওঁলোকৰ পৰামৰ্শ মতেহে পদক্ষেপ লওঁ।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম ডাঙৰীয়া আপোনাৰ কথাখিনি মই বুজি পাইছো । কিন্তু মাননীয় মন্ত্ৰী ডাঙৰীয়াই এটা ভাল পৰামৰ্শ দিছে যে স্কুল সমূহ যদি Amalgamanation হৈ যায়, কিছু স্কুল ৰাহি হ'ব। সেইখিনিৰ সংখ্য Add কৰি ল'ব পাৰিব Provincialisation ৰ ক্ষেত্ৰত। আমাৰ মন্ত্ৰী মহোদয়ে অলপ সময় লৈছে আৰু মই ভাৱো তেওঁক অলপ সময় দিয়া দৰকাৰ। কিন্তু মইয়ো এটা কথা ভাৱিছো যে Amalgamanation ৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা চাইছো। কিন্তু Better Communication Facility, better Infrastructure facility আদি Ignoor কৰা হয়। কিছুমানত ল'ৰা-ছোৱালী বেছি আছে, কিন্তু ভিতৰুৱা স্থানত আছে। এনেকুৱা আগতে হৈছে। এতিয়া যেনেকৈ বিধায়ক সকলক লগত লৈছে, আগলৈও যাতে তেওঁলোকৰ পৰামৰ্শ লৈ আগবাঢ়ে । আমাৰো বহুত ক্ষেত্ৰত অসুবিধাসমূহ কমি যাব। এইটো মোৰ এটা পৰামৰ্শ। এতিয়া আ ব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াই কওঁক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়টো চাম।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা উনুকিয়াব বিচাৰিছো যে মাননীয় মন্ত্ৰী মহোদয়ৰ অধ্যক্ষতাত Commissioner আৰু শিক্ষকসকলৰ এখন মিটিং হৈছিল আৰু এটা সিদ্ধান্ত লোৱা হৈছিল যে যি বিষয়ে আমিনুল ইছলাম ডাঙৰীয়াই ইতিমধ্যে কৈছে। যিখন ভেঞ্চাৰ স্কুল Provincialisation Act শিক্ষক সকলৰ বাবে আছে, সেইখন ২০০৬ চনৰ ১ জানুৱাৰীৰ পিছত Issue date ৰ Ammendment ৰ ক্ষেত্ৰত মন্ত্ৰীমহোদয়ে সেই মিটিংখনত মানি লৈছিল। য'ত নেকি এতিয়া তাত Ammendment ৰ প্ৰয়োজন হৈছে। সেই বৈঠকখনত এইখন Ammendment ৰ সিদ্ধান্ত মানি লোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি কথা আমিনুল ইছলাম ডাঙৰীয়া ও কৈছে। এতিয়া মন্ত্ৰী মহোদয়ে কওঁক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুয়োজন সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো যে তেওঁলোকে এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। এইক্ষেত্ৰত মইও অনুভৱ কৰো, যদিও আমি Act ৰ মতে নোৱাৰো। কিন্তু যিটো Issue date আৰু Effect date ৰ মাজত কিছুমান গেপ থাকি গৈছে, কিছুমান স্কুলত issue কৰা হ'ল কিন্তু Effect কৰা হ'ল বেলেগ date ৰ পৰা । এইটো ক্ষেত্ৰত আমাৰ বিত্তবিভাগলৈ আমি লিখিছো কিয়নো আমাৰ স্কুলৰ সংখ্যা বাঢ়ি যাব আৰু ইয়াত বিত্তীয় কথাও আহি পৰে। যি মূহুৰ্ত্ততে আমি তেনেকুৱা এটা Sanction বা Clearence পাম আৰু Ammendment এখন অনাৰ বাবে যিখিনি প্ৰক্ৰিয়া লাগে আমি সেইখিনি আৰম্ভ কৰিব পাৰিম। আগতে যদি এহেজাৰখন হ'লহেঁতেন বৰ্ত্তমান Effect date ৰ পৰা দিলে ৫০০ খন হয়তো বাঢ়ি যাব। মই এইটো সংখ্যা উদাহৰণস্বৰূপেহে কৈছো। গতিকে এই ৫০০ খিনিৰ যি বিত্তীয় আনুষাংগিক কথা আছে আমি সেইখিনি পাব লাগিব। মই আগতেও কৈছো যে মই নিঃসন্দেহে এইটো অনুভৱ কৰো কিয়নো Effect date টো স্কুলখনৰ Actually স্কুলখনৰ ভুল নহয়। এতিয়া চিঠিখন দেৰী কৰাৰ বাবে স্কুলখন দায়ী নহয়, সেয়েহে মই সেই যুক্তিটো মানি লৈছো আৰু মই নিজেও স্বীকাৰ কৰিছো। অধ্যক্ষ মহোদয়, আপুনি নিজেও আইনৰ প্ৰক্ৰিয়া সমূহ ভালকৈ জানে, গতিকে এই ক্ষেত্ৰত financial sanction লাগিব কিয়নো তেতিয়া additional school সমূহ সোমাই যাব। সেই ক্ষেত্ৰত আমাৰ যি প্ৰশাসনীয় কাম কৰিব লগীয়া আছে, সেইবোৰ আমি কৰিম। In principle, I also believe that effective date টো যাতে কোনো কাৰ্যকৰী নহয়, যিটো date ত তেওঁলোকক issue কৰা হ'ল, সেই date ৰ পৰাই তেওঁলোকক ধৰিব লাগে।

**মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো, কাৰণ তেওঁ কথাখিনি মানি লৈছে আৰু এইটো যাতে সমাধান কৰিব পাৰি তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদিঃ** নিশ্চয় কৰিম। যিটো যুক্তি সংগত হয়, সেইটো কৰিবই লাগিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিমল বড়া।

**মাননীয় সদস্য শ্ৰী বিমল বড়া, (টিংখাং)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে amalgamation ৰ সম্পৰ্কত শিক্ষক বদলি কৰাৰ বাবে যি উদ্যোগ লোৱাৰ কথা কৈছে সেই সম্পৰ্কে মই ভাৱো যে তাত আৰু এটা কথা সংযোগ কৰিব লাগে। বহু বিদ্যালয়ত একেৰাহে বহু বছৰ ধৰি যি সকল শিক্ষকে শিক্ষকতা কৰি আছে, তাৰে কিছুমান শিক্ষকৰ সেই বিদ্যালয়ৰ প্ৰতি আন্তৰিকতা নোহোৱা

হৈ যায়, গতিকে মই ভাৱো যে সেই বিদ্যালয় সমূহৰ শিক্ষক সকলক নূন্যতম ১০ বছৰৰ সময় নিৰ্ধাৰণ কৰি ৰদ-বদলি কৰাৰ বাবে বিবেচনা কৰিবলৈ মই অনুৰোধ জনাইছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী বড়া ডাঙৰীয়াই যিটো কথা কৈছে সেই ক্ষেত্ৰত কোনজন শিক্ষক ক'লৈ বদলি কৰিলে ভাল হয় ইত্যাদি কথাবোৰ স্থানীয় বিধায়কজনতকৈ ভালকৈ আন কোনোৱে নাজানিব। গতিকে, এই ক্ষেত্ৰত তেওঁলোকে নিজেই সিদ্ধান্তটো ল'লে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** কেতিয়াবা কিছুমান খুব dedicated teacher থাকে যে তেওঁলোকে স্কুলখন বনাই শেষলৈকে থাকিব বিচাৰে আৰু promotion হ'লেহে যায়। সেয়েহে, আপোনালোকৰ সমিতিয়ে এই ক্ষেত্ৰত সিদ্ধান্ত লোৱাটো ভাল হ'ব বুলি মই ভাৱো।

Next Q. No. 157, Mamun Imdadul Hoque Choudhury.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় সদস্য শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী, (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো কৰিছিলো যে অসমত মুঠ কিমানটা চৰকাৰী আৰু বে-চৰকাৰী গ্ৰাম্য পুথিভঁৰাল আছে? চৰকাৰী হিচাপমতে অসমত ২৬ হাজাৰৰ ওপৰত গাওঁ আছে আৰু মোৰ প্ৰশ্নৰ উত্তৰত চৰকাৰৰ ফালৰ পৰা পালো যে অসমত মুঠ ১৯৯ টা চৰকাৰী আঁচনিযুক্ত গ্ৰাম্য পুথিভঁৰাল আছে। অধ্যক্ষ মহোদয়, ২৬ হাজাৰ গাঁৱৰ ভিতৰত মাত্ৰ ১৯৯ টা গ্ৰাম্য পুথিভঁৰাল থকাটো এক দুখ লগা পৰিসংখ্যা। গতিকে, চৰকাৰৰ প্ৰতি মোৰ অনুৰোধ থাকিল যে প্ৰত্যেকখন গাঁৱত একোটাকৈ well-equiped গ্ৰাম্য পুথিভঁৰাল বনাই এই পৰিসংখ্যাটো কেনেধৰণে বঢ়াব পাৰি তাৰ বাবে যাতে বিবেচনা কৰি ব্যৱস্থা গ্ৰহণ কৰে। আজিকালি Technology ৰ যুগ অহাৰ পৰা মানুহ লিখা-পঢ়াৰ পৰা ক্ৰমান্বয়ে আঁতৰি গৈছে যিটো ভৱিষ্যতৰ বাবে ক্ষতিকাৰক। গতিকে, মই ভাৱো নতুন প্ৰজন্মৰ বাবে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি আঁচনি বনাই চৰকাৰখনে যাতে step by step প্ৰত্যেকখন গাঁৱত একোটাকৈ গ্ৰাম্য পুথিভঁৰাল বনোৱাৰ ব্যৱস্থা গ্ৰহণ কৰে।

মই মোৰ সমষ্টিত কিমানটা গ্ৰাম্য পুথিভঁৰাল আছে বুলি চৰকাৰক প্ৰশ্ন কৰিছিলো। এই ক্ষেত্ৰত চৰকাৰে ঠিকেই উত্তৰ দিছে যদিও তাত মই কিছুমান বিসংগতি দেখিবলৈ পাইছো। এই বিসংগতিটো মই নধৰো, হয়তো কিবা কাৰিকৰী ভুল থাকিব পাৰে। মোৰ প্ৰশ্নৰ উত্তৰত পাইছিলো যে মোৰ সমষ্টিত লাথৌ যোৰহটীয়া প্ৰদীপ পুথিভঁৰাল নামৰ এটা চৰকাৰী পুথিভঁৰাল আছে। কিন্তু, মন্ত্ৰী মহোদয়ে পিছত চাই Annexure ত দুখন পুথিভঁৰালৰ নাম দিছে। এখন হ'ল, পশ্চিম লালুক যুৱ সংঘ পুথিভঁৰাল আৰু আনখন হ'ল-লাথৌ যোৰহটীয়া প্ৰদীপ পুথিভঁৰাল । এই ক্ষেত্ৰত, মই মন্ত্ৰী মহোদয়ক ভুল ধৰিব বিচৰা নাই, হয়তো কিবা কাৰিকৰী বিসংগতি হ'ব পাৰে। এই পুথিভঁৰাল দুটাত কিতাপ-পত্ৰও কম আছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই পুথিভঁৰাল দুটা কিতাপ-পত্ৰ সহ যাতে ভালকৈ বনাই দিয়ে। অকল building বনালেই নহ'ব, তাত কিতাপ-পত্ৰও থাকিব লাগিব। মই আগতে বহু ঠাইত দেখিবলৈ পাইছো যে পুথিভঁৰালৰ বাবে building ঠিকেই বনোৱা হয় কিন্তু পঢ়িবলৈ তাত কিতাপ-পত্ৰই নাথাকে। সেয়েহে মই চৰকাৰখনক এই ক্ষেত্ৰত পদক্ষেপ ল'বৰ বাবে অনুৰোধ কৰিছো।

মোৰ পৰৱৰ্তী প্ৰশ্ন নং ১৫৭ (গ)ত সুধিছিলো - উক্ত পুথিভঁৰাল সমূহৰ আঁচবাব আৰু গ্ৰন্থ সম্ভাৰৰ ক্ৰয় আৰু সংৰক্ষণৰ বাবে চৰকাৰখনে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে? মোৰ প্ৰশ্নটো direct

আছিল, চৰকাৰখনে কিমান টকাৰ কিতাপ কিনিব আৰু এই কিতাপ সমূহ ঠিক মতে সংৰক্ষণৰ বাবে কি ব্যৱস্থা হাতত ল'ব ? কিন্তু ইয়াৰ উত্তৰত চৰকাৰে directly কোনো বাজেট allocation ৰ কথা নক'লে তাৰ পৰিৱৰ্তে চৰকাৰে ক'লে যে, চৰকাৰী গ্ৰাম্য পুথিভঁৰালৰ বাবে বাজেট আৱণ্টন অনুসৰি সময়ে সময়ে গ্ৰন্থ সম্ভাৰ ক্ৰয় আৰু সংৰক্ষণৰ বাবে আলমাৰী, ৰেক আদি আঁচবাব যোগান ধৰা হয় । অধ্যক্ষ মহোদয়, এই উত্তৰটোত মই সন্তুষ্ট হোৱা নাই। চৰকাৰৰ তৰফৰ পৰা মন্ত্ৰী ডাঙৰীয়াই এনেধৰণে উত্তৰ দিয়া বাবে মই বেয়া পাইছো। মন্ত্ৰী ডাঙৰীয়াই directly ক'ব লাগিছিল যে গ্ৰাম্য পুথিভঁৰালৰ বাবে আমাৰ হাতত ইমান টকাৰ budget allocation আছে। গতিকে এই কথাখিনি মন্ত্ৰী মহোদয়লৈ মোৰ অনুৰোধ থাকিল আৰু পুথিভঁৰালৰ নিচিনাকৈ যদি আমি এটা আন্দোলন গঢ়ি তুলিব পাৰো তেন্তে আমাৰ গোটেই অসমত এটা ভাল পৰিৱেশ আৰু ভাল সংস্কাৰ গঢ়ি উঠিব। চৰকাৰৰ প্ৰতি মোৰ এইখিনিয়েই অনুৰোধ থাকিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ভাল পৰামৰ্শ এটা আগবঢ়াইছে। ২৬ হাজাৰ গাঁৱত পুথিভঁৰাল যদি আমি কৰিব পাৰো তেন্তে ই নিশ্চয় ভাল পদক্ষেপ হ'ব আৰু এই পুথিভঁৰাল সমূহ আচলতে পৰ্যায় ভিত্তিত হৈ আহিব লাগিছিল। কিন্তু অধ্যক্ষ মহোদয়, মই যিমান দূৰ জানো, ১৯৮৫ চনত অগপ চৰকাৰ যেতিয়া ক্ষমতালৈ আহিছিল, তেতিয়াই এই পুথিভঁৰাল সমূহ নিৰ্মাণ কৰা হৈছিল আৰু তাৰ পৰৱৰ্তী সময়ত কিন্তু পুথিভঁৰালৰ সংখ্যা বঢ়োৱা হোৱা নাই। এই পুথিভঁৰালৰ কাৰ্যসূচী ১৯৮৫ চনত যেতিয়া আৰম্ভ হৈছিল, তেতিয়াৰ পৰাই যদি পুথিভঁৰালৰ বাবে আন্দোলন হ'লহেঁতেন, তেন্তে, গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালী তথা অন্য মানুহৰো পঢ়াৰ প্ৰতি ধাউতি বাঢ়িলহেঁতেন। গতিকে, মাননীয় সদস্য গৰাকীৰ পৰামৰ্শটো মই বিভাগক নিশ্চয় জনাম।

দ্বিতীয় কথাটো হ'ল, বৰ্তমান সময়ছোৱাত এই গোটেইখিনি কথা বিত্তীয় পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে, বিত্তীয় পৰিস্থিতি সাপেক্ষে সময়ে সময়ে কিতাপ দি বা আলমাৰী দি কিতাপ সমূহ সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু, যিমান পৰিমাণৰ পুঁজিৰ প্ৰয়োজন, সিমান পৰিমাণৰ পুঁজি নোপোৱাৰ বাবে ঠিক মতে কৰিব পৰা নাই। সেয়েহে মাননীয় সদস্য গৰাকীয়ে দিয়া পৰামৰ্শৰ ওপৰত বিভাগে বিবেচনা কৰি পৰিকল্পনা কৰক আৰু পৰিকল্পনাটো আগন্তুক সময়ছোৱাত বিত্ত বিভাগলৈ পঠিয়াই তেন্তে মই ভাৱো এই সমস্যাটো আমি নিশ্চয় সমাধান কৰিব পাৰিম। প্ৰত্যেকখন গাঁৱত পুথিভঁৰাল হোৱাটো মই ব্যক্তিগত ভাৱেও বিচাৰো। কাৰণ পুথি পঢ়াৰ অভ্যাস সকলোৰ বাঢ়িব লাগে। বৰ্তমান সময়ছোৱাত দৈনিকে নতুন নতুন কিতাপ ওলাই আছে। আমি যেতিয়া ছাত্ৰ আছিলো তেতিয়া বিভিন্ন ধৰণৰ উপন্যাস বা অন্য কিতাপ ওলাইছিল কিন্তু বৰ্তমান সময়ছোৱাত কিতাপ সমূহ বিভিন্ন বিষয়ত ওলাইছে যেনে Management ৰ ওপৰত ৰবীন শৰ্মাৰ কিতাপ, The Monk who sold his Ferrari ইত্যাদি বিভিন্ন কিতাপ ওলাইছে। আমাৰ সময়ছোৱাত ৰংমন, পাপু ছিৰিজ, দস্যু ভাস্কৰ আদি কিতাপ সমূহ আছিল। আজিৰ সময়ত আকৌ এই কিতাপ সমূহ নতুনকৈ প্ৰকাশ পাইছে। মই ভাল পাইছো যে আমাৰ শৈশৱৰ দিনৰ কিতাপসমূহ নতুনকৈ প্ৰকাশ পাইছে যাৰ ফলত আমি শৈশৱৰ দিনবোৰ মনত পেলাব পাৰিছো। গতিকে আজি যিহেতু ইমান ভাল ভাল কিতাপ ওলাই পৰিছে সেয়েহে এই কিতাপবোৰক ছাত্ৰ-ছাত্ৰী তথা গাঁৱৰ ৰাইজৰ মাজত চিনাকী কৰি দিয়াটো ভাল। আজিৰ সময়ত পৃথিৱীৰ আটাইতকৈ ডাঙৰ কথাটো হৈছে যে আমি কেনেকৈ আগবাঢ়িম ? অধ্যক্ষ মহোদয়, আপুনি আৰু মই যেতিয়া ছাত্ৰ আছিলো, তেতিয়া

আমাৰ বাবে ৰেডিঅ' টোৱেই ডাঙৰ বস্তু আছিল, কিন্তু তাৰ পৰৱৰ্তী দিনত গান শুনাৰ লগতে ছবিও চাব পৰাকৈ টি.ভি. ওলাল। তাৰ পিছত আকৌ ইণ্টাৰনেট ওলাল য'ত আমি ঘৰত বহিয়েই Oxford Library, ৰ কিতাপ পঢ়িব পাৰো। আজিকালি আকৌ Startup and Artificial Intelligence ৰ দিন Artificial intelligence ৰ কাৰণে এতিয়া এনেকুৱা হৈছে যে যিসমূহ কোম্পানীত আগতে ১০,০০০ জন মানুহে কাম কৰিছিল এতিয়া তাৰ ঠাইত ১০ জন মানুহেৰেই কাম চলি যায়। Artificial intelligence য়ে এতিয়া কৈছে যে the smelling capacity of a dog's nose is 20,000 times more than the human nose. গতিকে Airport সমূহত আজিকালি পুলিচে Artificial intelligence ৰ সহায় লৈয়ে কুকুৰৰ সহায়ত বোম ক'ত আছে সেইবিলাক চাব পাৰে। আজি যুগৰ পৰিবৰ্তন হৈছে। গতিকে তাৰ কাৰণে Library ত এইবিলাক সংযোজিত হলেহে Library চলিব। আওপুৰণি কিতাপ সমূহেৰে আজি Library নচলে। সেইকাৰণে এই ক্ষেত্ৰত মই ভাৱো যে তেখেতে যিটো পৰামৰ্শ আগবঢ়াইছে সেইটো খুব ভাল। অত্যাধুনিক তেনেকুৱা ধৰণৰ Library কৰিলে যথেষ্ট ভাল।

এই ক্ষেত্ৰত মই আন এটা কথা ক'ব বিচাৰিছো। বিধায়কসকলেও বিধায়ক পুঁজিত ১ কোটি টকা পায়। প্ৰতিজন বিধায়কে যদি ভাৱে যে আমাৰ সমষ্টিত বিধায়ক পুঁজিৰ পৰা ৫০ লাখ টকাকৈ খৰচ কৰি আমি এটা অত্যাধুনিক Library গঢ়ি তুলিম সেইটো এটা যথেষ্ট ভাল কাম হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এইটো খুবেই ভাল পৰামৰ্শ। মানুন ইমদাদুল হক চৌধুৰী, আপোনাৰ আৰু supplementry আছে যদি কওক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ( নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু বিষয়টো গ্ৰাম্য পুঁথিভৰালৰ লগত জড়িত আছিলে, আমাৰ অসমত ৭৮ টা মহকুমা আছে। ইয়াৰে অধিকাংশ মহকুমা কিন্তু গ্ৰামীন অঞ্চলত আছে। গতিকে আপুনি এইটো গ্ৰাম্য পুঁথিভৰালৰ ভিতৰতে কৰিব পাৰে। যোৱা ৩০-০১-২০১৯ তাৰিখে মই এনেকুৱা এটা প্ৰশ্ন আনিছিলো। চৰকাৰে তাত মোক তথ্য দিলে যে ৭৮ টা মহকুমাৰ ভিতৰত মাত্ৰ ৪২ খনতহে পুঁথিভৰাল আছে আৰু সেইবিলাকৰো অৱস্থা একেবাৰে জৰাজীৰ্ণ। গতিকে প্ৰত্যেকখন জিলা সদৰত যেনেদৰে District Library আছে তেনেদৰে প্ৰতিখন গাওঁত নহলেও, আপোনালোকে যদি প্ৰত্যেকখন মহকুমা সদৰত তেনেকুৱা এটা Library বনাই দিয়ে তেনেহলে পৰিবেশটো অলপ উন্নত হ'ব। চৰকাৰৰ প্ৰতি এইটো মোৰ অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো মই বিভাগক জনাম। কিন্তু পুঁজিৰ ওপৰতে গোটেই কথাটো নিৰ্ভৰ কৰিব। বিধায়ক গৰাকীৰ প্ৰতিটো পৰামৰ্শই যথেষ্ট ভাল। গতিকে মই প্ৰতিজন বিধায়কৰো অনুৰোধ জনাম যাতে আপোনালোকে নিজৰ নিজৰ পুঁজিৰ পৰা ১২৬ টা সমষ্টিত নতুন নতুন পুঁথিভৰাল সংযোজন কৰক।

**মাননীয় অধ্যক্ষ ঃ** মই মোৰ Practical Experience ৰ ফালৰ পৰা কওঁ যে আজিকালি লৰা-ছোৱালী Library লৈ নাযায়। মই নিজে ব্যক্তিগত প্ৰচেষ্টা লৈ এটা Children Library গঢ়িছিলো যিটো এতিয়াও আছে। কিন্তু মই এতিয়া এইটো Computer Training লৈ convert কৰি দিছো কাৰণ লৰা-ছোৱালী পঢ়িবলৈ নাযায়। সেইবুলি মই Library নালাগে

বুলি কোৰা নাই। কিন্তু young generation টোক আমি attract কৰিব পৰা নাই।

Next supplementary Shri Gunindra Nath Das.

**শ্রী গুনীন্দ্র নাথ দাস (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক অৱগত কৰিব খুজিছো যে আমাৰ বৰপেটা সমষ্টিৰ ইয়াত দুটা গ্রাম্য পুঁথিভৰালৰ কথা উল্লেখ কৰিছে। মনোমতী পুঁথিভৰাল আৰু ভাগ্যশ্রী পুঁথিভৰাল। এইবিলাকৰ বাহিৰেও তাত যথেষ্ট পুঁথিভৰাল আছে। সেই বেচৰকাৰী পুঁথিভৰাল বিলাক চৰকাৰীকৰণৰ অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক ক'ব বিচাৰিছো যে যিটো বৰপেটা জিলা পুঁথিভৰাল আছে সেইটোৰ অৱস্থা যথেষ্ট শোচনীয়। সেইটো ভাল কৰাৰ ব্যৱস্থা ল'ব লাগে। লগতে মন্ত্রী মহোদয়ে বিধায়ক পুঁজিৰ পৰা Library ৰ কাৰণে পুঁজি যিটো দিয়াৰ পৰামৰ্শ দিছে, তেনেধৰণেৰে মই এইবাৰ বৰপেটা জিলাৰ কাৰাগাৰত যিসকল শিক্ষিত কয়েদী আছে তেওঁলোকৰ কাৰণে ৫ লাখ টকাৰ এটা পুঁথিভৰালৰ ব্যৱস্থা কৰিছো। এই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক জনালো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্রী মহোদয়।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গুনীন্দ্র নাথ দাস ডাঙৰীয়াই যিটো পৰামৰ্শ দিছে সেইটো ভাল। কিন্তু ব্যক্তিগত পুঁথিভৰাল সমূহ চৰকাৰীকৰণ কৰাত যথেষ্ট অসুবিধা আছে। ব্যক্তিগত যিবিলাক পুঁথিভৰাল আছে সেইবিলাক কোনোবা সংগঠনৰ জৰিয়তে ভালদৰে চলি আছে। কিন্তু এটা কথা ঠিক যে যিবিলাক চৰকাৰী পুঁথিভৰাল আছে সেইবিলাক উন্নত হোৱাটো মই বিচাৰো। লগতে মই গুনীন্দ্র নাথ দাস ডাঙৰীয়াক ধন্যবাদ জনাইছো কাৰাগাৰত তেওঁ পুঁথিভৰাল বনোৱাৰ বাবে ৫ লাখ টকা দিয়াৰ কাৰণে। কাৰাগাৰত পুঁথিভৰালৰ যথেষ্ট প্রয়োজন। মই নিজেও জেলত বহুবাৰ আছিলো। জেলত সাধাৰণতে পুঁথিভৰাল নাথাকে। গুনীন্দ্র নাথ ডাঙৰীয়াৰ পদক্ষেপটো যথেষ্ট প্রশংসনীয়। মই জেলত থাকোতে পঢ়া কিতাপ সমূহৰ ভিতৰত আছিল My Years in an Indian Prison যিখন Mary Taylor য়ে লিখিছিল Naxal Movement ৰ ওপৰত। ইয়াৰ উপৰিও মৈত্রী দেৱীৰ 'ন হণ্যতে' কিতাপখন পঢ়ি মই জেলত থাকোতে বহুবাৰ কান্দি উঠিছিলো। গতিকে জেলত পুঁথিভৰাল দিয়া পদক্ষেপটো যথেষ্ট ভাল হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ড° নোমল মমিন।

**ড° নোমল মমিন (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু কিতাপ পঢ়াৰ প্রৱণতা কমি গৈছে আৰু এতিয়া technology ৰ যুগ, গতিকে E-Library ৰ ওপৰত মন্ত্রী মহোদয়ে ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্রী ডাঙৰীয়া।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ১০-২০ টকাত যিবিলাক কিতাপ লাগে সেইবিলাকেই আমি ভালদৰে যোগান ধৰিব পৰা নাই পুঁজিৰ অভাৱত। Directorate of Library ত যিমান পুঁজি দিব লাগে আমি সিমানখিনি আবণ্টন পৰা নাই। E-Library তো যথেষ্ট ডাঙৰ পদক্ষেপ। এইটো ময়ো মানি লওঁ। কিন্তু ইয়াত দুটা কথা আছে। নতুন generation ৰ কাৰণে এইটো যথেষ্ট ভাল কিন্তু আমাৰ generation য়ে এইটো ব্যৱহাৰ কৰোতে যথেষ্ট অসুবিধা পাব। গতিকে Library টো সাৰ্বজনীন হ'ব লাগে। এজন সাধাৰণ খেতিয়কৰ পৰা ছাত্র-ছাত্রী সকলোৱে ব্যৱহাৰ কৰিব পৰা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেইবাটাও মহকুমা পুঁথিভৰালৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে। তাৰে ভিতৰত অন্যতম এটা হৈছে নাজিৰা মহকুমাৰ যিটো প্ৰাক্তন সাংসদ দ্ৰুপদ বৰগোঁহাই ডাঙৰীয়াই ৰাজ্যসভা পুঁজিৰ পৰা দিছিলে, সেইখিনি সোনকালে কৰিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নাজিৰাৰ Library ৰ কাম সোনকালে হ'বনে সেইটো জানিব বিচাৰিছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাজিৰা মহকুমা পুঁথিভৰালৰ প্ৰস্তাৱটো ৫ বছৰমান ধৰি pending হৈ আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে আমি এইটো বিবেচনা কৰিম। মই আন এটা কথা ক'ব বিচাৰিছো। আমাৰ নামনি অসমত কোনো চাহ, কয়লা বা তৈল উদ্যোগৰ দৰে ডাঙৰ উদ্যোগ নাই, কিন্তু উজনি অসমত Oil আছে, ONGC আছে , কয়লা আদি আছে। তাত Leader of the Opposition য়ে lead লৈ এইকেইটা CSR Fund ৰ জৰিয়তে এটা ধুনীয়া Library গঢ়ি তুলিব পাৰে। চৰকাৰক কিয় ৰৈ থাকিব লাগে, CSI Fund টোৰ পৰা সেইটো দিব লাগে। আমাৰ নলবাৰীতহে নোৱাৰো, বৰপেটাত নোৱাৰো, ধুবুৰীত নোৱাৰো, গোৱালপাৰাত নোৱাৰো। আমাৰ পথাৰত নৰা কেইডালৰ বাহিৰে একো নাই।

**মাননীয় অধ্যক্ষ ঃ-** শ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্যঃ-** মাননীয় অধ্যক্ষ মহোদয়, গুৰুত্বপূৰ্ণ বিষয় এটা সদনত আলোচনা হৈ আছে। আজি কালি পঢ়াৰ অভ্যাস কমি যোৱাৰ কাৰণে, পুথিভড়াল তেনেকে নথকাৰ কাৰণে বহুটো অ সামাজিক কাম কাজত যুৱক-যুৱতী সকল লিপ্ত হোৱা দেখা যায়। চাহ দোকানত আড্ডা মৰা দেখা যায়। গতিকে এই ল'ৰা-ছোৱালীখিনিক যদি আমি গ্ৰাম্য পুথিভড়াল নিৰ্মান কৰি পঢ়াৰ অভ্যাসটো গঢ় দিব পাৰো তেতিয়া সমাজখনে এটা ভাল দিশে গতি কৰিব। মোৰ বাঘবৰ সমষ্টিত এটাও পুথিভড়াল নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে বাঘবৰ সমষ্টিত তিনিটা জ'ন আছে, যদি তিনিটা পুথিভড়াল দিয়াৰ কাৰণে বিবেচনা কৰিব পাৰি, মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ২য় কথাটো হ'ল মন্ত্ৰী মহোদয়ে MLA D Fund ৰ পৰা নিৰ্মান কৰিববলৈ কৈছে। ভাল কথা সেইটো, এইটো আমি কৰিববলৈ ইচ্ছুক। এই MLA D Fund ৰ ক্ষেত্ৰত এটা লিমিট দিয়া আছে, ১০ লাখ। এই লিমিটো কিহৰ কাৰণে? আমাৰ সমষ্টিত এনেকুৱা বহু কাম আছে যিটো অন্য ফাণ্ডৰ পৰা কৰিব পৰা নাযায়। এই MLA D Fund ৰ ক্ষেত্ৰত Upper limit টো থাকিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ-** এইটো এটা বেলেগ issue the is not empowered to give the answer বাঘবৰটো কওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্যঃ-** He can also take-up.

**মাননীয় অধ্যক্ষ ঃ-** It is a general type of thing. I also suport your suggestion. But here not.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য শ্বেৰমান আলি ডাঙৰীয়াই যিটো কথা কৈছে, যে Reading habit টো কমি গৈছে, লাইব্ৰেৰী নোহোৱাৰ কাৰণে। আচলতে Reading habit টো লাইব্ৰেৰী নোহোৱাৰ কাৰণে নকমে। যাৰ Reading habit থাকিবই। আৰু তেওঁ পঢ়িবই যতেই নহওঁক। এতিয়া মই আজিৰ দিনত মন্ত্ৰী, মই নপঢ়িলেও হয়, কিন্তু মই

এজন Regular ছাত্ৰৰ দৰে মই দৈনিক পঢ়োঁ। honestly কৈছো মই। কালি মই ৰাতি ১-৩০ বজাত ঘৰ পাইছো, তথাপি মই ১ ঘন্টা পঢ়িছো। মই Assembly ৰ কিতাপ পঢ়া নাই। মই সদ্‌গুৰু পঢ়িছো। The Inner Engineering বুলি এখন কিতাপ লিখিছে। যিয়ে পঢ়িব পঢ়িয়েই থাকিব। লাইব্ৰেৰী নকৰিলেও কথা নাই। আপুনি বাঘবৰত বিধায়ক হিচাপে তাতে তিনিটা লাইব্ৰেৰী বিচাৰিছে। সেইটো যুক্তিসংগত। গতিকে এতিয়া আমি চৰকাৰে যি ১৯৯ কৰিলো, তাৰ পাছত বন্ধ হৈ থাকিল। এতিয়া এইটো আকৌ fullstop টো গুছাই আকৌ আগৰ দৰে যাব পাৰি নে নোৱাৰি, পুঁজি সাপেক্ষে মই কথাখিনি চাম আৰু নাজিৰাৰ কথাটো মই কৈছো যদিও এইটো হ'ব। চিন্তা নকৰিব। কিন্তু অলপ হলেও আপুনি CSR ৰ Fund ৰ পৰা কৰিব লাগে। এটা ভাল লাইব্ৰেৰী তেতিয়াহে হ'ব। মাননীয় Leader of the Opposition ৰ কথাটো আমি চৰকাৰে গুৰুত্ব দিব, নিদিয়াকে নাথাকে। অকল এইটো নহয় Leader of the Opposition হিচাবে তেওঁক সাংঘাটিক গুৰুত্ব দিব বাকী MLA ক গুৰুত্ব নহব সেইটো নহয়। সকলোতে গুৰুত্ব হ'ব। তেখেতৰটো On process. সেইটো হ'ব।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। Thank you. Question No- 158 চাহাবুদ্দিন আহমেদ চৌধুৰী।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত দাখিল কৰা আছে।

**শ্ৰী চাহাবুদ্দিন আহমেদ চৌধুৰী, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলো অসমৰ টাইটেল মাদ্ৰাছা, ছিনিয়ৰ মাদ্ৰাছা, প্ৰি ছিনিয়ৰ মাদ্ৰাছাত বৰ্তমানলৈকে কিমান সংখ্যক শিক্ষক শিক্ষয়ত্ৰীৰ পদ খালী আছে? কিন্তু Reply আহিছে ৪৮০ টা পদ খালী আছে। গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টিত কিমানখন উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক, মধ্য প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ত কিমান সংখ্যক শিক্ষক-শিক্ষয়ত্ৰীৰ পদ খালী আছে? Reply আহিছে 150 post খালী আছে। এতিয়া যিটো পৰিসংখ্যা দিছে IS office ৰ পৰা মোৰ তাত সন্দেহ হৈছে, ইয়াত যেন সঠিক উত্তৰটো দিয়া নাই। অধ্যক্ষ মহোদয়, প্ৰথমতে মই বক বিচাৰিছো, ১ নং ত যিটো মাদ্ৰাছা দেখুওৱা হৈছে, এইটো মোৰ সমষ্টিৰ মাদ্ৰাছা নহয়। ১ নং ত যিটো Aotatoli High Madrassa দিয়া আছে, এইটো মোৰ সমষ্টিৰ মাদ্ৰাচা নহয়। সেই কাৰণে মোৰ সন্দেহ হৈছে, বিভাগৰ ফালৰ পৰা যি তথ্য দিয়া হৈছে, সেইটো ভুল তথ্য বুলি মোৰ সন্দেহ হৈছে। গতিকে যি তথ্য আহিছে মই তাৰ ওপৰত কব খুজিছো আজি ইমান শিক্ষক-শিক্ষয়ত্ৰীৰ অসুবিধা, কষ্ট কৰি আছে, ইয়াত ৩১ নং স্কুল দেখুৱা হৈছে। তাত মই কেইখন মান স্কুলৰ কথা মন্ত্ৰী মহোদয়ৰ অৱগত কৰিব বিছাৰো যে যেনেকৈ Baisa High School, তাত Sanction post ২৮ টা। তাত man position -15, 14 টা vacant তাৰ পাছত আছে, Hashdoba Anchalik H. School তাত ২২ টা পদৰ ৯ টা পদ খালীহৈ আছে। তাৰ পিছত, খলিচেপেটা হায়াৰ ছেকেণ্ডাৰী, তাত Sanction post -৩৫ টা তাত ১৩ টা পদ খালী হৈ আছে। Tarangapur High School তাত ১৩ টা পদ খালী হৈ আছে। Katarihara Sr. Madrassa যি খন অসমৰ ভিতৰত পুৰণি মাদ্ৰাছা, ১৯২৭ ত স্থাপিত কৰা হৈছিল, ইয়াৰ আগৰবাৰ Session ত মই প্ৰশ্ন আনিছিলো, ইয়াত ১৯ টা শিক্ষক পদৰ ১২ টা খালী হৈ আছে।আৰু বহুত আছে। ইমান বৃহৎ সংখ্যক শিক্ষক-শিক্ষয়ত্ৰী খালী থকা স্কুল সমূহ কেনেকৈ চলে? সেই অঞ্চলৰ পৰা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ কিদৰে নিৰ্ধাৰণ হ'ব? গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো আপোনাৰ জৰিয়তে, এই বৃহৎসংখ্যক Vacant post কিমান দিনৰ ভিতৰত বা কেতিয়া পূৰণ

কৰিব ? সেইখিনি স্পষ্ট হ'ব বিচাৰিছো, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰীঃ**- মাননীয় অধ্যক্ষ মহোদয় তেখেতে পোন প্ৰথমে যি খন Aotatoli High Madrassa যিটো সংখ্যা সঠিক হোৱা নাই বুলি কৈছে, এই সম্পৰ্কে মই বিভাগীয় যি তথ্য দিছে, যিটো মই দাখিল কৰিছিলো, কিন্তু তেখেতে যদি কৈছে, যে এইটো ভুল, তেতিয়াহলে এইটো সম্পৰ্কে মই তদন্ত কৰিম। কোনে ভুল তথ্য দিলে, কিয় দিলে সেইটো মই বিছাৰ কৰি উলিয়াম। ২য়তে তেখেতে যিখিনি কথা শুধিছে অলপ আগতে মই বিভিন্ন উত্তৰত কৈছো। আমাৰ সদনত কেইবাবাৰো এই প্ৰশ্নটো উত্থাপন হৈছে। আমি নিজেও অনুভৱ কৰো, যিবোৰ খালী পদ আছে এই খালী পদবোৰ কিমান সোনকালে আমি এই পদবিলাকত নিযুক্তি দিব পাৰো। কিন্তু এই ক্ষেত্ৰত আমাৰ কিছু অসুবিধাও আছে। মুল অসুবিধাটো হৈছে, তাৰ তলত যদি আপুনি চায় যে আমি মাদ্ৰাছা টেষ্টৰ ফলাফলখিনি ঘোষণা কৰিলো, আৰু ঘোষনা কৰাৰ লগে লগে এটা দুটা নহয় ২৫ টাকৈ writ petition গুৱাহাটী হাইকোৰ্টত ফাইল হ'ল। আপুনি যদি চায়, এই গোটেই প্ৰক্ৰিয়াটোত এই গোচৰখিনি যেতিয়ালৈকে নিষ্পত্তি নহয়, আমি একো সিদ্ধান্ত ল'ব নোৱাৰো। যোৱা বছৰ আপোনালোকে মন কৰিছিলে, প্ৰাথমিক শিক্ষক সকলৰ ৯৫০০ জনৰ পদৰ ঘোষনা কৰি আমি তেখেত সকলৰ পৰা application বিচাৰিছিলো। বিচৰাৰ লগে লগে কোনোৱা এজন কোৰ্টত গুছি গ'ল, এটা বছৰ গোটেই প্ৰক্ৰিয়াটো কোৰ্টত ওলমি থাকিল। পৰৱৰ্তী সময়ত আমি জিকিলো, কোৰ্টে কলে যে চৰকাৰে যিটো পদক্ষেপ ললে সেইটো সঠিক পদক্ষেপ আছিল। আইনগত পদক্ষেপ আছিল। কিন্তু unnecessarily আমাৰ প্ৰক্ৰিয়াটো ১ বছৰ দেৰীহৈ গ'ল। ঠিক এই Tet ৰ ক্ষেত্ৰতো আমাৰ একেই অসুবিধা হৈছে। আমি মাদ্ৰাছা Tet ৰ এটা দুটা নহয় ২৫ টাকৈ Tet ৰ শিক্ষক সকলৰ যি সকলে নাপালে তেখেত সকলে কেছ দিছে. আৰু কেছ টো যেতিয়ালৈকে নিচিগে তেতিয়ালৈকে আপোনালোকেও জানে যে আমি কোনো further প্ৰক্ৰিয়া আৰম্ভ কৰিব নোৱাৰো। এই ক্ষেত্ৰত আমি শিক্ষাবিভাগৰ যি সকল অধিবক্তা আছে তেখেত সকলক কৈছো, এই গোটেই প্ৰক্ৰিয়াটো তৰান্বিত কৰিবৰ বাবে, আৰু এই প্ৰক্ৰিয়াটো যি মুহুৰ্ততে এই সম্পৰ্কে মান্যবৰ উচ্চ আদালতে যি সিদ্ধান্ত লয়, সেই সিদ্ধান্ততেই আমি পৰৱৰ্তী পদক্ষেপখিনি লম। যিটো প্ৰাদেশীকীকৰণৰ কথা কৈছে, যে (ঘ) ত যিটো উত্তৰ দিছো, এই ক্ষেত্ৰত মই আগতে উত্তৰখিনি কলো, যে আমি প্ৰাদেশীকীকৰণ কৰিব লাগে। ভেঞ্চাৰ স্কুল বিলাক Provincialize কৰিবৰ বাবে তেখেত সকলে যিবোৰ তথ্য দিছিলে, দলিল তেখেত সকলে দাখিল কৰিছিল, এটা Scrutiny হৈ আছে আৰু আমাৰ যিটো ৰাজ্যিক পৰীক্ষণ সমিতি স্তৰত এইবোৰ প্ৰক্ৰিয়া আহিছে।Inspector School.s ৰ পৰা আহিলে, DO ৰ পৰা আহিলে। এতিয়া আমাৰ ৰাজ্যিক স্তৰত আছে আৰু খুব কম সময়ৰ ভিতৰতে তেখেতে এটা সময় জানিব বিচাৰিছে হয়টো এমাহ দুমাহৰ ভিতৰতে আমি প্ৰক্ৰিয়াটো সম্পুৰ্ন কৰিব পাৰিম। তেতিয়া হলে আমি প্ৰথম লিষ্টখন জাৰি কৰিব পাৰিম। পৰৱৰ্তী সময়ত মই কৈছোৱেই issue date আৰু effective date ৰ ক্ষেত্ৰত যিটো এটা issue আছিল, এইখিনি issue কৰাৰ পাছত পৰৱৰ্তী সময়ত প্ৰয়োজন হলে amendment আনি হলেও বাকীখিনিক আমি ভেঞ্চাৰ স্কুলক যিখিনি। তেখেত সকলক এই সুবিধা দিয়াৰ আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ**- আপোনাৰ সময় কম।

**শ্ৰীচাহাবুদ্দিন আহমেদ, জলেশ্বৰ ঃ** উত্তৰটো দিব বিচাৰিছে, ইয়াত মাদ্ৰাছা টেটৰ কথাটো অহা নাই। হাইয়াৰ চেকেণ্ডাৰী, হাইস্কুল, এল পি স্কুলৰ এই বিষয়ৰ কথাটোত আহিছিলো। কিন্তু মই টেট পৰীক্ষা, মাদ্ৰাছাৰ কথাটো কোৱা নাছিলো। এইটো next supplimentary ত আনিম বুলি

কৈছিলো। তেখেতে সেইবিলাক টেট পৰীক্ষাৰ অজুহাত দেখুৱাই, হাইয়াৰ চেকেণ্ডাৰী, হাইস্কুল , হাই মাদ্ৰাছাৰ কথাখিনি আওপকীয়াকৈ তেওঁ delay কৰা কাৰণে এটা reply দিয়া বুলি মোৰ অনুমান হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কোনটো কথা জানিব বিচাৰিছে, কৈ দিয়ক সময় এতিয়া আছে।

**শ্ৰীচাহাবুদ্দিন আহমেদ, জলেশ্বৰ ঃ** যিখিনি হাইয়াৰ চেকেণ্ডাৰী, সেইখিনি আৰু তাত টেট শিক্ষকৰ কথা যিটো কৈছে, টেট মাদ্ৰাছা। ২০১৫ চনত কেছ হৈছে। গতিকে ইমান সংখ্যক মাদ্ৰাছাত ৪৮০ টা পদ খালী হৈছে। গতিকে কিমান দিনত, কিমান কম সময়ৰ ভিতৰত কেছখিনি নিস্পত্তি কৰি শিক্ষা ব্যৱস্থাক কেতিয়া পুনৰচালিত কৰা হ'ব, সেইখিনি জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কেতিয়া পূৰণ কৰিব বিচাৰিছে, আপুনি কৈছিল নেকি এইমাত্ৰ।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কলোৱেই। তেখেতে যদি ভালকৈ মন কৰা নাই, তথাপিও আকৌ এবাৰ কৈছো যে, কেতিয়া কেছটো শেষ হ'ব, সেইটো আমি ঠিক নকৰো। সেইটো কোৰ্টে ঠিক কৰে। কোৰ্টে যিদিনাখনে কৰিব তাৰ পিছদিনাখনে আমি সেইটো Implement কৰিবলৈ চেষ্টা কৰিম, যেনেকৈ আমি ৯ হাজাৰ শিক্ষকৰ ক্ষেত্ৰত কৰিছো। আমাৰ ইয়াত কি অসুবিধা আছে, আমাৰ একো অসুবিধা নাই। যিদিনাখনে কোৰ্টে ক'ব যে, এই লিষ্টখন সঠিক, আপোনালোকে এইমতে কৰক, তাৰ পাছদিনাখন আমি প্ৰক্ৰিয়াটো আৰম্ভ কৰি দিম। কিন্তু কোৰ্টে যদি সিদ্ধান্তটো নলয়, তেন্তে আমি নোৱাৰো।

**শ্ৰীদেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫ ফেব্ৰুৱাৰী, বে-চৰকাৰী সদস্য দিনত এটা সংকল্প প্ৰস্তাৱৰ কথা আমি উল্লেখ কৰিছিলো, যিটো আহিছিলে নাগৰিকত্ব সংশোধনী বিধেয়কৰ যাতে এটা প্ৰস্তাৱ ল'ব লাগে আমি, যাতে এইখন গ্ৰহণ নহয়, বাতিল হ'ব লাগে। সেই গতিকে এইটো ২২ তাৰিখে যিহেতু আলোচনা আছে বে-চৰকাৰী, আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলো। যাতে আলোচনা কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আলোচনা হৈ থকা এই প্ৰশ্নটোৰ ওপৰতে point of order টো আছে। মাননীয় মন্ত্ৰী মহোদয় কৈছে যে, কোৰ্ট কেছৰ কাৰণে delay হৈ গ'ল।

**মাননীয় অধ্যক্ষ ঃ** এইটোতো point of order হ'ব নোৱাৰে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** চাৰ, এই উত্তৰৰ লগত relevant আছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰত্যেকটো কথা আমি details আলোচনা কৰিবলৈ স্কপটো নাই।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** চাৰ, relevant আছে।

**মাননীয় অধ্যক্ষ ঃ** Relevant থাকিলেও, শ্ৰী শ্বেৰমান আলি আহমেদ ডাঙৰীয়া, শ্ৰীৰূপজ্যোতি কুৰ্মীও হাত দাঙিছিলে, আপুনিও হাত দাঙিছিলে supplimentary কেইবাজনৰো আছিল। কিন্তু নোৱাৰিলো। গতিকে আপুনি এইটো আৰু সেইটো point of order ত আনিব। Point of order ত কি আছে কওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয় বিষয়টো এই মাদ্ৰাচা বোৰৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যিটো advertise হৈছিল, Arabic ৰ কাৰণে ST Reserve.

**মাননীয় অধ্যক্ষ ঃ** It is not a point of order. You take the opportunity of Zero Hour, so I will be allow. শ্ৰী আব্দুল খালেক।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি তৰা বিহীন প্ৰশ্ন নম্বৰ ৩১৮। আমাৰ বিৰোধী দলপতিৰ এটা প্ৰশ্ন আছিলে যে চৰকাৰে চাওলুং চুকাফাৰ মৈদাম চিনাক্ত কৰিছে নেকি ? চৰকাৰে উত্তৰ দিলে চাওলুং চুকাফাৰ মৈদামটো বিজ্ঞান সন্মত পদ্ধতিৰে চিনাক্তকৰণ হোৱা নাই। তাৰ পিছৰ প্ৰশ্নটো আছিলে চাওলুং চুকাফাৰ মৈদামৰ উন্নতিৰ বাবে বিত্তীয় অনুদান ঘোষণা কৰিছে নেকি ? চৰকাৰে ক'লে বিত্তমন্ত্ৰীয়ে চাওলুং চুকাফাৰ মৈদামৰ উন্নতিৰ বাবে ১ কোটি টকাৰ অনুদান ঘোষণা কৰিছে। ইতিমধ্যে চৰাইদেউ জিলাৰ উপায়ুক্তলৈ এই অনুদান দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমি জানিব খুজিছো, মৈদামটো যদি চিনাক্তকৰণ হোৱা নাই, এই যিটো টকা মোকোলাই দিলে এইখিনি কাম ক'ত কৰা হ'ব ? মই ভাৱো যে, এই বিষয়টো সদনৰ জনাৰ অধিকাৰ আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। তৰা বিহীন প্ৰশ্ন নং ৩১৮।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদৌ অসম প্ৰাথমিক শিক্ষক সন্মিলন, মই আগতেও কৈছিলো, আৰু পুনৰ তেওঁলোকে আন্দোলনৰ কাৰ্য্যসূচী লৈছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো point of order নহয়।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৃষ্টিগোচৰ কৰিব গৈছো।

**মাননীয় অধ্যক্ষ ঃ** দৃষ্টিগোচৰ এনেকৈ নহয়। point of order ত নহয়।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰিব পাৰি চাৰ। এতিয়া ২১ তাৰিখে বিধায়ক ঘেৰাও কাৰ্য্যসূচী লৈছে।

**মাননীয় অধ্যক্ষ ঃ** You give a Zero Hour Notice, I will allow you.

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক এইক্ষেত্ৰত আলোচনা কৰি সিদ্ধান্ত ল'বৰ কাৰণে অনুৰোধ জনাইছো।

**শ্ৰীইমানুৱেল মুছাহাৰী, তামুলপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মৌখিক উত্তৰৰ বাবে এইটো নাহিল, আহি নাপালে ইমান দুৰলৈকে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং টো কিমান আছিল ?

**শ্ৰীইমানুৱেল মুছাহাৰী,তামুলপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন নং আছিলে ১৬৭। গতিকে একেবিধৰ মই প্ৰশ্ন সুধিছিলো। 5 September, 2017. গতিকে উত্তৰটো মই আজিতো পালো। ইয়াত মই ক'ব বিচাৰিছো, আমি যিখন বাক্সাত কলেজ পালো, সেইটো হৈছে Aspiration ৰ District হিচাপে পালো আৰু সেই কলেজখন ইতিমধ্যে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই Digital আধাৰশিলা কৰিলে। 5 September, 2017 ত যিটো মই কৰিছিলো, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিছিল। গতিকে মই বিচাৰিম যে,তামুলপুৰ সমষ্টি হিচাপে দুটা ব্লক আছে, ইয়াত মুঠ ভোটাৰ এইবাৰ ২ লাখতকৈ বেছি হ'ব, এইবাৰ Latest ভোটাৰ লিষ্টত। গতিকে মোৰ ফালৰ পৰা মই অনুৰাধ জনাম মাননীয় মন্ত্ৰী ডাঙৰীয়াই যদি আজি কিবা এটা আশ্বাস দিয়ে, কাৰণ আমাৰ ইতিমধ্যে তামুলপুৰৰ যিজন স্বহীদ হ'ল আৰু তামুলপুৰ হিচাপে কোনো ডিগ্ৰী কলেজ নাই। Developmentআপুনি কওঁক। মই এইটো চেষ্টা কৰিম।

**শ্ৰীইমানুৱেল মুছাহাৰী,তামুলপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ফালৰ পৰা MLA Area Development fund Special Permission লৈ 1 crore infrastucture Development দিয়াৰ কাৰণে প্ৰস্তুত, কিন্তু কলেজখনৰ Atleast Sanction Post যদি দিয়ে, সেইটো মই অনুৰোধ জনালো।

**माननीय अध्यक्ष ঃ** I look into. মই এইখিনিতে কৈ দিলো অলপ আগতে যিটো প্ৰশ্ন সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰীক, আজি আপুনি আছে কাৰণে তেখেতেক অলপ এই কথাটো ক'ব। প্ৰশ্ন নং ৩১৮ টো। এতিয়া শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** माननीय অধ্যক্ষ মহোদয়, আমাৰ সমষ্টিৰ ওপৰত আমি যিটো Members Hours দিছিলো, Members Hours ৰ ৰিপ্লাই এতিয়ালৈকে পোৱা নাই। বহুদিন হৈ গ'ল।

**माननीय অধ্যক্ষ ঃ** I will look into. আৰু এইবাৰৰ ভিতৰত আপোনাক দিয়াম। মই ইতিমধ্যে take up কৰিছো, বিভাগৰ লগত। মই আপোনাক সোনকালে দিয়াম। অলপ এটা গণ্ডগোল হ'ল পঞ্চায়ত নিৰ্বাচনৰ সময়ত বা এনেকুৱা ধৰণৰ সময়ত মানুহখিনি ব্যস্ত হৈ থাকিল। অলপ অসুবিধা হৈছে, নহোৱাও নহয়। কিছুমান বস্তু ফিল্ডৰ পৰা আনিব লাগিব ৰিপোৰ্টি।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** माननीय অধ্যক্ষ মহোদয়, সমস্যা এইটো আছে যে, বিভাগীয় মন্ত্ৰী সকল যেতিয়া সলনি হৈ থাকে, যেতিয়া এটা বিভাগৰ মন্ত্ৰীক গোটেই কথাখিনি আমি কওঁ।

**माननीय অধ্যক্ষ ঃ** এই গোটেই বিষয়টো যিহেতু মই লৈছো,মোৰ দায়িত্ব যে, গোটেই কেইজন বিধায়কে যিখিনি এতিয়ালৈকে কৈছে, তেওঁলোকৰ কথাখিনি formaly জনাটো মোৰ দায়িত্ব I will take care. শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** माननीय অধ্যক্ষ মহোদয়, বিধায়ক ডাঙৰীয়াই এইটো ক'লে যে, আমি শ্বহীদ মনেশ্বৰ বসুমতাৰীৰ পৰিয়ালক যদি দৰমহাৰ বেচিকটো দিব পাৰি, প্ৰত্যেকজন বিধায়কে তেন্তে ভাল হ'ব। মোৰ এটা পৰামৰ্শ।

**माननीय অধ্যক্ষ ঃ** কংগ্ৰেছ বিধায়িনী দলে লৈ লওঁক এটা, তেতিয়া বাকী বিলাকেও লৈ ল'ব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** माननीय অধ্যক্ষ মহোদয়, মোৰ তৰাচিহ্নিত যুক্ত প্ৰশ্ন নং আছিলে ১৬৫। মালেগড় টিলা। তাতে ১৮৫৭ ৰ চিপাহী বিদ্ৰোহৰ সময়ত, প্ৰথম স্বাধীনতা আন্দোলনৰ সময়ত ১৮ জন ভাৰতীয় সৈনিক শ্বহীদ হৈছিল। কিন্তু এইটো স্থানত যেনেকৈ গুৰুত্ব দিব লাগিছিল, তেনেকৈ গুৰুত্ব পোৱা নাই।

**माननीय অধ্যক্ষ ঃ** তৰাচিহ্নিত প্ৰশ্ন নং ১৬৫, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ। মই লিখি লৈছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** माननीय অধ্যক্ষ মহোদয়, পুৰাতত্ব বিভাগ গৈ ভাল যাতে এটা tourist spot বনাব পাৰি। তাৰ কাৰণে যাতে চৰকাৰে ব্যৱস্থা লয়।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** माननीय অধ্যক্ষ মহোদয়, মোৰ আজি এটা চৰাচিহ্নিত প্ৰশ্ন আছিলে ১৬২। প্ৰশ্নটোত মই সুধিছিলো a,b,c,d কে চাৰিটা আছিল প্ৰশ্ন। প্ৰথম 'a' ত আছিলে Is it to that minimum wage of tea garden labours is fixed by CCPA, of the Government and Labour Union? প্ৰশ্নটোত যেতিয়া মই, ইয়াত প্ৰশ্নটোৱে অলপ প্ৰিংটিংত ভূল আহিছে।

**माननीय অধ্যক্ষ ঃ** মই নিজেই দেখিছো। CCPA of the হ'ব নোৱাৰে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** ক'মা Government and Labour Union হ'ব লাগিছিল।

**माननीय অধ্যক্ষ ঃ** of টো থাকিব নালাগিছিল।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** উত্তৰটো যিটো চৰকাৰৰ ফালৰ পৰা পালো, ইয়াত উত্তৰটোতো অলপ ভূল দিছে। ভূলটো মই কৈ দিব বিচাৰিছো যে, ২০১৫ চনলৈকে CCPA আৰু Labour Union চাহ বাগিচা শ্ৰমিকৰ wage টো নিৰ্ধাৰণ কৰিছিলে। কিন্তু পূৰ্বৰ যেতিয়া माननीय শ্ৰী তৰুণ

গগৈ ডাঙৰীয়াৰ চৰকাৰ থাকোতে ২০১৫ ৰ শেষৰ ফালে চৰকাৰেও হস্তক্ষেপ কৰিছিল। অৰ্থাৎ ত্ৰিপাক্ষিক বৈঠক হৈ ইয়াৰ সিদ্ধান্ত লোৱা হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি ক'ব খুজিছে ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো এইটোৱেই যে, ১-১-২০১৮ পৰা চাহ বাগিচাৰ শ্ৰমিকৰ দৰমহাটো বৃদ্ধি হ'ব লাগিছিল। মই আপোনাক এটা অনুৰোধ জনাও, Speaker's Inititive ত আপুনিও চাহ বাগিচা শ্ৰমিকৰ কথা বিষয়টো আনিছিল আৰু ইয়াত এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। ইয়াত উল্লেখ কৰি দিছে যে, ১-৩-২০১৮ ৰ পৰাহে দৰমহা বৃদ্ধি হ'ব । তাৰ তিনিমাহ আগৰ টকাৰ কথাটো উল্লেখ নকৰিলে।

**মাননীয় অধ্যক্ষ ঃ** মই চাম এইটো কথা। আপুনি মোক যোগাযোগ কৰিব। I will take care.

**শ্ৰী আব্দুল ৰছিদ মণ্ডল,  ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ শ্ৰী মহেশ্বৰ বড়ো ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ পাছত মোৰ এটা supplementary ত মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে কৈছিল Provincialisation Act amanment ৰ প্ৰয়োজনীয়তা যিটো স্বীকাৰ কৰিছিল, সেইখিনিতে মই ক'ব বিচাৰিচো যে, Right to Education আৰু Act Provincialisation Act দুটা অলপ কৰবাত contradict হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াক অলপ দেখা কৰক। এইবিলাক কথা খুব জৰুৰী। এনেকৈ কোৱাতকৈ মন্ত্ৰী ডাঙৰীয়াক, মই অনুৰোধ কৰিম।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰ এৰিয়া বা এনেকুৱা riverine area in accessible area.

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, Please, you cannot explain now. He is also sympathatic, Minister so, please meet him.আৰু কাৰোবাৰ আছে নেকি ? শ্ৰী চাহাবুদ্দিন কওঁক।

**শ্ৰীচাহাবুদ্দিন আহমেদ, জলেশ্বৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাবিহীন প্ৰশ্ন নং ৩০৫ জলসম্পদৰ ওপৰত আছিল, মাথাউৰিৰ । এইটো ২০১৫ চনতে মোৰ সমষ্টিত কাম ইয়াত যিটো ৰিপৰ্টি দিছে ৫৪%. ইয়াত মানে যিখিনি টকা পাব লাগিছিল ঠিকাদাৰ সকলে বা যিখিনি মাটি land doner সকলে land donation দিলে সেই কৃষক সকলে আজিলৈকে সেই land ৰ মাটিৰ টকা পোৱা নাই, ক্ষতিপূৰণ পোৱা নাই। ইয়াত যিটো তেওঁলোকে কথাতো কৈছে চৰকাৰৰ ফালৰ পৰা যে কেন্দ্ৰীয় অংশৰ পুঁজি পোৱা-নোপোৱা। এতিয়া কিমান দিনে, আজি ২০১৫ চনৰ স্কীম ২০১৯ চন চলি আছে। এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ পুঁজি নহাৰ কাৰণ কি বা চৰকাৰে ইফালে কেন্দ্ৰীয় পুঁজি অহা নাই কিবা যোগাযোগ কৰিছে নেকি ? এইখিনিয়ে মোৰ কথা

**শ্ৰীগণেশ লিম্বু ঃ** অধ্যক্ষ মহোদয়, মোৰ  ষ্টাৰ কোৱেশ্যন প্ৰশ্ন নং-১৭১ৰ ক্ষেত্ৰত এটা কথা জানিব বিচাৰিছো। ১৯৯৫ পৰা ২০০১লৈকে শিক্ষকসকলৰ যি নিযুক্তি হৈছিল নেপালী ভাষাৰ  শিক্ষক হিচাপে, তেওলোকে নেপালী ভাষাত  শিক্ষা প্ৰদান কৰি থকা নাই বুলি মই জ্ঞাত হৈছো। সেই কাৰণে মই প্ৰশ্নটো কৰিছিলো কিন্তু সেই বিষয়ে মই উত্তৰ দিয়া দেখা নাই। (ঘ) নম্বৰত আছে অসমীয়া মাধ্যমত পঢ়িলেও H.S.L.C ত অসমীয়া মাতৃভাষা নাথাকিলে অসমীয়া মাধ্যমত সহকাৰী শিক্ষক হিচাপে নিযুক্তি পোৱাত কিবা কাৰিকৰী বাধা আছে নেকি ? এই বিষয়টোৰ উত্তৰত মই সন্তুষ্ট হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে আপোনাৰ উত্তৰটো মইও চাম, আপুনি মিনিষ্টাৰ ডাঙৰীয়াক লগ

কৰি তেখেতৰ পৰা জানি লওক। এতিয়া কিশোৰ নাথ।

**শ্ৰীকিশোৰ নাথ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আনষ্টাৰড কোৱেশ্যন নং-২৮০- এই কোৱেশ্যন আগতেও মই আনিছিলো। যোৱাবাৰো আছিল- নন্দীগ্ৰাম ডাইক যিটো আছে তাত ২ কোটি টকা দিয়া হৈছে। এতিয়ালৈকে Administrative Approval দিয়া নাই। এষ্টিমেট বনোৱা হৈছিলে ৮ কোটি টকা। কিন্তু দিয়া হ'ল ২ কোটি টকা। বাৰিষা Season আহি আছে ,তাৰ পিছত আকৌ Same Problem টো আহিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি জল সম্পদ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী ডাঙৰীয়াৰ এই বিষয়ে লগ কৰক। Financial Limitation কেতিয়াবা থাকে ।

**শ্ৰীকিশোৰ নাথ ঃ** আৰু এটা অধ্যক্ষ মহোদয়, Anti Erosion of Borak River-Mathuramukh to Machimpur এইটোও একেই হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাৰ দুখটো বুজি পাইছো। এই কথাবিলাক Point of Order ত আলোচনা কৰিব নোৱাৰো। কিন্তু এবাৰ আপুনি মন্ত্ৰী ডাঙৰীয়াক লগ কৰক। তাৰ পিছত মোক জনাবছোন।

**শ্ৰীআমিনুল ইছলামঃ** মোৰ আনষ্টাৰড কোৱেশ্যন নং- ২৮৯- আমাৰ অসমত কোৰ্টসমূহত কিমান গোচৰ পেণ্ডিং হৈ আছে। তাৰে কিমান এতিয়া লৈ মীমাংসা কৰা হ'ল জানিবলৈ বিচাৰিছিলো। ইয়াত মাত্ৰ ৫ বছৰৰ ডাটা দিছে। আগৰো বহু কেচ বিচাৰাধীন হৈ আছে কিন্তু ইয়াত দিয়া নাই। কথাটো হ'ল যোৱা ৫ বছৰে মোৰ ১৪,৭১,৪৬৭ টা কেচ ৰেজিষ্টাৰ হৈছে। তাৰ ভিতৰত ১২,২৪,৫৬২ টা নিস্পত্তি দেখাইছে আৰু এতিয়ালৈকে অমীমাংসিত দেখুৱাইছে১৪,১০,১০০ - এতিয়া নিষ্পত্তি হোৱা কেচৰ সংখ্যা আৰু বাকী থকা কেচৰ সংখ্যা যোগ কৰিলে মুঠ ৰেজিষ্টাৰ হোৱা কেচতকৈ বহু বেছি হয়। মই ক'ব বিচাৰিছো যে সংখ্যাবিলাক খুৱ অসৰ্তকভাৱে দিয়া হয় মই প্ৰায়ে লক্ষ্য কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, বিষয়টো মিনিষ্টাৰ ডাঙৰীয়াই চাব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া- আমাৰ কোৱেশ্যন নং-১৬৫ যিটো - কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই আনিছে , সেইটো প্ৰয়োজনীয় কাৰণে কও কাৰণ এইটো ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগত জড়িত। ভাৰতৰ ২০০ গৰাকী সৈনিকে ইংৰাজৰ বিৰুদ্ধে যুঁজ কৰিছিল । আমি বহুতে এই ফেক্টটো নাজানো। ইয়াৰে তথ্যমতে চিটাগঙৰ নেটিভ ইনেফেন্ট্ৰিৰ ৩ টা কোম্পানীৰ ২০০ জন সৈনিকে বৃটিছ্ৰ জিলা অধিকাৰীৰ কাৰ্য্যালয় নষ্ট কৰে , কাৰাগাৰ ভাঙি আমাৰ স্বাধীনতা সংগ্ৰামীসকলক উলিয়াই লৈ যায়। তাৰ পিছত তেওলোকে মনিপুৰৰ ফালে আগবাঢ়ে । তাৰ পিছত বৃটিছ্ৰ লাইট ইনফ্ৰেন্টিৰ কমাডেন্টৰ নেতৃত্বত ১৬০ জনীয়া সৈনিকৰ দল লাটুৰ হৈ আগবাঢ়ে মনিপুৰৰ ফালে। তাতে মালেগঢ়ত এটা ডাঙৰ সংঘৰ্ষ হয়। তাতে নেটিভ ইনফ্ৰেন্টিৰ ২৬ জন সৈনিক নিহত হয় আৰু লাইট নিফ্ৰেন্টিৰ বেজৰ বিংসহ ৫ জন সৈনিক নিহত হয়। গতিকে উক্ত ২৬ জন সৈনিকক তাতে সমাধিস্থ কৰা হয়। তেখেতে যিটো কথা উত্থাপন কৰিছে এই ভাল কথা হৈছে আৰু পৰ্য্যটনস্থলীৰ যিটো কথা তেখেতে কৈছে, চৰকাৰে ইতিমধ্যে পৰ্য্যটনৰ বাবে এইবাৰ বাজেটত ৫০ লাখ টকা ধৰিছে। তাৰ ওপৰিও Preservation ৰ ব্যৱস্থা কৰা হৈছে। এইটো এটা ডাঙৰ History গতিকে চৰকাৰে নিশ্চয় ব্যৱস্থা ল'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, তৎপৰতা আৰু Positive Mentality ৰ বাবে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মোৰ এটা ৰিকুৱেষ্ট থাকিল অধ্যক্ষ মহোদয়। এই বস্তুখিনি কিতাপত যেনেকৈ থাকিব লাগে NCRT Norms যেনেকৈ থাকিব লাগে তেনেকৈ থাকিলে

ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মই ভাবো যে ভাল কথাই কৈ আছে। এনেকুৱা বহু কথা আছে যিটো হয়তো আমি বহুতেই নাজানো কিন্তু জনাটো উচিত। চৰকাৰে বিষয়টো গুৰুত্বসহকাৰে ল'ব। এনেকুৱা কথাত আপুনি চৰকাৰলৈ চিঠিও দিব পাৰে। এতিয়া হাফিজ বছিৰ আহমেদ ৰাটাৰ ৰিচ'ৰ্চৰ কাট মোশ্যনত ক'বলগীয়া আছিল।

**শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত দুআষাৰ কথা ক'বলৈ সুবিধা দিয়া বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। জলসম্পদক আমি সঠিকভাৱে ব্যৱহাৰ কৰিব নোৱাৰা বাবে আজি জল বিপদত পৰিণত হৈছে। এই বিষয়টো অসমৰ কাৰণে ইমান গুৰুত্বপূৰ্ণ হৈছে- কাৰণ এই বিষয়টোৰ লগত লাখ লাখ মানুহৰ জীবন- সা-সম্পত্তি জড়িত হৈ আছে। আমি দেখিছো২০১৮-১৯ বিত্তীয়বৰ্ষত ৮২৪ কোটি টকা বাজেট ধাৰ্য্য কৰা হৈছে। এইবাৰ যদি আমি দেখো বাজেটত-১০৬৬ কোটি টকা ধাৰ্য্য কৰা হৈছে। জলসম্পদ বিভাগৰ অধীনত যিবিলাক কাম বিশেষকৈ গড়াখহনীয়া প্ৰতিৰোধ আৰু বানপানীত যিবিলাক ডেভল'পমেন্টৰ কাম ক্ষতিগ্ৰস্ত হয় সেইখিনি কৰাৰ বাবে যি বৃহৎ পুঁজিৰ প্ৰয়োজন হয় সেই হিচাপে এই পুঁজিখিনি অত্যন্ত কম বুলি আমি ভাবো । তদুপৰি যিখিনি পুঁজি আবন্টণ দিয়া হয় সেইখিনিও সম্পূৰ্ণৰূপে ব্যৱহাৰ নহয় এই সম্পৰ্কে মই অলপ পিছত ক'ম। অসম এখন বানপানীপ্ৰৱণ ৰাজ্য। ইয়াৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীয়ে যিধৰণৰ বানপানী আৰু গড়াখহনীয়াৰ দ্বাৰা যিধৰণৰ তাণ্ডৱ সৃষ্টি কৰে। এইটো আমাৰ অসমৰ কাৰণে অত্যন্ত দুৰ্ভাগ্যজনক। সভাপতি মহোদয়, অসম এখন বানপানী কৱলৰ প্ৰদেশ বা ৰাজ্য। এই প্ৰদেশ খনৰ ব্ৰহ্মপুত্ৰ আৰু বৰাকভেলিৰ, ইফালে ব্ৰহ্মপুত্ৰ আৰু আনফালে বৰাকভেলি। দুখন নৈ আৰু ইয়াৰ যি Tributaries ৰ উপনৈ সমূহ আছে সেই উপনৈ সমূহে যি ধৰণৰ বানপানী আৰু গড়াখহনীয়াই এটা তাণ্ডাৱ সৃষ্টি কৰে সেই সম্পৰ্কে আমাৰ অসমৰ কাৰণে এইটো এটা অত্যান্ত দুখজনক ঘটনা। অসমৰ সম্পূৰ্ণ ভৌগলিক সীমাৰেখা হ'ল ৭৮৪৩৮ বৰ্গ কি. মিটাৰ। ইয়াৰ ব্ৰহ্মপুত্ৰভেলিত পৰে ৫৬১৯৪ বৰ্গ কি. মিটাৰ আৰু বৰাকভেলিত ৬৯২২ বৰ্গ কি. মিটাৰ আৰু দুখন পাহাৰীয়া জিলাই Cover কৰে ১৫৩২২ বৰ্গ কি. মিটাৰ। এই ব্ৰহ্মপুত্ৰ আৰু বৰাকভেলিত য'ত Coastal area আছে ইয়াৰ দ্বাৰা যি প্ৰভাম্বিত হয় যিবোৰ অঞ্চল, আমি যদি চাও সেই অঞ্চল বোৰৰ ভিতৰত, অৰ্থাৎ আমাৰ ভাৰতবৰ্ষৰ বাহিৰত ব্ৰহ্মপুত্ৰ উৎসৰ পৰা বৰ্তমানৰ চাইনা আগতে তীৰ্বত এৰিয়া আছিল, ২৯৩০০০ বৰ্গ কি. মিটাৰ তাত Coastal area ত পৰে আৰু ভাৰত আৰু ভুটানৰ ২৪০০০০ বৰ্গ কি. মিটাৰ ইয়াৰ Coastal area ত পৰে আৰু বাংলাদেশৰ ৪৭০০০ বৰ্গ কি. মিটাৰ এই ব্ৰহ্মপুত্ৰ নৈৰ Coastal area ত পৰে। ঠিক তদৰূপ বৰাকভেলিত বৰাক নৈ আৰু ইয়াৰ উপনৈ সমূহ যে আছে তাত ৪১১৫৭ বৰ্গ কি. মিটাৰ আৰু এই বৰাকভেলি অঞ্চলটো geo-graphically মণিপুৰ, মিজোৰাম, মেঘালয়, নাগালেণ্ড, অসম Tibet ৰ পৰা বিস্তৃত অঞ্চল হয়। এই অঞ্চল বিলাকৰ বৰাকভেলিত যি বোৰ উপনৈ সমূহ আছে এই উপনৈ সমূহক অৰ্থাৎ বৰাকভেলিত অতিৰিক্ত পানী তদুপৰি যি বৰষুণৰ পানীৰ কাৰণেও এই অঞ্চলবোৰ যথেষ্ট ক্ষতিৰ সন্মূখীন হব লগীয়া হয়। বৰাকত Tibet ৰ যিকেইখন আছে তাৰ ভিতৰত কাটাশাল, জিৰি, চিৰি, মধুৰা, বঙাই, চোনাই, লক্ষ্মী আৰু চিংলা নৈ উল্লেখযোগ্য। মাননীয় সভাপতি মহোদয়, National Flood Commissioner ৰ Ministry of India ৰ এটা estimate তেওঁলোকে কৰিছিল যে অসমৰ Venerable to flood, flood ৰ ক্ষেত্ৰত অৰ্থাৎ Venerable area বুলি তেওঁলোকে অসমৰ মুঠ ৩৩৫ অৰ্থাৎ সমস্ত ভাৰতৰ যি ভুমি আছে তাৰে ৩১ পইন্ট ৬০ লাখ হেক্টৰ মাটি cover

কৰে। যিটোনেকি সমগ্ৰ ভাৰতবৰ্ষৰ ৯.৪ শতাংশ Total flood prone area বুলি কোৱা হৈছে ইয়াত। About 40% area, প্ৰায় ৪০ শতাংশ এৰিয়া অসমৰ যি আছে সেই Floodৰ আওতাত বা Floodৰ দ্বাৰা ক্ষতিগ্ৰস্থ হয়। সভপতি মহাশয়, আৰু যদি আমি চাও অসমৰ জিলা ভিত্তিত যি Flood prone area যিবোৰ প্ৰায় ধাৰাবাহিকভাৱে প্ৰত্যেক বছৰে বানপানীৰ কৱলত পৰে। তাৰে ৪০ ৰ পৰা ৫০ শতাংশৰ এৰিয়া জিলা হ'ল ধেমাজী, যোৰহাট, নলবাৰী, নগাওঁ আৰু শিৱসাগৰ আৰু ৫০ ৰ পৰা ৬০ শতাংশৰ এৰিয়া যি বানপানীৰ কৱলত পৰে সেই হ'ল লক্ষীমপুৰ আৰু ৬০ ৰ পৰা ৭০ শতাংশৰ এৰিয়া হ'ল বৰপেটা, ৭০ ৰ পৰা ৮০ শতাংশৰ এৰিয়া হ'ল দৰং, মৰিগাওঁ, গোৱালপাৰ ধুবুৰী ও আছে। আমাৰ ৰাজ্যখনে বানপানীৰ কাৰণে অনুমান এতিয়ালৈ ৪.২৭ লাখ হেক্টৰ মাটি হেৰুৱাব লগীয়া হৈছে। যিটোনেকি গোটেই ভাৰতবৰ্ষৰ মাটিৰ অৰ্থাৎ ৰাজ্যৰ মাটিৰ ৭.৪ শতাংশ হয়। Because of erosion of Brahmaputra, বহ্মপুত্ৰৰ গড়াখহনীয়াৰ কাৰণে আৰু ইয়াৰ Tributaries বিলাকৰ erosion ৰ কাৰণে এইটো হৈছে। সভাপতি মহোদয়, ইয়াৰ মূল কাৰণ বিশেষকৈ ব্ৰহ্মপুত্ৰত ইয়াৰ যি Cannel changing হয় প্ৰত্যেক বছৰে বানপানী অহাৰ পিছত ইয়াৰ যি direction বিভিন্ন ধৰণৰ উপনৈ সমূহ এঠাইৰ পৰা আন এঠাইলৈ পৰিবৰ্ত্তীত হয়। ইয়াৰ কাৰণে বেছি ক্ষতিগ্ৰস্ত হ'বলগীয়া হয় মানুহবোৰ। যাৰ কাৰণে আজি চৰ অঞ্চলত বিশেষকৈ ইয়াত চৰ বুলি কলে মাজুলীৰ পৰা ধুবুৰীলৈকে এই চৰ অঞ্চলৰ যিবোৰ মানুহ আছে সেই মানুহবোৰ অৰ্থাৎ সমূলি সৰ্বস্ব হেৰু ৱাব লগীয়া হয়। বানপানী আহিলে বানপানী পিছত কমি যায় মানুহ সকলে তাত থিতাপি লব পাৰে পৰৱৰ্তী পৰ্যায়ত কিন্তু গড়াখহনীয়াৰ কৱলত পৰা যি সকল মানুহ আছে সেই মানুহ সকলে কিন্তু সৰ্ব্বশ্ব হেৰুৱাব লগীয়া হয়। তেওঁলোকৰ হাতত কোনো বিকল্প ব্যৱস্থাও নাথাকে। তদুপৰি তেওঁলোকে আজি অসমৰ বিদেশী সমস্যাৰ কথাই কওক, সন্দেহযুক্ত নাগৰীকৰ কথা যি ওলাইছে ইয়াৰ মূল কাৰণ যিবোৰ আছে সেই মূল কাৰণবোৰৰ ভিতৰত এটা কাৰণ হ'ল এই গড়াখহনীয়া। গড়াখহনীয়া হোৱাৰ পিছত মানুহ সকল এঠাইৰ পৰা আন এঠাইত স্থানন্তৰীত হয়, যিবিলাক নেকি Internally displaced persons, আভ্যন্তৰিণভাৱে উদ্বাস্ত হোৱা যিসকল ব্যক্তি আছে তেওঁলোকে বেলেগ ঠাইত অৰ্থাৎ তেওঁলোকৰ নতুন যি চৰ, নদীৰ গতি সলনি হোৱাৰ কাৰণে তাত যেতিয়া তেওঁলোকে বসতি স্থাপন কৰে এই geographically condition সম্পৰ্কে যি সকলৰ অভিজ্ঞতা নাই আগত তেওঁলোকে এই সম্পৰ্কত অৱগত নহয়, তেওঁলোকে চোৱাৰ পিছত হয়তো ভাৱে যে এই সকল মানুহ, ইয়াত চোন এদাল কলগছো নাই, ইয়াত কোনো গছ-গছনিও নাই গতিকে নতুকৈ মানুহ ইয়াত বাহিৰৰ পৰা আহি বসতি স্থাপন কৰিছে, সেই হিচাপে তেওঁলোকে সন্দেহৰ আৱৰ্তত পৰে। এই কাৰণে এইখন বিধান সভাতে আগতে বিগত সময়ত কেবাবাৰো Internally displaced persons ৰ Certificate দিয়াৰ কথা কোৱা হৈছিল। কিন্তু, আজিলৈকে দিয়া হোৱা নাই। যাৰ কাৰণে পুৰণা তেওঁলোকক Re-settlement কৰোতেও বহুত অসুবিধাৰ সন্মুখীন হ'ব লগীয়া হয়। চৰকাৰী বিভিন্ন সুযোগ-সুবিধা লোৱাৰ ক্ষেত্ৰতো তেওঁলোকে হিতাধিকাৰী হিচাপে নিজৰ মাটি নথকাৰ কাৰণে তেওঁলোৰে IAY ৰ ঘৰো নাপায়, বিভিন্ন ধৰণৰ চৰকাৰী সুযোগ সুবিধাৰ পৰা তেওঁলোকে বঞ্চিত হ'ব লগীয়া হয়। আজি অসমৰ জলসম্পদ বিভাগে এটা প্ৰত্যেক বছৰে গঢ়ে ৮০০ হেক্টৰ মাটি গড়াখহনীয়াৰ কৱলত পৰে আৰু গড়াখহনীয়াই এতিয়ালৈকে ২৫০০ খন গাওঁ, য'ত ৫ লাখতকৈ অধিক মানুহ Affected হৈছে। জলসম্পদ বিভাগৰ চৰকাৰী ৰিপোৰ্ট মতে গড়াখহনীয়াৰ কৱলত প্ৰায় ২৫০০ খন গাওঁৰ ৫ লাখ মান মানুহ আজিলৈকে স্থানান্তৰ হৈছে, ক্ষতিগ্ৰস্থ হৈছে। The Revenue Department to the Government of

Assam has been reported during the 2001-16, অৰ্থাৎ এতিয়ালৈকে ১১৯২০৩ টা household, অৰ্থাৎ যিবোৰ ২৮৩৯ খন গাওঁত আছিল তেওঁলোকে তাৰে ৪৮২৭ হেক্টৰ মাটি এই নদীৰ গড়াখহনীয়াৰ কাৰণে হেৰুৱাব লগীয়া হৈছে। ইয়াত আমি আৰু কিছুমান কথা অৰ্থাৎ যদি বানপানী আহে তেতিয়া তেওঁলোকৰ alternative, অৰ্থাৎ তেওঁলোক possibility, তেওঁলোকৰ alternative way বা তেওঁলোকে ব্যৱস্থাপনাৰ ব্যৱস্থা কৰিব পাৰে পৰৱৰ্তী পৰ্য্যায়ত। কিন্তু, গড়াখহনীয়া হোৱা মানুহ সকলে তেওঁলোকে তেওঁলোকৰ land resource হেৰুৱাৰ কাৰণে তেওঁলোকে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মূখীন হ'ব লগীয়া হয় আৰু চৰকাৰেও তেওঁলোকক Re-settlement কৰাৰ ক্ষেত্ৰত বহু ধৰণৰ challengeৰ সন্মূখীন হ'ব লগীয়া হয়। এই ক্ষেত্ৰত মই ইতিমধ্যে উল্লেখ কৰিছো চৰকাৰে তেওঁলোকক IDP (internally displaced persons) certificate দিয়াৰ ব্যৱস্থা কৰিব, কৰিলে এই সমস্যাটোৰ সমধান হ'ব। সভাপতি মহাশয়, আজি জলসম্পদ বিভাগে অসমৰ যি আটাইতকৈ যিখিনি venerable point আছে, যিবোৰ গড়াখহনীয়াৰ কাৰণে অত্যান্ত ভয়াংকৰ অৱস্থাত আছে তাৰভিতৰত আছে ৰহমৰীয়া ডিব্ৰুগড় জিলা, পলাশবাৰী কামৰূপ জিলা, মাঠমৰা লক্ষীমপুৰ জিলা, মুকলমুৱা নলবাৰী জিলা, মাজুলী আইলেণ্ড, সাউড শালমাৰা, কাৰেং চাপৰি, মইৰাবাৰী, লাহৰীঘাট, বুঢ়াগাওঁ, বহৰী, বাঘবৰ, জলেশ্বৰ আৰু ধুবুৰী। ইয়াৰ দ্বাৰা বানপানী অহাৰ পিছত আৰু গড়াখহনীয়াই এই ক্ষেত্ৰত আমাৰ Agrigrain যিবোৰ চেক্টৰ আছে, সেই চেক্টৰ বোৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। আজি আমি যদি চাওঁ যি সমস্যা, যি ধৰণে প্ৰায় ৪০ শতাংশ এৰিয়া আজি গড়াখহনীয়া আৰু বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হয়, তাৰ পৰা ৰক্ষা হোৱাৰ যিখিনি টকা ধাৰ্য্য কৰা হৈছে, সেইখিনি আমি ভাবো অত্যন্ত কম আৰু ইয়াৰ পৰিমাণ বঢ়াই দিয়াৰ কাৰণে চৰকাৰক আমাৰ মতামত ব্যক্ত কৰিছো আৰু এটা দুখজনক কথা, যিখিনি টকা দিয়া হয় ইমান স্পৰ্শকাতৰ এটা বিষয় য'ত নেকি মানুহৰ জীৱন মৰণৰ সমস্যা, সেই ক্ষেত্ৰত চৰকাৰে কম পৰিমাণৰ পইচা হ'লেও খৰচ কৰিব পৰা নাই, CAG ৰ Report ত কোৱা হৈছে, যে Grant No. 63, Orginal Budget ত যিটো ২০১৬-১৭ ত এইখন চৰকাৰ আছিল সেই সময়ত প্ৰথম চৰকাৰ প্ৰথম বছৰ আছিল। তাৰ পিছত Statement বিলাক ওলোৱা নাই। ইয়াৰ তথ্য ভিত্তিত ২০১৬-১৭ ৰ Financial year ত এই বিভাগে তেওঁলোকৰ যিখিনি Activities বা Performences খিনি মই সদনত তুলি ধৰিব বিচাৰিছো। Originally চাৰ, ইয়াত ২৯৮ কোটি ৫০ লাখ টকা দিয়া হৈছিল। Supplementary তাৰ পিছত লোৱা হৈছিল, ১৯ কোটি ৫৭ লাখ ৯৫ হাজাৰ টকা। কিন্তু এই গোটেইখিনি টকাৰ ভিতৰত Revenue আৰু Capital ৰ আছিল ১হাজাৰ ৭শ ৬১ কোটি ৩৬ লাখ টকা আৰু Supplementary Budget ৰ ওপৰত দিয়া হৈছিল, ২শ ৪১ কোটি ৪১ লাখ ৫৫ হাজাৰ টকা এইখিনি টকাত Revenue Sector ত দেখা যায়, Revenue যি হেড আছে তাত আমি চাওঁ মুঠ ৩শ ১৮ কোটি ৮ লাখ টকা ভিতৰত খৰচ কৰিব পাৰিছে আপোনালোকে ২শ ৪৯ কোটি ৫৪ লাখ আৰু Save হৈছে ৬৮ কোটি ৫৩ লাখ। আৰু Capital Head ত যদি চাওঁ ১৫ কোটি ৩০ লাখ ১৫,৩০,৩,০৪৭ অৰ্থাৎ ইয়াতো চৰকাৰে প্ৰায় আধা টকাওঁ খৰচ কৰিব পৰা নাই। এই ক্ষেত্ৰত জলসম্পদ বিভাগৰ ওপৰত CAG ৰ এটা Comment দিছে, Grant in the revenue section close with the saving of 68 crors 53 lakh 80 thousand, no part of the saving was surrendered during the year. In view of the final saving 68 crorers 53 lakhs 80 thousand, the supplementary provision was 19

crores 57 lakhs 95 thousand obtaining February, 2017 proved injudicious. অর্থাৎ আগৰ যিখিনি মূল বাজেটত টকা দিয়া হৈছিল তাৰে ৬৮ কোটি টকা তেওঁলোকে খৰচ কৰিব পৰা নাই তাৰ পিছত supplementary ত আৰু ১৫ কোটি টকা তেওঁলোকে লৈছে। সেই টকাখিনি তেওঁলোকে খৰচ কৰিব পৰা নাই, এইটো ন্যায় সংগত হোৱা নাই, তদুপৰি Capital Head ত যদি আমি চাওঁ originally তেওঁলোকক ১হাজাৰ ৭শ ৬১ কোটি টকা দিয়া হৈছিল, আৰু supplementary ত ২ হাজাৰ ২শ ৪১ কোটি ৪১ লাখ টকা, মুঠ ২ হাজাৰ ২ কোটি ৭৮ লাখ টকা তেওঁলোকক অনুমোদন দিয়া হৈছিল, দুয়োটা মিলাই এই ক্ষেত্ৰটো তেওঁলোকে মাত্ৰ ২০ কোটিৰ ভিতৰত ৪ কোটি টকাহে Head ত খৰচ কৰিব পাৰিছে আৰু বাকী ১৫ কোটি টকা তেওঁলোকে খৰচ কৰিব পৰা নাই। ইয়াতো দেখা যায়, ১হাজাৰ ৫০০শ ৩ কোটি ৪৫ লাখ টকা তেওঁলোকক supplementary provision ত দিয়া হৈছিল। কিন্তু এই supplementary provision খিনিও তেওঁলোকে খৰচ কৰিব পৰা নাই। এনেধৰণে যদি গোটেইখিনি চাওঁ গুৰুত্বপূৰ্ণ কিছুমান Project ৰ বিপৰীতে এই টকাখিনি দিয়া হৈছে। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ আঁচনি, সাধাৰণ ভাৱে, বৰাক ভেলী বাননিয়ন্ত্ৰণ আঁচনিও দিয়া হৈছিল। এই ধৰণৰ যি বিলাক গুৰুত্বপূৰ্ণ কিছুমান আঁচনিক টকাখিনি দিয়া হৈছিল ২০১৬-১৭ ত তেওঁলোকে প্ৰায় কব গলে ৫০ শতাংশ তকৈ কম টকা খৰচ কৰাৰ কাৰণে সামৰ্থ হৈছিল। এই কাৰণে আমি কব বিচাৰিছো যে চৰকাৰ এই বিভাগত যি প্ৰয়োজনীয়তা আছে, সেই প্ৰয়োজনীয়তা খিনি তেওঁলোকে পূৰণ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে আৰু যিখিনি টকা আমি বাজেটত দিছিলো তেওঁলোকক সেই টকাখিনি তেওঁলোকে খৰচ কৰিব সামৰ্থ হোৱা নাই। সেই কাৰণে আমি এই বাজেটৰ যি কৰ্তন প্ৰস্তাৱ আনিছো সেই কৰ্তন প্ৰস্তাৱৰ আমি সমৰ্থন কৰিছো আৰু এই সমৰ্থন কৰি মই মোৰ সংক্ষিপ্ত কথা ইয়াতে শেষ কৰিছো।

**সভাপতি** ঃ এতিয়া মাননীয় সদস্য ডাঃ নোমল মোমিন।

**ডাঃ নোমল মোমিন (মাননীয় সদস্য)** ঃ মাননীয় সভাপতি মহোদয়, Grant No. 63 ৰ বিৰোধীৰ কৰ্তন প্ৰস্তাৱ Water Resource ৰ ওপৰত আনিছে, তাৰ বিৰুদ্ধে দুষাৰ কব দিয়াৰ বাবে ধন্যবাদ লগতে Grant No. 63 বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুষাৰ কবলৈ ওলাইছো। অসমত দুখন নদী আছে, ব্ৰহ্মপুত্ৰ আৰু বৰাক ইয়াৰ উপ-নৈ সমূহ সময়ে সময়ে অসমৰ বিভিন্ন অঞ্চল প্লাৱিত কৰি আহিছে। আজি নতুন কথা নহয়, অসমৰ বানপানী বা গড়াখহনীয়াও নতুন কথা নহয়। আমাৰ অসমৰ বিভিন্ন অঞ্চল এপ্ৰিল, মে মাহৰ পৰাই বানপানীৰ কবলত পৰে। আৰু বছৰত ৬/৭ টা বানপানী অসমৰ ৰাইজক জৰ্জৰিত কৰি যায়। আমি বানপানীৰ বিভীষিকা দেখিছো কিন্তু পানীৰ কাৰণে এই অঞ্চলত বহুখিনি সুবিধাও পাবলৈ সক্ষম হৈছো। যি পানীয়ে আমাৰ খেতি পথাৰৰ মাটি উৰ্বৰ কৰি নানে যি পানীৰ বাবে আমি খেতি কৰিবলৈ সক্ষম হওঁ আৰু খোৱাপানীৰ বাবেও ব্যৱস্থা ইয়াৰ পৰাই পাওঁ আমি অসমত জন্ম লাভ কৰি সৌভাগ্যবান বুলি ভাবো। ৰাজস্থানৰ নিচিনা এটা ঠাইত আমি জন্ম হোৱা নাই, য'ত পানীৰ হাহাঁকাৰ লাগে। কিন্তু পানীৰ যেতিয়া প্ৰকোপ বানপানী আহে যি অসুবিধা হয়, তাত ভুগি আমাৰ মনত কষ্ট হয়। আমাৰ যিটো বানপানী অসমৰ নদ-নদী সমূহে কৰে তাত অভিশাপ বুলি নাভাবি এই নদী বিলাকক আশীৰ্বাদ বুলি ভাবি আগবাঢ়িব পাৰিলে হয়টো অসমখন বহু ক্ষেত্ৰত আগবাঢ়িব পাৰিম। তাৰ কাৰণে আমি কিছুমান কথা কৰিব লাগিব, যি বানপানী ৰোধ কৰিবৰ কাৰণে কাৰো সাধ্য নাই, সেইটো সকলোৱে জানে, আমি যদি চাব যাওঁ data বিলাক বিশ্লেষণ কৰিলে ৰাষ্ট্ৰীয় বাৰ আয়োগৰ ৪১ হাজাৰ ৫শ বৰ্গ কিলোমিটাৰ তাৰ মানে ৪০ শতাংশ আমাৰ যিটো মাটি কালি অসমৰ প্ৰত্যেক বছৰে বানত আক্ৰান্ত

হয়। আৰু ৰাষ্ট্ৰীয় যদি হিচাপটো চাব যাওঁ তেতিয়া হ'লে সৰ্বভাৰতীয় ৯.৪ শতাংশ আমাৰ বানবিধ্বস্ত অঞ্চল অসমতে হয়। আমি যদি চাওঁ ৯.৩১ লাখ হেক্টৰ মাটি আমাৰ আক্ৰান্ত হয়। আৰু আমি ১৯৫০ চনৰ পৰা আমি যদি চাওঁ আমাৰ অসমত ৪.২ লাখ হেক্টৰ মাটি বানে গড়াখহনীয়া ৰ কৱলত পৰিছে আৰু এইটো ৭.৪ শতাংশ। আমি যদি চাবলৈ যাওঁ তেতিয়া হলে আমি যদি চৰকাৰক দোষাৰোপ কৰে যে বানপানী, গড়াখহনীয়াৰ ওপৰত ব্যৱস্থা লোৱা নাই, কিন্তু প্ৰত্যেক চৰকাৰে এই ব্যৱস্থা হাতত লয় গড়াখহনীয়া ৰোধ কৰিবলৈ। যি ব্যৱস্থা লয় সেয়া ফলপ্ৰসূ নহয়। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰ অহাৰ পিছতে অসমত বৰ্তমানলৈ 16,500 sqkm area ত গড়াখহনীয় ৰোধৰ কাৰণে ব্যৱস্থা ল'বলৈ সক্ষম হৈছো। মাননীয় সভাপতি মহোদয়, আমি দেখা পাও যে captial head ত বাজেট **২,৪০২** কোটি টকাতকৈ অধিক আৰু revenue head ত **৩৭০** কোটি টকাতকৈ অধিক বাজেট লোৱা হৈছে আৰু মুঠ যিটো বাজেট ব্যৱস্থা ৰখা হৈছে সেইটো হৈছে **২৭৩৯.২৬** কোটি টকা। কিন্তু চৰকাৰে সদায় আমাৰ এই গড়াখহনীয়া গুৰুত্ব সহকাৰে লৈছে আৰু বানপানীৰ পৰা হ'ব পৰা অসুবিধা তাক লৈ চৰকাৰে গুৰুত্ব সহকাৰে কাম কৰি গৈ আছে। মাননীয় সভাপতি মহোদয়, কাৰ্বিআংলঙৰ ধনশিৰি নদীত আমি আজিলৈকে কোনো পইচা পোৱা নাছিলো কিন্তু সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই মুখ্যমন্ত্ৰী হোৱাৰ পিছতে কাৰ্বিআংলঙত Water Resource ৰ পইচা গৈ বৰ্তমান মোৰ সমষ্টিত **৫.৫** কোটি টকাৰ গড়াখহনীয়া ৰোধৰ কাৰণে ব্যৱস্থা লৈছে। গতিকে মই চৰকাৰকো ধন্যবাদ দিছো আৰু আমি যি ধৰণে কাম বিলাক কৰি গৈ আছো তাত সফলতা অৰ্জন কৰা দেখা পাইছো। বিৰোধীয়ে কয় আৰু বহু সদস্যই কৈছে যে কাম বিলাক proper execution হোৱা নাই, সময়ত হোৱা নাই। কিন্তু মাননীয় সভাপতি মহোদয়, আগৰ যি জুন জলাই মাহৰ tendering process, সেই tendering process আহি এতিয়া ডিচেম্বৰ, জানুৱাৰী মাহ পাইছে। আৰু এইটো এটা সুখৱৰ যে আমি কেইমাহমান কাম কৰাৰ কাৰণে সুবিধা পাম। আগৰ দিনত বাৰিষা কালত tendering হ'লে পিছত কামবিলাক নহয় আৰু যি পলমকৈ কাম আৰম্ভ কৰে বানপানীয়ে উটুৱাই নিয়ে বুলি অভিযোগ দেখুৱাই পাৰ হৈ যায়। কিন্তু আমাৰ চৰকাৰে এই ব্যৱস্থা বিলাক সুন্দৰভাৱে ফহিয়াই চাই আৰু ইয়াৰ প্ৰতিকাৰ ল'বলৈ আৰম্ভ কৰিছে। কিছুমান কথা মাননীয় সভাপতি মহোদয়, যিবিলাক project আমি লওঁ অকল Water Resource বুলিয়ে নহয়, এই project বিলাকৰ বিকল হোৱাৰ কাৰণ হ'ল scheme বিলাক যেতিয়া under performance হয়, under performance বিলাকৰ মূল কাৰণ হ'ল financial ৰ constrain ৰ কাৰণে under performance বিলাক দেখা যায়। আৰু যিবিলাক কাম execution কৰাৰ কাৰণে delay হয়, এই বিলাক কাৰণ হ'ল administrative delay হব পাৰে বা আমাৰ যিবিলাক ৰুল, এই বিলাক ৰুল অধ্যয়ন নকৰাৰ কাৰণে delay হ'ব পাৰে বা contract management বিলাকো ভাল ধৰণে নোহোৱাৰ কাৰণে আমাৰ কাম বিলাক delay হ'ব পাৰে আৰু financial over done কাম বিলাক সময়ত সম্পূৰ্ণ নহ'লে price escalation হয়। এইটোৰ কাৰণে project ত আমাৰ অসুবিধা আহি পৰে। মাননীয় সভাপতি মহোদয়, আমাৰ খুব ডাঙৰ কথা হ'ল monitoring machanism টো ভাল নোহোৱাৰ কাৰণে কাম বিলাক আমাৰ খুৱ সুন্দৰভাৱে বা সময়ত হৈ নপৰে। adiquate আৰু effective monitoring যদি কৰিব পাৰো, আমি কাম বিলাক সময়ত আৰু সঠিক ভাৱে সম্পূৰ্ণ কৰিব পাৰিম আৰু এটা কথা মাননীয় সভাপতি মহোদয়, যি বিলাক common area development আমাৰ Water Resource ৰ যিবিলাক project

লয়, ধৰক গড়াখহনীয়া ৰোধৰ কাৰণে লয় তাৰ লগতে জলসম্পদৰ লগত একেলগে কাম কৰিব পাৰে। সেই common area development ৰ প্ৰতি গুৰুত্বতো অলপ কম দিওঁ। যদি আমি একেলগে গুৰুত্ব দিওঁ তেতিয়া হ'লে গড়াখহনীয়া ৰোধৰ লগতে জলসম্পদৰ কাৰণে ব্যৱস্থা ল'ব পাৰো বা transportation ৰ কাৰণেও এই ব্যৱস্থা হাতত ললে মই ভাৱো Water Resource department আৰু সুন্দৰভাৱে আগবাঢ়ি যাব। আৰু project বিলাক যেতিয়া লোৱা, এই বিলাক মাননীয় সভাপতি মহোদয় mission mode ত ল'ব লাগে। mission mode ত ললে তেতিয়া vision থাকিব। এই mission mode ত ল'লে project বিলাক sucess হোৱাৰ কাৰণে আমাৰ বহুখিনি সুবিধা হ'ব। আৰু যিবিলাক project লওঁ আমাৰ মন্ত্ৰী থাকে, বিভাগীয় পদবীত থকা বিষয়াসকল থাকে। কিন্তু মই ভাৱো নোডেল অফিচাৰ এজন দি তেখেতক যদি effective monitoring কৰিব দিয়া যায়। তেতিয়া হ'লে যিটো বটলনেক সেইটো remove হোৱাৰ কাৰণে আমাৰ সুবিধা হ'ব। মাননীয় সভাপতি মহোদয়, আমাৰ বিৰোধী সকলে কয় যে Water Resource ত চৰকাৰে একো কাম কৰিব পৰা নাই। আমি ক'ব বিচাৰিছো যে বিগত চৰকাৰৰ মুৰব্বী গৰাকীয়ে বানপানী হ'লে কলগছ ৰুব লাগে আৰু কলগছ ৰুই বানপানীৰ পৰা পৰিত্ৰাণ পাব লাগে তেনেধৰণৰ কথা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱা নাই। আমাৰ পৰিবহণ বিভাগৰ মন্ত্ৰী শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই যিটো কলপুলি ৰুব দিয়াৰ ব্যৱস্থাৰ পৰা আহি এতিয়া ৰো ৰো জাহাজ ব্ৰহ্মপুত্ৰৰ বুকুত দিবৰ কাৰণে সক্ষম হৈছে। আমাৰ মাজুলিত ৰো ৰো জাহাজ চলি আছে, গুৱাহাটীতো এতিয়া ৰো ৰো জাহাজ আহিছে অহা মাহৰ পৰা হ'ব আৰু পৰ্য্যায়ক্ৰমে অসমৰ বিভিন্ন স্থানত ৰো ৰো জাহাজ দি আমি সেই কলগছৰ ভাৱধাৰা বিলাক আতৰাই আনি ৰো ৰো জাহাজৰ ভাৱধাৰা আনিছো।

আমাৰ কিছু সদস্যই কৈছিল যে বানপানীত Assembly বন্ধ দি বানপীড়িত ওচৰত গলে কি লাভ হ'ব, কি সুবিধা হ'ব। মাননীয় সভাপতি মহোদয়, বানপীড়িত ৰাইজৰ যি মনৰ কষ্ট, যি দুখ আমাৰ চৰকাৰে সংবেদনশীল হিচাপে বিবেচনা কৰি Assembly বন্ধ দিয়ো আমি বানপীড়িত ৰাইজৰ ওচৰলৈ গৈছিলো। হয়, মাননীয় সভাপতি মহোদয়, এজন বিধায়ক হিচাপে বানপীড়িত ওচৰত গ'লে আপুনি একো কৰিব নোৱাৰে। কিন্তু ইচ্ছা কৰিলে বহুখিনি কৰিব পাৰে। আপুনি District Administration ৰ লগত লগলাগি যি সাহায্য বানপীড়িসকলক দিবলগীয়া সেইটো enhance কৰিব পাৰে, সোনকালে, তৎক্ষাণিকভাৱে দিব পাৰে। বানপীড়িতৰ ওচৰত থাকিলে তেখেতসকলৰ বিপদত যি ধন-সম্পত্তি ক্ষয় হৈছে , আমি সেইটো দিব নোৱাৰো। কিন্তু মনৰ যিটো কষ্ট, সেই কষ্ট নিশ্চয় দূৰ কৰিব পাৰো। মাননীয় সভাপতি মহোদয়, আমাৰ বানপানীৰ যিটো সমস্যা সেইটো ৰাষ্ট্ৰীয় সমস্যা যিটো কৰিব লাগে বুলি সকলোৱে দাঙি ধৰিছে। কিন্তু কথা হৈছে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই নিজে কৈছে অসমৰ প্ৰত্যেকটো সমস্যাই ৰাষ্ট্ৰীয় সমস্যা, অকল বানপানী বুলিয়ে নহয়। তেখেতে গুৰুত্বসহকাৰে statement দিছে যে অসমৰ প্ৰত্যেকটো সমস্যাই ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰে। গতিকে আমাৰ অকল বানপানী বুলি কথাই মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই অসমৰ প্ৰত্যেকটো সমস্যাকে ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰি আমাৰ ওচৰত আহিছে।

মাননীয় সভাপতি মহোদয়, আপুনি দুষাৰ কব দিয়াৰ কাৰণে আপোনাক ধন্যবাদ দিছো আৰু যি বানপীড়িতৰ কথা লৈ আমি সদায় কওঁ যে ইয়াৰ প্ৰতিকাৰ নাই নেকি ? এই বিষয়ত মই দুটামান পৰামৰ্শৰ কথা খুজিছো যে বানপানীৰ কাৰণে আমাৰ এপ্ৰিল মাহৰ পৰা আগষ্ট মাহলৈকে

বানৰ কবলত পৰে অসম। সেই সময়ত অসমত প্ৰায় ধান খেতি কৰা হয়। বানপানীৰ সয়মত ধানখেতি বিলাকৰ ক্ষতি হয়। কিন্তু মই ভাৱো মাননীয় সভাপতি মহোদয়, বানপানী প্ৰত্যেক বছৰে আহি থাকিব, বানপানী ৰুধিবলৈ কাৰো শক্তি নাই আৰু এইটো কেতিয়াও সম্ভৱপৰ কথা নহয়। গড়াখহনীয়া আমি ৰোধ কৰিব পাৰো protection দি। কিন্তু ডাঙৰ বানপানী আহিলে protection দিয়াৰ ওপৰতো প্লাৱিত হ'ব পাৰে। কিন্তু বানপানীৰ যি ব্ৰহ্মপুত্ৰ, বৰাক নৈৰ দুয়ো পাৰে, যিবিলাক উৰ্বৰ অঞ্চল এইবিলাকত খৰালি কৰা খেতি বিলাকত আমি গুৰুত্ব আৰোপ কৰিব লাগে। বাদামে হওঁক, মাহজাতীয় শস্যাই হওঁক সেই চাৰি পাচঁ মাহত হৈ যোৱা খেতি যদি কৰো, মই ভাৱো ব্ৰহ্মপুত্ৰ, বৰাক উপত্যকাৰ যিধৰণৰ খেতি হ'ব, আমাৰ revenue তাৰ পৰা উপাৰ্জন হ'ব। কৃষকসকলে তাত উৎপদান কৰা পইচাৰে নিজকে স্বাৱলম্বী কৰিব পাৰিব আৰু মই ভাৱো এটা নীতি কৰিব লাগে ব্ৰহ্মপুত্ৰ, বৰাক আৰু ত্ৰিবুট্ৰৰী এৰিয়াত, যিবিলাক উপ-নৈ সমুহ আছে। উপ-নৈ সমুহৰ এক কিলোমিটাৰলৈকে মাটি কাকো তাত মাটিৰ পট্টা দিব নালাগে, ঘৰ বনাব দিব নালাগে। তেতিয়া ঘৰ খহি অহাৰ সমস্যা নাইকীয়া হৈ যাব। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ মাজৰ দুই কিলোমিটাৰলৈকে মাটিৰ পট্টা দিব নালাগে আৰু ঘৰ বনাব দিব নালাগে। নদী এতিয়া নেচাৰেল যিটো কোৰ্চ, আমি যিটো প্ৰাকৃতিক উপহাৰ পাইছো, সেই উপহাৰতো গ্ৰহণ কৰিব লাগে আৰু তাক যদি ঘেৰী ধৰো ওচৰলৈকে ঘৰ বনাওঁ, তেতিয়া হ'লে গৰাখহনীয়াত ঘৰ ভাঙিবই। সেই কাৰণে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ দুই কিলোমিটাৰলৈকে মাটিৰ পট্টা দিব নালাগে, খেতি কৰিবলৈ অনুমতি দিব লাগে। কিন্তু তাত ঘৰ সাজিবলৈ অনুমতি দিব নালাগে আৰু উপ-নৈ সমুহত এক কিলোমিটাৰলৈকে মাটিৰ পট্টা বা ঘৰ বনাব দিব নালাগে। এটা কথা সভাপতি মহোদয় আমি বাৰে বাৰে শুনিবলৈ পাইছো যে গড়াখহনীয়াৰ ফলত যিবিলাকৰ ঘৰ দুৱাৰ ভাঙি গ'ল তেখেত সকল বেলেগ স্থানত আহি যোৱাৰ লগে লগেই তেওঁলোকক বিদেশী বুলি কোৱা হয়। হয় সভাপতি মহোদয়, কথাটোৰ গুৰুত্ব আছে। আমিও বুজো যে গড়াখহনীয়াত অহা মানুহজনক আমি বিদেশী বুলি ক'ব নোৱাৰো। কিন্তু ধুবুৰীত গড়াখহনীয়াৰ ফলত ঘৰ দুৱাৰ ভাঙি কাজিৰঙালৈ আহিলে তাত আমাৰ সন্দেহ ওপজে। তেনেকুৱা ধৰণৰ কথাবিলাক আমি গ্ৰহণ কৰিব নোৱাৰো যে তেখেতে গড়াখহনীয়াৰ ফলত আহি অসমৰ বিভিন্ন ঠাইত স্থান লৈছে। বানপানীৰ কাৰণে যি অসুবিধা হয় মই ভাৱো কিছুমান কাম কৰিলে আমি গড়াখহনীয়াৰ কৱলৰ পৰা মুক্তি পাব পাৰো। কিন্তু সমগ্ৰ অঞ্চলৰ গড়াখহনীয়াত পৰা বিস্তাৰিত এলেকা ৰোধ কৰিব পৰা ক্ষমতা কোনো চৰকাৰৰে নাথাকে। মই ভাৱো যিবিলাক আমাৰ প্ৰজেক্ট আহিছে, পইচা চেংচন হৈছে, প্ৰপাৰ, ইফেকটিভ মনিটৰিং কৰি যদি আমি এইটো কাৰ্য্যকৰী কৰো তেতিয়া হয়তো যিবিলাক আমাৰ পইচা গৈছে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দূনীৰ্তিৰ বিৰুদ্ধে যি ব্যৱস্থা লৈছে সেই ব্যৱস্থা এই মনিটৰিঙৰ জৰিয়তে আৰু কটকটীয়া হ'ব বুলি মই ভাৱো। এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি দুআষাৰ ক'ব দিয়া কাৰণে আপোনাক ধন্যবাদ দিছো আৰু গ্ৰাণ্ট নং ৬৩ ৰ বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ, এতিয়া শ্ৰী নুৰুল হুডা।

**শ্ৰী নুৰুল হুডা ঃ** মাননীয় সভাপতি মহোদয়, কৰ্তন প্ৰস্তাৱত অংশগ্ৰহণ কৰিব দিয়া বাবে মই ধন্যবাদ জনাইছো। জলসম্পদ বিভাগ এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। জল মানুহৰ জীৱনৰ এটা অতি গুৰুত্বপূৰ্ণ অৱদান। কিন্তু এই জলেই কেতিয়াবা মানুহৰ জীৱনলৈ ঘোৰ অমানিশা নমাই আনে। যেতিয়া বানপানী হয় বানপানীত লোকসকল কেনেকৈ দূৰ্দশাগ্ৰস্ত হয় সেই কথা আমাৰ জনসাধাৰণ তথা প্ৰতিনিধি সকল জ্ঞাত আৰু এই বানপানী ৰোধৰ বাবে বানাক্ৰান্ত অঞ্চল সমূহত মথাউৰি নিৰ্মাণ কৰা হৈ

আছিলে। ১৯৫০ চনৰ পৰাই এই মথাউৰি সমূহ নিৰ্মাণ কৰি থকা হৈছে। বৰ্তমান অসমত ৪২৩ টা মথাউৰি আছে। এই মথাউৰি সমূহৰ দৈৰ্ঘ্য ৪৪৮৬.৪৪ কি. মি.। মই সিদিনা সদনৰ প্ৰশ্নৰ উত্তৰত দেখা পালো যে ২৯৫ টা মথাউৰিৰ আয়ুস কাল শেষ হৈ গৈছে। ম্যাদ নাইকিয়া হৈ গৈছে। এই ম্যাদ নাইকিয়া হৈ যোৱা মথাউৰি সমূহ পুনৰ নিৰ্মাণৰ বাবে ব্যৱস্থা লোৱাটো পৰিলক্ষিত হোৱা নাই। এই মথাউৰি সমূহ প্ৰটেকশ্যন দিয়াৰ কাৰণে মথাউৰিৰ সন্মূখত টাৰবাইন দিয়া হয়। আজি সেই টাৰবাইন বিলাকো ভাঙি চিঙি নোহোৱা হৈ পৰিছে। মথাউৰি চিঙি পানীয়ে গ্ৰাম্যাঞ্চলৰ জনবসতি অঞ্চলত যাতে ক্ষতি কৰিব নোৱাৰে তাৰ বাবে ৰিং বান্ধ সমূহ দিয়া হয়। আজি সেই ৰিং বান্ধ সমূহো জৰাজীৰ্ণ হৈ আছে। টাৰবাইনো বেয়া, মথাউৰিও জৰাজীৰ্ণ, ৰিং বান্ধ বিলাকো জৰাজীৰ্ণ কিন্তু এনেকুৱা অৱস্থা হোৱাৰ পিছত যেতিয়াই ব্ৰহ্মপুত্ৰৰ বা ইয়াৰ উপনৈৰ পানী বাঢ়ি যায় সেই সময়ত সেই মথাউৰি দি পানী সোমোৱাৰ উপক্ৰম হয়। লগে লগে সেইখিনি প্ৰটেকশ্যন দিয়াৰ কাৰণে বস্তাত বালি বা মাটি ভৰাই সেই সুৰুঙা বিলাক বন্ধ কৰিবৰ কাৰণে বা হঠাৎ মেৰামতি কৰাৰ কাৰণে যিখিনি পুঁজিৰ প্ৰয়োজন সেইখিনি জলসম্পদ বিভাগৰ কাৰ্য্যবাহী অভিযন্তা সকলৰ তাত নথকাৰ কাৰণে সেই কামখিনি তেওঁলোকে কৰিব নোৱাৰে। বানপানী আহিলে হঠাৎ কাম বিলাক কৰিব লগীয়া হ'লে আমাৰ বনুৱাৰ সংখ্যা জলসম্পদ বিভাগত দেখিবলৈ পোৱা নাযায়। আজি আমাৰ মাননীয় বিধায়ক ড০ মমিন ডাঙৰীয়াই কৈছে যে আগৰ মুখ্যমন্ত্ৰীয়ে কলপুলি ৰুবলৈ কৈছিল। আপুনি জানি থোৱা ভাল যে এই মথাউৰি বিলাক পূৰ্বৰ মুখ্যমন্ত্ৰী সকলেই কৰিছিল। ১৯৫০ চনৰ পৰা আৰম্ভ কৰি ১৯৯৯ চনলৈকে এই মথাউৰি বিলাক নিৰ্মাণ হৈছিল। তাৰপিছত কিন্তু এই মথাউৰি নিৰ্মাণৰ কথা সদনৰ প্ৰশ্ন উত্তৰত আমি পোৱা নাই। আজি তেওঁ কৈছে যে মথাউৰিত খুব গুৰুত্ব দিছে। সভাপতি ডাঙৰীয়া মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ২০১৬-১৭ বিত্তীয় বছৰত অসমৰ বিভিন্ন জিলাত১৫৫ টা মথাউৰি মেৰামতিৰ কাৰণে বিভাগীয় কৰ্তপক্ষই প্ৰাক্কলন প্ৰস্তুত কৰি চৰকাৰক দাখিল কৰিছে। আজিলৈকে এটাও অনুমোদন পোৱা নাই আৰু পুঁজি মুকলি কৰি দিয়া নাই। ২০১৭-১৮ বিত্তীয় বৰ্ষত ২১৬ টা মথাউৰি মেৰামতিৰ বাবে অসমৰ বিভিন্ন জিলাত কাৰ্য্যবাহী অভিযন্তা সকলে প্ৰাক্কলন প্ৰস্তুত কৰি চৰকাৰৰ অনুমোদনৰ বাবে পুঁজি মুকলিৰ বাবে পঠিয়াইছিল, কিন্তু আজিলৈকে মুকলি নহ'ল। ২০১৮-১৯ বিত্তীয় বৰ্ষত ১৬৩ টা মথাউৰি মেৰামতিৰ বাবে প্ৰাক্কলন বনাই পঠাইছে। এই তিনিটা বিত্তীয় বছৰত এই তিনি মথাউৰি পুনৰ নিৰ্মাণ আৰু মেৰামতিৰ কাৰণে চৰকাৰৰ অনুমোদনৰ কাৰণে পঠাইছিল, কিন্তু আজিলৈকে সেইবিলাক অনুমোদন নহ'ল। এইবিলাক মেৰামতিৰ কাম আৰম্ভ কৰা নহ'ল। ড° মমিন ডাঙৰীয়াই কৈ গৈছে যে অসমৰ প্ৰত্যেকটা সমষ্টিৰে প্ৰত্যেকটো সমস্যায়ে ৰাষ্ট্ৰীয় সমস্যা হিচাবে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ভাবে আৰু প্ৰচেষ্টা হাতত লৈছে। ২০১৭-১৮ বিত্তীয় বছৰৰ এই বিধান সভাৰ আমি প্ৰশ্নৰ উত্তৰত পাইছিলো যে বানপানী আৰু গড়াখহনীয়াৰ সমস্যা বিলাক ৰোধৰ কাৰণে আমাৰ অসম চৰকাৰে ৩০ হাজাৰ কোটি টকা কেন্দ্ৰৰ পৰা বিচাৰিছে। এইটো জলসম্পদ বিভাগৰ পূৰ্বৰ মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰৰ পৰা মই কৈছো। আজি এই ৩০ হাজাৰ কোটি টকাৰ কিমান টকা পাইছে বৰ্তমান আমাৰ মাননীয় ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে আমাক জনাবনে? গতিকে এই সমস্যা বিলাক ঢাকি নাৰাখি আমি আলোচনা কৰিব লাগিব আৰু এই সমস্যা বিলাকৰ পৰা পৰিত্ৰাণৰ কাৰণে চেষ্টা কৰিব লাগিব। নগাওঁ জিলাত ১৬ টা মথাউৰি আছে আৰু এই ১৬ টাৰ ১৩ টাৰে ম্যাদ উকলি গৈছে। এচ ডি আৰ এফ আঁচনিত মেৰামতিৰ কাৰণে প্ৰাক্কলন দিয়া বুলিয়েই কয় কিন্তু আজিলৈকে কাম আৰম্ভ নহ'ল। আজি শিলঘাটৰ পৰা ধিং লৈকে এটা বৃহৎ মঠাউৰি, ৮৪ কিলোমিটাৰৰ ১৯৫০ চনত

নিৰ্ম্মাণ হৈছিল। এই মঠাউৰিটো নিগনিয়ে খান্দি এনেকুৰা অৱস্থা কৰিছে যে ব্ৰহ্মপুত্ৰৰ পানী বাঢ়িলেই পানী সোমাই আহে। আজি কলিয়াবৰৰ হাতীমূৰা, বৰঘুলি, ভূৰবন্ধা, চেনিমাৰী, সুঁতিৰ পাৰ ধিং অঞ্চলৰ মোৰামাৰী আদি বিভিন্ন অঞ্চলত বানপানীৰ সৃষ্টি হয়। সেয়েহে এই মঠাউৰিটো মেৰামতিৰ বাবে মই এই সদনত দুবাৰকৈ অনুৰোধ কৰিছিলো। কিন্তু আজিলৈকে এই মঠাউৰিটো পুনৰ নিৰ্ম্মাণৰ ব্যৱস্থা কৰা নহ'ল। আজি বামুনীৰ পৰা ডবকা, তিতামাৰী আদিৰ মঠাউৰি সমূহ একেবাৰে জৰাজীৰ্ণ অ্ৱস্থাত আছে। মঠাউৰিসমূহৰ জৰাজীৰ্ণ অৱস্থাৰ বাবেই বানপানীৰ সৃষ্টি হয় আৰু বানপানী কমাৰ পিছত গৰাখহনীয়া আৰম্ভ হয়। এই গৰাখহনীয়া সমস্যাটো এটা ডাঙৰ সমস্যা হৈ পৰিছে। এই গৰাখহনীয়াত অসমৰ প্ৰায় ৩০ লাখ বিঘা মাটি জাহ গৈছে। এইটো মোৰ ব্যক্তিগত কথা নহয়। বিভাগীয় মন্ত্ৰীয়ে এই সদনত দিয়া উত্তৰৰ ভিত্তিত মই কৈছো। এই যে ৩০ লাখ বিঘা মাটি বানপানীত জাহ গৈছে, তাৰ ফলত অসমত ভূমিহীন লোকৰ সংখ্যা কিমান হৈছে গৈ।৩,২৩,৯৫৫ টা পৰিয়াল অসমত আজি ভূমিহীন হৈছে। এই ভূমিহীন মানুহখিনি ক'ৰ পৰা সৃষ্টি হৈছে? আজিৰ সদনত ১৬৯ নং প্ৰশ্নৰ উত্তৰত আমাৰ নগাওঁৰ কথা কৈছে যে ইয়াৰ কলিয়াবৰ ৰাজহ চক্ৰৰ মুঠতে ৫৩.৭৮ হেক্টৰ মাটি গৰাখহনীয়া হৈছে, কিন্তু কোনো গৃহহীন হোৱা নাই। আমাৰ মাননীয় সদনত উপস্থিত থকা বিভাগীয় ভাৰপ্ৰাপ্ত মন্ত্ৰীক মই কম যে মোক এটা তাৰিখ দিয়ক যিটো মই আপোনালোকৰ লগত যাম আৰু নগাওঁ জিলাৰ ক'ত ক'ত গৰাখহনীয়া হৈছে মানুহৰ ঘৰ-দুৱাৰ উটুৱাই নি মানুহ গৃহ হীন হৈছে, মই দেখুৱাই দিম। কিন্তু এইটো সত্য নহয় যে নগাওঁ জিলাত কোনো গৃহহীন হোৱা নাই। হাজাৰৰ ওপৰত মানুহ গৃহহীন হৈছে। সদনক কিয় বিপথে পৰিচালিত কৰিছে? যোৱা ২০১৭-১৮ চনৰ অধিৱেশনত বিশেষাধিকাৰ প্ৰস্তাৱ এটা আনিছিলো। তেতিয়া মই কৈছিলো যে মোৰামাৰী, গেৰুৱামুখ সুঁতাৰ অঞ্চলত গৰাখহনীয়াই ৪০৭ টা পৰিয়াল গৃহহীন হৈ মঠাউৰিত বসবাস কৰি আছে। সেই সময়ত দায়িত্বত থকা মাননীয় মন্ত্ৰী পল্লৱ লোচন ডাঙৰীয়াই উত্তৰত কৈছিল যে মঠাউৰিত কোনো মানুহ বসবাস কৰি থকা নাই। তেওঁলোক নিজৰ নিজৰ ঘৰত আছে। সেইকাৰণে মই বিশেষাধিকাৰ প্ৰস্তাৱ আনিছিলো। মই পিছদিনাখনেই সেইবোৰ ঠাইলৈ গৈছিলো আৰু তাৰে ভিডিঅ' ফুটেজ আনি মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ হাতত অৰ্পণ কৰিছিলো। তিনিটা মঠাউৰি ভাঙি হাজাৰ হাজাৰ ম্যাদী পট্টাৰ মাটি থকা মানুহৰ মাটি জাহ গৈ মানুহবিলাক এটা মঠাউৰিত জুপুৰী ঘৰত অ-স্বাস্থ্যকৰ পৰিৱেশত আছে। য'ত খোৱা-পানীৰ কোনো ব্যৱস্থা নাই আৰু বতাহ-বৰষুণ আদি আহিলে যন্ত্ৰণাদায়ক ভাৱে জীৱন নিৰ্ব্বাহ কৰিব লাগে। এনেকুৰা মৰ্ম্মান্তিক দৃশ্যৰ ভিডিঅ' কৰি মই মাননীয় অধ্যক্ষ মহোদয়ৰ হাতত অৰ্পণ কৰিছো। তাৰ পিছত মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে নগাওঁ আৰু মৰিগাওঁ জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়া হৈছে যে যিসকল লোক ভেটিহীন আৰু গৃহহীন হৈছে, সেইসকল লোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি প্ৰায় দুবছৰে হ'ল কিন্তু সেই গৃহহীন লোকক মাটি দিয়াৰ ব্যৱস্থা কৰা নহ'ল। আজি চামগুৰি ৰাজহ চক্ৰৰ ভূৰবন্ধা অঞ্চলত বহুত মানুহ গৃহহীন হৈছে, স্কুল, অংগনবাড়ী কেন্দ্ৰ, ধৰ্ম্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান আদি নদীত জাহ গৈছে। কিন্তু মোৰ দুখ লাগে যে আজি সদনক বিপথে পৰিচালিত কৰি কৈছে যে গৰখহনীয়াৰ ফলত কোনো লোক গৃহহীন হোৱা নাই। এই লোকসকল যেতিয়া গৃহহীন হয়, তেতিয়া তেওঁলোকৰ কিছুমানে বনাঞ্চলত যায়, কিছুমানে ট্ৰাইবেল বেল্টত যায় বা অন্য চহৰত গৈ তেওঁলোকে জীৱিকাৰ বাবে ব্যৱস্থা লয়। যেতিয়া তেওঁলোক অন্য ঠাইলৈ যায় তেতিয়া তেওঁলোকক সন্দেহ কৰা হয়। মাননীয় সদস্য ডাঃ নোমল মমিন ডাঙৰীয়াই ক'লে যে ধুবুৰীৰ গৰাখহনীয়া মানুহখিনি যদি কাজিৰঙাত যায়, সেইটো মানি ল'ব নাৱাৰি । কিন্তু ধুবুৰী কি অসমৰ বাহিৰত নেকি ? ধুবুৰীৰ মানুহখিনি কাজিৰঙাত

গ'লে মানি ল'ব নোৱাৰোটো হ'ব নোৱাৰে। কাৰণ ধুবুৰী অসমৰ মানচিত্ৰৰ ভিতৰত আছে। সেইদিনাখন উত্তৰাখণ্ডৰ ডেৰাডুনত ৪১৪ টা পৰিয়ালক উত্তৰকাখণ্ডৰ চৰকাৰে নজৰ বন্দী কৰি ৰাখিছিল। সেই নজৰ বন্দী কৰা মানুহ ভিতৰত অসমৰ মানুহ ও আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আগতেও এই কথাটো উল্লেখ কৰিছে। এতিয়া আপুনি বানপানী সম্পৰ্কীয় কথা কওঁক।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহীহাট)** মাননীয় সভাপতি মহোদয়, মই আজি এই কথাটো এই কাৰণেই উল্লেখ কৰিছো কাৰণ ধুবুৰীৰ মানুহ যদি কাজিৰঙাত গ'লে সন্দেহ কৰা হয়, তেনেহ'লে অসমৰ মানুহ উত্তৰাখণ্ডত গ'লে কিয় সন্দেহ নকৰিব। সেয়েহে আমি এই সমস্যাসমূহ সমাধান কৰিব লাগিব। গৰাখহনীয়াৰ যিটো ধাৰাবাহিকতা সেইটো যদি আমি সমাধান কৰিব নোৱাৰো, তেনেহ'লে আমি অসমৰ জ্বলন্ত সমস্যাসমূহ সমাধান কৰিব নোৱাৰিম। গৰাখহনীয়া বৰ্তমান সময়ত বহু ক্ষতি কৰিছে। মইনবড়ী সত্ৰ, দক্ষিণ-পূৰ বৰপেটাৰ বহৰিত থকা হৰিদেৰ সত্ৰ আদি গৰাখহনীয়াৰ কৰলত পৰিছে। স্থানীয় হিন্দু-মুছলিম আদি প্ৰত্যেক সম্প্ৰদায়ৰ ব্যক্তিয়ে জলসম্পদ বিভাগৰ ওচৰলৈ গৈ বাৰে বাৰে আপত্তি জনোৱা পিচতো ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা নহ'ল। টি ভি বাতৰিকাকত আদিত আমি দেখা পাওঁ যে লোকসকলে নাম-কীৰ্ত্তন কৰি এই সমস্যা সমাধান কৰিবৰ বাবে আহি আছে। নগাওঁ জিলাৰ প্ৰায় এক হাজাৰৰ ওপৰত পৰিয়াল গৰাখহনীয়াৰ কৰলত পৰিছে। তেওঁলোকে মঠাউৰিৰ ওপৰৰ অ-স্বাস্থ্যকৰ পৰিৱেশত থাকি এটা নৰক যন্ত্ৰণাত ভুগি আছে। এই মানুহখিনিক তাৰ পৰা পৰিত্ৰাণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আজি ভাল লাগিছে যে ডাঃ নোমল মমিন ডাঙৰীয়াই কৈছে যে আমাৰ চৰকাৰখন সংবেদনশীল চৰকাৰ। গতিকে এই সংবেদনশীল, দায়িত্বশীল চৰকাৰখনে মানৱতাৰ খাতিৰত এই ক্ষতিগ্ৰস্ত সৰ্বহাৰা লোকসকলক এডোখৰ মাটি দি বাসস্থান দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল। কিন্তু আজিলৈকে এই সৰ্বহাৰা লোকসকলৰ কথা চিন্তা কৰা হোৱা নাই, এই কথা আগতেও মই সদনত কৈছো। এই বানাক্ৰান্ত গৰাখহনীয়া অঞ্চলসমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা নাই, ইয়াৰ ব্যৱস্থা কৰিব লাগে। এই বিভাগটো এনেকুৱা এটা বিভাগ য'ত কাৰ্য্যবাহী অভিযন্তা সকলে যদি ঠিকাদাৰক কাম কৰাৰ বাবে অনুৰোধ কৰে তেন্তে ঠিকাদাৰ সকল আগবাঢ়ি নাহে কাৰণ বছৰ বছৰ ধৰি কাম কৰাৰ পিছতো তেওঁলোকে প্ৰাপ্য টকাখিনি নাপায় যাৰ বাবে তেওঁলোকৰ কামৰ প্ৰতি অনীহা আহি গৈছে। গতিকে, এই সমস্যাবোৰ দূৰ কৰিব লাগিব। গৰাখহনীয়াৰ নিচিনা সমস্যাটোক যদি বিজ্ঞানসন্মত ভাৱে প্ৰতিৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে সামগ্ৰিক ভাৱে অসমৰ উন্নয়ন নহ'ব। আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে গৰাখহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলক গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা বুলি প্ৰমাণ-পত্ৰ এখন দিব লাগে আৰু কোনো ঠাইত তেওঁলোকক বসতিৰ বাবে অলপ মাটিৰ ব্যৱস্থা কৰি দিব লাগে। এনে কৰিলে, ক্ষতিগ্ৰস্ত লোকসকল মানসিক তথা শাৰীৰিক যন্ত্ৰণাৰ পৰা নিশ্চয়কৈ উদ্ধাৰ হ'ব। মই আশা ৰাখিছো, আমাৰ সংবেদনশীল, দায়িত্বশীল চৰকাৰখনে মানৱতাৰ খাতিৰত এই সমস্যাবোৰ সমাধান কৰি আমাৰ অসমখনক যাতে আগুৱাই লৈ যায়। কৰ্তন প্ৰস্তাৱৰ সপক্ষে মই এইখিনি কৈয়ে মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কিশোৰ নাথ।

**মাননীয় সদস্য শ্ৰী কিশোৰ নাথ (বৰখলা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Grant No. 63 ত Water Resource Department ৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোক কেইটামান কথা ক'বলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, Water Resource হ'ল এটা গুৰুত্বপূৰ্ণ বিভাগ আৰু আমি যেতিয়া আমাৰ সমষ্টিলৈ যাওঁ, তেতিয়া আমি

Water Resource Departmentৰ কথা ৰাইজৰ পৰা শুনিব লগীয়া হয়। Water Resource Department ৰ কামবোৰ অতি জৰাজীৰ্ণ অৱস্থাত আছে। বিশেষকৈ, মই মোৰ সমষ্টিৰ কথা ক'ব বিচাৰিছো, ২০১৬ চনত যেতিয়া আমি নিৰ্বাচনত জয়ী হোৱাৰ ৰিজাল্ট ওলাইছিল, সেইদিনা মোৰ সমষ্টিত বানপানী হৈ আছিল। যি সময়ত অন্য বিধায়কসকলে জয়ী হোৱাৰ বাবে victory programme কৰি আছিল, সেই সময়ত মই মোৰ সমষ্টিৰ flood victim area বোৰ চাবলৈ গৈছিলো। বিশেষকৈ ৰায়পুৰৰ মথাউৰিটো প্ৰত্যেক বছৰে ভাঙি স্থানীয় ৰাইজৰ খেতি-পথাৰকে ধৰি বিস্তৰ ক্ষতি কৰে গতিকে তাত গৈ মই ৰাইজক আশ্বাস দিছিলো যে যোৱা দহ বছৰ ধৰি বানপানীৰ বাবে যি সমস্যাত ভূগি আছে, সেই সমস্যাটো অহা বছৰৰ পৰা অৰ্থাৎ ২০১৭ ৰ পৰা দূৰ হ'ব। গতিকে ৰায়পুৰ, মাণিকপুৰ আৰু অন্য ১৪-১৫ খন বানপানী হোৱা ঠাইৰ কথা লিখি মথাউৰি বন্ধাৰ বাবে কেইবাবাৰো জল সম্পদ বিভাগক দিছিলো কিন্তু আজিলৈকে তাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। আমি যেতিয়া সমষ্টিলৈ যাওঁ, এইবোৰ কাৰণত ৰাইজৰ কথা শুনিব লগীয়া হয়।

অধ্যক্ষ মহোদয়, ৰায়পুৰ আৰু মাণিকপুৰত মথাউৰি বন্ধাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰৰ পৰা team গৈ survey কৰিছিল। তাৰ পিছতো কিন্তু এতিয়ালৈকে ইয়াৰ কোনো কামেই আগবঢ়া নাই। আজিৰ পৰা দুমাহ পিছত যেতিয়া বাৰিষা আহিব, তেতিয়া সেই ঠাইত আগৰ নিচিনাকৈ পুনৰ বানপানী হ'ব, খেতি-বাতি, ঘৰ-বাৰী সকলো ধ্বংস হ'ব আৰু আমি বিধায়ক হিচাপে যেতিয়া বানাক্ৰান্ত লোকৰ খা-খবৰ ল'বলৈ যাম তেতিয়া আকৌ ৰাইজৰ খঙৰ সন্মুখীন হ'ব লাগিব। সেয়েহে, অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে সেই ঠাই সমূহত যদি এবাৰতেই মথাউৰিবোৰ বান্ধি দিয়ে তেতিয়া আমি সেই ঠাইবোৰত বাৰে বাৰে গৈ নাথাকিলেও হ'লহেঁতেন। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই এই ক্ষেত্ৰত ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে তেওঁ বানপানীৰ সময়ছোৱাত যি relief দিছিল, তাৰ বাবে সেই অঞ্চলৰ মানুহখিনি তেওঁৰ ওচৰত সদায় কৃতজ্ঞ। যোৱাবাৰ মোৰ সমষ্টিত ছয়জন লোক বানপানীৰ ফলত ঢুকাইছিল আৰু সেই লোকসকলৰ পৰিয়ালৰ ওচৰলৈ গৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২৪ ঘণ্টাৰ ভিতৰতে ২ লাখকৈ টকাৰ ex-gratia দিছিল। এনে ধৰণৰ সুবিধাবোৰ চৰকাৰৰ তৰফৰ পৰা পোৱাৰ বাবে ৰাইজে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে। অধ্যক্ষ মহোদয়, প্ৰত্যেক বছৰে এই ঠাই সমূহত ex-gratia দিয়া, flood relief camp কৰা, SDRF, NDRF সেনা দিয়াৰ ফলত কোটি কোটি টকা খৰচ হয় কিন্তু এই টকাবোৰ যদি আমি মথাউৰি বন্ধাৰ নামত খৰচ কৰো তেন্তে নিশ্চয়কৈ বানপানীৰ সমস্যাটো দূৰ হ'লহেঁতেন। মোৰ সমষ্টিৰ ৰায়পুৰ, মাণিকপুৰ, কালীনগৰ, দুধপাতিল, অন্নপূৰ্ণা ঘাট, ৰাজাৰগাঁও আদিকে কৰি ১৪ খন মান ঠাই আছে য'ত আজিলৈকে মথাউৰিৰ কোনো কামেই হোৱা নাই। আজি Water Resource Department ৰ ওপৰত Unstarred Question এটা আহিছিল য'ত মই দেখিবলৈ পাইছো যে এতিয়ালৈকে কোনো ধৰণৰ estimate হোৱা নাই, process তহে আছে। গতিকে অধ্যক্ষ মহোদয়, এতিয়াও যদি ই process তে আছে, তেন্তে ই কেতিয়া সম্পূৰ্ণ হ'ব আৰু কেতিয়া কাম হ'ব? যদি এনে হয়, তেন্তে আমি এইবাৰো বানপীড়িত ঠাইত যাব লাগিব। ৰাইজৰ আগত হাত যোৰ কৰি ক'ব লাগিব যে আমি পৰৱৰ্তী কালত বানপানীৰ সমস্যাটো ঠিক কৰি দিম। আমি প্ৰতি বছৰে এনেধৰণে প্ৰতিশ্ৰুতি দি আছো কিন্তু কামখিনি কৰিব পৰা নাই। সেয়েহে মন্ত্ৰী মহোদয়লৈ মোৰ অনুৰোধ, এই ক্ষেত্ৰত যাতে আমি ৰাইজক ক'ব পাৰো যে আপোনালোকৰ এই মথাউৰিটো আমিয়েই বান্ধি দিলো। মোৰ

সমষ্টিত বানপানীৰ সময়ত যেতিয়া ঘৰবোৰ partially বা fully damage হৈছিল, তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া তথা চৰকাৰে প্ৰত্যেকক ৩৫০০ বা ৫০০০ বা ৯৫০০০ কৈ টকা দিছিল আৰু তাৰ বাবে মই মুখ্যমন্ত্ৰী তথা চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, বৰ্তমান যিবোৰ মথাউৰি আছে, সেইবোৰ বন্ধাৰ ক্ষেত্ৰত শিল পেলোৱা, বালিৰ বস্তা পেলোৱা ইত্যাদি পুৰণি আৰ্হিবোৰেই গ্ৰহণ কৰি কাম কৰা হৈছে। মোৰ সমষ্টিৰ নদীৰ কাষৰ major damaged portion ত ২০০৯ চনত ১৪ টা RCC Pilling কৰা হৈছিল। ২০০৯ চনৰ পৰা আজিলৈকে তাত কোনো erosion হোৱা নাই। গতিকে অন্য মথাউৰিবোৰো যদি RCC Pilling কৰি দিয়া হয় তেন্তে মই ভাৱো যে ইয়াৰ ফলত মথাউৰিবোৰো ৰক্ষা পৰিব আৰু বছৰে বছৰে বানপানীৰ নামত কোটি কোটি টকাও খৰচ নহ'ব। আজি যদি বিভাগৰ মানুহ মোৰ সমষ্টিলৈ যায় তেন্তে, মই তেওঁলোকক দেখুৱাই দিব পাৰিম যে RCC Piling কৰি ২০০৯ চনৰ পৰা এতিয়ালৈকে কেনেদৰে সেই ঠাইখনত বানপানী ৰোধ কৰি থকা হৈছে। মোৰ সমষ্টিত বৰাক নদী আৰু তাৰ কিছুমান উপনৈ আছে যেনে- মদুৰা, কাঠাকাল, জাতিংগা আদি। এই উপনৈবোৰত প্ৰত্যেক বছৰে গৰাখহনীয়া হৈ বহু মানুহৰ ঘৰ-বাৰী, খেতি- পথাৰ ধ্বংস হৈছে আৰু মাটিবোৰো ভাঙি ভাঙি গৈ আছে। তাত আমি যদি কেইটামান RCC Pilling কৰি চাওঁ, তেতিয়া মোৰ হিচাপত এইটো save হৈ যাব। এইটো মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো। এই পদ্ধতিটো আনিলে আমাৰ লাভ হ'ব। মই নিজৰ ফালৰ পৰা RCC pilling কৰাইছিলো ১৮ টা মান কিছুমান ঠাইত। আজি ৬ বছৰমান হৈ গ'ল, তাত এতিয়া erosion ৰ কোনো অসুবিধা হোৱা নাই। মোৰ সমষ্টিত ৩-৪ বছৰৰ পৰা Water Resource Department ৰ দ্বাৰা কোনো কামেই হোৱা নাই। কিন্তু major erosion ৰ problem মোৰ সমষ্টিতেই হৈ আছে। তেনেকুৱা ১৪ টা মান point মোৰ সমষ্টিত আছে কিন্তু তাৰে কোনো এটা point তেই একো কাম হোৱা নাই। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে এটাই অনুৰোধ কৰিব বিচাৰিছো যে এই ১৪ টা point ৰ ভিতৰত অন্ততঃ তিনি বা চাৰিটা point ত যদি কাম হয়, আমাৰ ৰাইজ যথেষ্ট উপকৃত হ'ব। এইখিনিকে কৈ কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমি উত্তৰলৈ যাম। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, গ্ৰাণ্ট নং ৬৩ ৰ অধীনত১০৬৬৭২.৯৪ কোটি টকা মুঠ ধনৰ যি আবণ্টন বিচাৰিছিলো, এই আবণ্টনৰ কৰ্তন প্ৰস্তাৱ ৰাখি বিৰোধী পক্ষই তেখেতসকলৰ বক্তব্য ৰাখিছে লগতে এই বিতৰ্কত অংশগ্ৰহণ কৰি সৰ্ব্বমুঠ ১০ জন বিধায়ক ক্ৰমে আমিনুল ইছলাম ডাঙৰীয়া, আনোৱাৰ হুছেইন লস্কৰ ডাঙৰীয়া, আব্দুল খালেক ডাঙৰীয়া, ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়া, ইমানুৱেল মুছাহাৰী ডাঙৰীয়া , দেবানন্দ হাজৰিকা ডাঙৰীয়া, কমলেক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া, হাফিচ বছিৰ আহমেদ ডাঙৰীয়া, নোমল মমিন ডাঙৰীয়া আৰু নুৰুল হুদাৰ লগতে কিশোৰ নাথ ডাঙৰীয়াই মন্তব্য ৰাখিছে। পোন প্ৰথমে মই আটাইকেইগৰাকী বিধায়কক তেখেতসকলৰ ইতিবাচক পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, জলসম্পদ বিভাগটো আগতে Flood control বুলি কোৱা হৈছিলে। পৰবৰ্তী সময়ত তাৰ নাম সলনি কৰি Water Resource Department কৰিলে। এই নাম সলনিৰ মাজতে কিন্তু বিভাগটোক চৰকাৰে কিভাৱে গ্ৰহণ কৰে, সেই সম্পৰ্কে এটা ইতিবাচক দৃষ্টিভঙ্গী ওলাই পৰে। পূৰ্ব্বৰ Flood Control বিভাগটো অকল বানপানী কেনেদৰে ৰোধ কৰিব লাগিব বা যিবোৰ তেনেকুৱা ধৰণৰ ব্যৱস্থা আছিল সেই সম্পৰ্কেহে যেন অকল নিৰ্দ্ধাৰিত

হৈ আছিল। কিন্তু আমি জানো যে অসমত ব্ৰহ্মপুত্ৰ উপত্যকাত ব্ৰহ্মপুত্ৰ নদীখন আছে আৰু বৰাক উপত্যকাত বৰাক নদীখন আছে, এই নদীসমূহৰ লগতে ইয়াৰ যিবিলাক উপনদী আছে সেইবিলাকো কিন্তু আমাৰ এই সমস্যাটোৰ এটা মূল অংগ। সেইবাবে এই গোটেই সমস্যাটোক এটা সমস্যা বুলি বিবেচনা নকৰি পানীক এটা সম্পদ হিচাপে গঢ়াৰ কাৰণে আগৰ চৰকাৰে এই বিভাগটোক Water Resource Department বুলি নামাকৰণ কৰিছিলে মই ভাৱো যিটো সঠিক হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, অসমত আজি যদি আমি বানাক্ৰান্ত অঞ্চলৰ এটা খতিয়ান ল'ব যাওঁ তেতিয়াহলে দেখিম যে ৰাষ্ট্ৰীয় বান আয়োগে যিটো পৰ্য্যালোচনা কৰিছিলে, সেই পৰ্য্যালোচনা মতে সমগ্ৰ ভাৰতবৰ্ষত প্ৰায় ৩৯.৫৮ শতাংশ ভূমি, তাৰমানে প্ৰায় ৩১,৫০০ বৰ্গকিলমিটাৰ অঞ্চল বানাক্ৰান্ত হয়। সেই ভূমিৰ প্ৰায় ৯.৪ শতাংশ ভূমি বানাক্ৰান্ত হয় অসমৰ।

ইয়াৰ উপৰিও গড়াখহনীয়াৰ যি সমস্যা , সেই খহনীয়াত ১৯৫০ চনৰ পৰা অসমৰ মুঠ ভূমিৰ প্ৰায় ৪.২ লাখ হেক্টৰ মাটি বিলীন হৈ গৈছে। এইটো আমাৰ ৰাজ্যৰ যি মুঠ মাটিকালি , সেই মাটিকালিৰ প্ৰায় ৭.৪ শতাংশ। এই জলসম্পদ বিভাগে অসমৰ যি বান সমস্যাৰ ওপৰত কি ধৰণৰ পদক্ষেপ লৈছে তাৰ তথ্য আমাৰ সদনত কেইবাবাৰো উত্থাপিত হৈছে। অসমত মুঠ ৪,৪৬৮.৪৪ কিলমিটাৰ মথাউৰি আছে । তাৰে ৯৮৩ টা খহনীয়া প্ৰতিৰোধ আঁচনি নিৰ্মাণ কৰা হৈছে আৰু ৮৮১.৯৭ কিলমিটাৰ দৈৰ্ঘ্যৰ নলা নিৰ্মাণ কৰা হৈছে। ১০০ খন শ্লুইচ গেট নিৰ্মাণ কৰাৰ লগতে ৮৪৫ টা অন্যান্য শ্লুইচ গেট নিৰ্মাণ কৰা হৈছে আৰু মুঠ ৮৭৫.৬৪ কিলমিটাৰ দৈৰ্ঘ্যৰ বাবে মথাউৰি সৰলীকৰণ আঁচনি গ্ৰহণ কৰা হৈছে।

অলপ আগতে কেইবাজনো বিধায়কে তেখেতসকলৰ বক্তব্যত কৈছে যে অসমত বৰ্তমান যিখিনি মথাউৰি আছে এই মথাউৰি সমূহৰ ম্যাদ উকলি গৈছে। এইটো মইয়ো accept কৰো। ৫০ ৰ দশকতে যিখিনি মথাউৰি নিৰ্মাণ হৈছিলে পৰবৰ্তী সময়ত মথাউৰিৰ life span টো পাৰ হৈ গৈছে। এই মথাউৰি সমূহক পুনৰ নিৰ্মাণ কৰি strengthen কৰি সেইবিলাকক আৰু শক্তিশালী কৰি সুদৃঢ় ভাৱে বনাবৰ বাবে প্ৰায় ৮৭৫.৪৭ কিলমিটাৰ দৈৰ্ঘ্যৰ বাবে জলসম্পদ বিভাগে বিভিন্ন আঁচনি হাতত লৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমি এ বিান সমস্যাটো বিশেষকৈ ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ যিটো বানপানী সেইটোক আমি দুটা দৃষ্টিৰে চাব পাৰো। এটা হৈছে হ্ৰস্বকালীন আৰু আনটো হৈছে দীৰ্ঘকালীন। হ্ৰস্বকালীন পদক্ষেপ সমূহৰ ভিতৰত মথাউৰি নিৰ্মাণ তাৰমানে যেতিয়া বানপানী হ'ব immediately সেইবিলাক ৰোধ কৰিবৰ কাৰণে আমি মথাউৰি বনাইছো বা নলা বনাইছো, শ্লুইচ গেট বনাইছো এইবিলাক হৈছে হ্ৰস্বকালীন আঁচনি। আমি এটা কথা জানো যে prevention is better than cure. এই হ্ৰস্বকালীন মথাউৰি বনোৱা বা নলা বনোৱা বা শ্লুইচ গেট বনোৱা এইবিলাক সকলো curative measures. কিন্তু preventive measures বিলাক সাধাৰণতে দীৰ্ঘম্যাদী হয়। এই দীৰ্ঘম্যাদী পদক্ষেপ বোৰৰ বাবে আগৰ চৰকাৰে Flood Control Department ৰ নাম সলনি কৰি Water Resource Department কৰিছিলে। এইটো মই ভাৱো সঠিক পদক্ষেপ আছিল। যিটো চিন্তা ধাৰা তেখেত সকলে তেতিয়া লৈছিলে তাৰবাবে মই তেখেত সকলক ধন্যবাদ জনাইছো।

তেখেত সকলৰ সেই চিন্তাটোৰ যি প্ৰথম পদক্ষেপ লৈছিলে, তাত আগৰ যি সকল আছিল, তেখেত সকলক ধন্যবাদ জনাইছো। আৰু এই যিটো পদক্ষেপ, এই পদক্ষেপটোক আৰু আগবঢ়াই লৈ যাবলৈ আমাৰ এই চৰকাৰে কিছু পদক্ষেপ লৈছে আৰু এই পদক্ষেপবোৰ বহুতো সময়ত হয়তো বিভিন্ন পক্ষই বুজি উঠিব পৰা নাই। বুজি উঠিব পাৰিলেও তেখেত সকলে হয়তো সেই গভীৰতালৈ

যাবলৈ চেষ্টা কৰা নাই। সেই বাবে মই অনুভৱ কৰোঁ যে কিছু ক্ষেত্ৰত কিছু ব্যংগাত্মক যিবোৰ তিপ্পনি কৰা হৈছে, এই তিপ্পনিবোৰ হয়তো সেইবাবেই। মাননীয় অধ্যক্ষ মহোদয়,মই কৈছোঁৱেই যে দীৰ্ঘমাদী পদক্ষেপ যদিও আৰম্ভ কৰা হৈছিল, এই ক্ষেত্ৰত পুজিৰ বাবেই হওঁক বা অন্যান্য কাৰনত হওঁক আগৰ চৰকাৰৰ দিনতেই হওঁক বা আমাৰ চৰকাৰৰ দিনতেই হওঁক তেনেকে আমি কোনো effective Step লবলৈ সক্ষম হোৱা নাছিলো। কিন্তু এই চৰকাৰ অহাৰ পাছত মাননীয় সৰ্বানিন্দ সোনোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰী হিচাপে তেখেতে দায়িত্ব গ্ৰহণ কৰাৰ পাছত আমি কিন্তু এই সম্পৰ্কে যথেষ্ট চিন্তা চৰ্চা কৰিছো। কিছু ক্ষেত্ৰত মই দেখিছো যে বহুতে এই যিটো আমাৰ dredging ৰ কথা আহিছে এই dredging ৰ কথাটো তেখেত সকলে যেন হাঁহি তামছাৰ বিষয়লৈ লৈ যাবলৈ বিচাৰিছে কিন্তু আমি জানো যে, হুৱাংহু নদী। আজি নহয়, যোৱাকালি বা তাৰ আগৰ দিনা বহুতে কৈছে, আমাৰ আমিনুল ইছলাম ডাঙৰীয়াইও কৈছে, আৰু কেইবাজনেও কৈছিলে, যে হুৱাংহু নদী এসময়ত Sorrow of china বুলি জানিছিল এতিয়া Sorrow of china ক তেখেত সকলে এতিয়া River of happiness বুলি কব বিচাৰিছে। হয় আৰু তেখেত সকলে যি পদক্ষেপবোৰ লৈছিল, সেই পদক্ষেপবোৰ আমি অনুধাৱন কৰিছো, সেই পদক্ষেপবোৰৰ সৰ্ম্পকে এই চৰকাৰে বিস্তৃতভাৱে অধ্যয়ন কৰিছে, আৰু সেইবাবেহে মুখ্যমন্ত্ৰী সৰ্বানিন্দ সোনোৱাল ডাঙৰীয়াই যেতিয়া এটা প্ৰস্তাৱ ৰাখিছিল যে ব্ৰহ্মপুত্ৰখনক dredging কৰি তাৰ যিখিনি পলস বা মাটি ওলাব সেইখিনি সম্পৰ্কে আমি হয়তো ব্ৰহ্মপুত্ৰৰ পাৰত, কিয়নো আমি দেখো অসমৰ বিভিন্ন মঠাউৰিৰ ওপৰেদি ৰাষ্টা আছে, তেনেকুৱা ধৰণৰ এটা express way ৰ কথা উত্থাপন হৈছিল। বহুতে প্ৰশ্ন সুধিছে যে, সেই সম্পৰ্কে আপোনালোকে কি পদক্ষেপ ললে? আপুনি জানি সুখী হব যে এই ক্ষেত্ৰত আমাৰ চৰকাৰে যি এটা detail study কৰি তেখেত সকলে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক মাজুলীত তেখেতৰ হাতত অৰ্পন কৰা হৈছে। আৰু এই সংক্ৰান্তত নীতি আয়োগৰ মাধ্যমেৰে তেখেত সকলে, কিয়নো যোৱাবাৰ আপোনালোকৰ মনত আছে ছাগে, যে কেন্দ্ৰীয় যি বাজেট আছিলে, সেই কেন্দ্ৰীয় বাজেটত অসমৰ বান সমস্যাটোৰ মুল কাৰণবোৰ অনুধাৱন কৰিবলৈ এই মুল সমস্যাবোৰ কিহৰ বাবে হয়, এইবোৰ সম্পৰ্কে অধ্যয়ন কৰিবলৈ ১ কোটি টকা দিয়া হৈছিল নীতি আয়োগৰ মাধ্যমেৰে। এই ক্ষেত্ৰত চৰকাৰে পদক্ষেপ লৈছে। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও আমাৰ জলসম্পদ বিভাগে যিবোৰ অন্যান্য ব্যৱস্থা লৈছে, মই সেইখিনি অলপ পঢ়ি দিছো। মোৰ হাতত যিটো বিভাগীয় টোকা আছে, টোকাটোৰ এষাৰি মই পঢ়ি দিছো। ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰীৰ নিৰ্দেশমৰ্মে এলানি উচ্চস্তৰীয় সমিতি, High level Committee নীতি আয়োগৰ উপাধ্যক্ষ Vice Chairman ৰ অধ্যক্ষতাত অনুস্থিত হয়। উক্ত সমিতিৰ দ্বাৰা খচৰা আবেদনত North East water Management Authority ৰ এটা অৱবাহিকা ভিত্তিক সংখ্যা basic level Organisation গঠনৰ পৰামৰ্শ দিয়ে আৰু এই সন্থাৰ মুখ্য কাৰ্য্যালয় গুৱাহাটীত স্থাপন কৰিবলৈ অসম চৰকাৰেও সন্মতি দিছে। ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো Flood management Programme আছে, এই আঁচনিৰ বৰ্তমানৰ স্থিতি কি? কিয়নো বহুতেই কৈছে যে চৰকাৰে এই ক্ষেত্ৰত কি কি পদক্ষেপ লৈছে, এই পদক্ষেপ বোৰ আমাক জনাব লাগে, সদনক জনাব লাগে। মাননীয় অধ্যক্ষ মহোদয়, একাদশ পৰিকল্পনাত ১১৩৯.৫৬ কোটি টকাৰ মুঠ ১০০ খন আঁচনি অনুমোদিত হৈছিল। উক্ত আঁচনিৰ ৫২ খন সম্পূৰ্ণ হৈছিল। আৰু বাকী ৪৮ খন আঁচনিৰ ধন মোকলাই দিবলৈ বাকী আছিল। আঁচনি সমূহৰ পুঁজি আমি জানো যে এটা সময়ত এইটো ৯০ঃ১০ আছিল। কিন্তু পৰৱৰ্তী সময়ত এই আৱন্টন ৮০ঃ২০ কৰা হৈছে। আৰু ৪৮ খন

আঁচনি যি কেইখন আঁচনি বাকী ৰৈ গৈছিল, তাৰে ভিতৰত ৪৪ খন আঁচনিৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। একাদশ পৰিকল্পনাত। আৰু এই ৪৮ আঁচনিৰ বিপৰীতে পুৰ্বতে সম্পূৰ্ণ ৰাজ্যিক অংশৰ মুল ৬১.৫০ কোটি টকা মোকলাই দিয়া হৈছে। যদিও পুজি আৱন্টনৰ, সেই দিনা মই দেখিছিলো যে ১০৬ কোটি টকাৰ আমি State share কিয় দিয়া নাই? আৰু সেই বাবে কেন্দ্ৰই আমাক ধন মোকলাই দিয়া নাই বুলি এটা প্ৰশ্ন ইয়াত উত্থাপন হৈছিল। মই তেখেত সকলক জনাব খোজো যে আগতে ৯০ঃ১০ আছিল আৰু ৯০ঃ১০ হিচাবে আমাৰ টকা মোকলাই দিব লগা আছে, ৬১.৫০ কোটি টকা এইখিনি আমি মোকলাই দিছিলো। কিন্তু পৰৱৰ্তী সময়ত এই অনুপাতটো ৮০ঃ২০ লৈ পৰিৱৰ্তিত হ'ল তাৰ ফলত ৪৩.৫৮ কোটি টকা মোকলাই দিব লাগে। কেন্দ্ৰীয় চৰকাৰে মোকলাই দিবলগা পুঁজি হৈছে, ১৭৮.৩৪ কোটি টকা গতিকে এই সংক্ৰান্তত যিটো প্ৰশ্ন উত্থাপিত হৈছে, উত্তৰত মই এই খিনিয়ে কব পাৰো, দ্বাদশ পৰিকল্পনাত FMP, Flood management Programme ৰ১৩৬৮.৫১ কোটি টকাৰ বাবে ৪১ খন আঁচনিৰ অনুমোদন লাভ কৰিছিলো। মই বিতং তথ্য লৈ নাযাওঁ। কিয়নো যথেষ্ট দীঘল হ'ব। কিন্তু থূলমূলকৈ মই এইখিনি কথা কব পাৰো যে যিটো আমাৰ FMP, Flood management Programme সেইটোৰ ক্ষেত্ৰত চৰকাৰে যথেষ্ট পদক্ষেপ লৈছে। আৰু এই পদক্ষেপৰ দ্বাৰা আমি যথেষ্ট সফলতাও লাভ কৰিবলৈ সক্ষম হৈছো। মাননীয় অধ্যক্ষ মহোদয়, মই অলপ আগতেই যিটো কলো যে বাল ব্যৱস্থাপনা শিতানত আমাৰ যিখিনি আছিলে, সেই সংক্ৰান্তত মই আপোনাক তথ্যখিনি দাখিল কৰিলোৱেই। ইয়াৰ উপৰিও নাবাৰ্ডৰ যিটো Rural Infrastructure Development Fund এই Rural Infrastructure Development Fund ৰ শিতানতো আমি এই অহা বিত্তীয় বছৰলৈকে আঁচনি সমুহৰ বিপৰীতে প্ৰায় ২২২.৫৯ কোটি টকাৰ প্ৰয়োজন হ'ব। আৰু এই যিটো RIDF-24 ইয়াৰ অন্তৰ্গত মুঠ ১০০ কোটি টকাৰ ৪৯ খন আঁচনি লৈ নাবাৰ্ডৰ পৰা অনুমোদন পোৱা হৈছে। গতিকে অহা বিত্তীয় বৰ্ষত মুঠ প্ৰয়োজন হবলগীয়া ধনৰ পৰিমান হৈছে ৩২০ কোটি টকা। ইয়াৰে বিপৰীতে আমি ২০১৯-২০ চনৰ বাজেটত ধাৰ্য্য কৰা ধনৰ পৰিমান কেৱল ৯০ কোটি টকা আৰু সেই বাবেই মই মাননীয় সদনক অনুৰোধ কৰিম যে আমি সকলোৱে এই কথাটো স্বীকাৰ কৰিছো যে যিটো আমাৰ বানপানীৰ সমস্যা সেই সমস্যাটো আমাৰ সকলোৰে এটা ডাঙৰ সমস্যা। এই সমস্যাৰ ক্ষেত্ৰত আৰু আমি চৰকাৰক কব লাগে আমাক অধিক ধন দিয়া হওঁক। কিন্তু কৰ্তনৰ মাধ্যমেৰে নিঃসন্দেহে কৰ্তন প্ৰস্তাৱ যিটো আহে, এই সমস্যাটোৰ গুৰুত্বটো স্বীকাৰ কৰি এই সম্পৰ্কে বিতৰ্ক সদনৰ মজিয়াত কৰাৰ এটা পৰম্পৰাগত পদ্ধতি আৰু এই পদ্ধতিৰ বাবেই হয়তো বিৰোধী পক্ষই এই বিতৰ্ক সৃষ্টি কৰিছে। এই কৰ্তন প্ৰস্তাৱ আনিছে। কিন্তু মই তেখেত সকলক অনুৰোধ কৰিম যে আপোনালোকে যিখিনি প্ৰসংগ উত্থাপন কৰিছে সেই প্ৰসংগখিনি আমি চৰকাৰে হৃদয়ঙ্গম কৰিছো আমিও অনুভৱ কৰিছো যে এই বিভাগে যিখিনি কাম কৰিছে, তাৰ উপৰি আৰু অধিক কাম কৰাৰ অৱকাশ আছে। চৰকাৰে এই ক্ষেত্ৰত অংগীকাৰবদ্ধ। চৰকাৰে এই ক্ষেত্ৰত পদক্ষেপ লব আৰু আমাক লাগে আপোনালোক সকলোৰে সহায় আৰু সহযোগিতা। মাননীয় অধ্যক্ষ মহোদয়, মই বৰ বিতং তথ্যলৈ নাযাও। ৰাজ্যিক পৰিকল্পনা শিতানত SOPD ত জলসম্পদ বিভাগে যোৱা ২০১৬-১৭ ৰ পৰা ২০১৯-২০ চনলৈকে ১৬৭.৪৫ টকা মুল্যৰ বিপৰীতে ৯১ খন আঁচনি হাতত লোৱা হৈছিল। এই চলিত বিত্তীয় বৰ্ষত মুঠ ১৯৯.৫৪ কোটি টকা মূল্যৰ ৩৬ খন নতুন আঁচনিৰ প্ৰস্তাৱ ইতিমধ্যে আমি বিত্ত বিভাগলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰিছো আৰু যি মূহুৰ্ততে বিত্তীয় অনুমোদন পোৱা যাব, সেই মূহুৰ্তৰ লগে লগে আমি এই সক্ৰান্তত আমি, আমাৰ কাম-কাজবোৰ আৰম্ভ কৰিব

পাৰিম। ইয়াৰ উপৰি কেইবাজনো মাননীয় বিধায়কে মাজুলীৰ প্ৰসংগ উত্থাপন কৰিছিলে। মাজুলীৰ উত্তৰ পাৰত সোৱণশিৰি মাথাউৰিৰ যি প্ৰসংগ উত্থাপন কৰিছিলে, সেই অংশৰ সম্পৰ্কেও আমি জনাব পাৰো বা এইখিনি সম্পৰ্কে ক'ব পাৰো যে, এই যিটো সোৱণশিৰি মাথাউৰিৰ উন্মুক্ত অংশ, এই অংশৰ বাবে ২২ কিলোমিটাৰ দৈঘ্যৰ এটা নতুন মাথাউৰি তথা ৰাস্তা নিৰ্মাণৰ বাবে ২৮৫ কোটি টকা মূল্যৰ আন এখন আঁচনিৰ প্ৰস্তাৱ ৰাজ্যিক বিত্ত বিভাগৰ অনুমোদনৰ বাবে আমাৰ বিভাগে প্ৰেৰণ কৰিছে আৰু এই বিত্তীয় অনুমোদন পোৱাৰ লগে লগে এই সংক্ৰান্তত আমি কাম আৰম্ভ কৰিম। ইয়াৰ উপৰি আমি যিটো Externally Aided Project কিয়নো বিভিন্ন ক্ষেত্ৰত কোৱা হৈছিলে যে, চৰকাৰৰ হাতত যদি এনেকুৱা ধৰণৰ পূঁজি নাই, তেতিয়াহ'লে বৰ্হিসাহাৰ্য্য যিটো External Aided আমি সেই সংক্ৰান্তত কি পদক্ষেপ লৈছো, মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানি সুখী হ'ব যে Assam Intrigated Flood and River Bank Errosion Risk Investment Programme বিভাগে ইতিমধ্যে Asian Development Bank ৰ ঋণ সাহাৰ্য্য লৈ ডিব্ৰুগড়, কাজিৰঙা আৰু পলাশবাৰীৰ ভূমি এলেকাত মুঠ ৫৮১ কোটি টকা মূল্যৰ এটা দ্বিতীয় পৰ্য্যায়ৰ কাম আমি আৰান্ত কৰিছো। তদুপৰি বিশ্ব বেংকৰ ঋণ সাহাৰ্য্য লৈ মুঠ ৫০০ মিলিয়ন ইউ এচ ডলাৰ মূলৰ প্ৰস্তাৱিত Assam Intrigated River Basin Management Project ৰ প্ৰসাশনিক প্ৰকল্প প্ৰস্তাৱ Priliminary Project Proposal কেন্দ্ৰীয় বিত্ত বিভাগলৈ প্ৰেৰণ কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি এইটো কথা হয়তো জ্ঞাত যে, আমাৰ অসমৰ অকল ব্ৰহ্মপুত্ৰই নহয়, ব্ৰহ্মপুত্ৰ, তিব্বতৰ পৰা তিব্বত পেনিনচুলাৰ পৰা আহি ব্ৰহ্মপুত্ৰখন আমাৰ অসমত সোমাইছে। ঠিক তেনেকে ব্ৰহ্মপুত্ৰত যিবোৰ Tributary আছে, এই Tributary বিলাকো কিছু ভূটানৰ বা কিছু অন্যান্য ৰাজ্য, অৰুণাচল, মেঘালয়ৰ পৰা বা এনেকুৱা বিভিন্ন অন্যান্য ৰাজ্যৰ পৰা উৎপত্তি হৈছে। ফলত আমাৰ যিহেতু এটা Inter State বা Inter Nation ৰ এটা কথা আহি পৰে, তাৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰৰ লগতো এই সংক্ৰান্তত তেখেতসকলৰ সহযোগিতা আৰু তেখেতসকলৰ লগত আমি এটা Joint Venture আৰম্ভ কৰিব লাগে আৰু সেই বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত এই সংক্ৰান্তত আমাৰ ৰাজ্য চৰকাৰে বিশেষকৈ জলসম্পদ বিভাগে, কেন্দ্ৰীয় জলসম্পদ বিভাগৰ লগত এটা সু-সম্পৰ্ক ৰাখি এই সমস্যাবোৰৰ , যিবোৰৰ উৎপত্তিৰ স্থানতে এই নদীবোৰৰ যি উৎস, এই উৎসতেই যাতে আমি কট্ৰোল কৰিব পাৰো তাৰ বাবে আমি বিভিন্ন পদক্ষেপ লৈছো আৰু Externally Aided Project ৰ মাধ্যমেৰে। এতিয়া যিখিনি পদক্ষেপ লৈছো, সেইখিনি হৈছে ডিব্ৰুগড়, কাজিৰঙা আৰু পলাশবাৰীৰ ভূমি এলেকাত ৫৮১ কোটি টকাৰ মূল্য দ্বিতীয় পৰ্য্যায়ত, প্ৰথম পৰ্য্যায়ত সম্পূৰ্ণ হৈছে। Errosion, আমাৰ কেইবাজনো ব্যক্তিয়ে কৈছে আৰু কেইবাজনো আমাৰ মাননীয় বিধায়কে এই প্ৰসংগটো উত্থাপন কৰিছে। গড়াখহনীয়া আমাৰ সকলোৰে বাবে এটা ভয়াবহ পৰিস্থিতি হৈছে। মই নিজেও লাহৰিঘাট অঞ্চললৈ গৈছিলো আৰু লাহৰিঘাট অঞ্চললৈ গৈ তাত থিয় হৈহে বুজা যায় যে, ব্ৰহ্মপুত্ৰই কি ভাবে ভিতৰলৈ সোমাইছে। এই Errosion য়ে কি ভয়াবহ ৰূপ লৈছে। আমাৰ ৰৌমৰীয়া অঞ্চলতো আমি যাওতে দেখিছিলো যে কিভাৱে ৰঙানদীৰ সোঁতে ইটো পাৰত খুন্দা মাৰি কিভাৱে Errosion কৰি আছে। এই বিভিন্ন যিবোৰ নদীৰ যিটো গড়াখহনীয়াৰ ভয়াবহতা, অকল ব্ৰহ্মপুত্ৰই নহয়, ব্ৰহ্মপুত্ৰৰ Tributaries বোৰ, যিবোৰ উপনদী, এই সমূহেও সৃষ্টি কৰা গড়াখহনীয়াৰ সম্পৰ্কে Errosion Management Fund ৰ ব্যৱস্থা কৰিবলৈ এই চৰকাৰে পদক্ষেপ লৈছে। এইক্ষেত্ৰত বিভাগে খহনীয়াৰ প্ৰতিৰোধৰ বাবে এটা খহনীয়াৰ ব্যৱস্থাপনা পূঁজিৰ প্ৰয়োজনীয়তা অনুভৱ কৰি আছে আৰু

Departmentally Related Standing Committee, এই Committee ৰ ৰিপোৰ্টখনো মোৰ হাতত আছে। তেখেতসকলেও পৰামৰ্শ দিছে চৰকাৰক যে, সদ্যহতে এনেকুৱা এটা ফাণ্ড creat কৰি ১০০ কোটি টকা দিয়া হওঁক, যিটো চৰকাৰৰ বিবেচনাৰ বাবে এতিয়া বিবেচনাধীন হৈ আছে। ইয়াৰ উপৰি আমাৰ এই বিভাগৰ যিটো Administrative Requirement থাকে, ৰাজহ শিতান। এই ৰাজহ শিতানৰ ক্ষেত্ৰতো, কিয়নো এজন মাননীয় বিধায়কে কৈছিলে যে, য'ত গড়াখহনীয়া হৈছে, তাত এটা তেনেকুৱা ধৰণৰ অফিচৰ প্ৰয়োজন আছে। বিশেষকৈ মাজুলীৰ কথা কোৱা হৈছিলে আৰু সেইবাবে আমি এই যিবোৰ আমাৰ বিভিন্ন বিভাগ আছে, বিভাগবোৰৰ যিবিলাক অফিচ, বিভিন্ন ঠাইত প্ৰয়োজন, সেই সম্পৰ্কেও এই বাজেটৰ পৰা আমি পদক্ষেপ লৈছো আৰু সেই বিভাগৰ মুঠ ৭ হাজাৰ ৪ শ ৪১ গৰাকী নিয়মীয়া বিষয়া-কৰ্মচাৰী আৰু ৬৫০ সংখ্যক Work Charge বা Casual কৰ্মচাৰীৰ দৰমহা এই ৰেভিনিউ যিটো আমাৰ বাজেটত নিৰ্ধাৰণ কৰা হৈছে, তাৰ পৰাই ব্যয় কৰা হ'ব। গতিকে ৩০৯.২৫ কোটি টকা বাজেটত অন্তৰ্ভূক্ত কৰা হৈছে, কিন্তু এই ধনখিনি আৰু অধিক আমাৰ প্ৰয়োজন আছে। গতিকে মই মাননীয় সদনক অনুৰোধ কৰিম যে, আপোনালোক সকলোৱে এই বিভাগৰ যিখিনি আসোঁৱাহ আছে, যিখিনি আপোনালোকৰ প্ৰয়োজনীয়তা আছে, সেইসম্পৰ্কে আপোনালোকে সদনৰ দৃষ্টিগোচৰ কৰিবলৈ কৰ্ত্তন প্ৰস্তাৱ আনিছে, আপোনালোকে যি উদ্দেশ্যৰে এই কৰ্ত্তন প্ৰস্তাৱ আনিছে, আপোনালোক সফল হৈছে, আপোনালোকে চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছিলে, চৰকাৰৰ দৃষ্টি আনিবলৈ বিচাৰিছিল, চৰকাৰেও এইক্ষেত্ৰত সদিচ্ছা প্ৰকাশ কৰিছে। আমিও বিচাৰো যে, অসমৰ কোনো এগৰাকী ব্যক্তিয়ে যাতে বানপানীৰ দ্বাৰা বানাক্ৰান্ত হৈ চকুপানী টুকিব লগা নহয়, তেনেকুৱা এটা পৰিস্থিতি আমিও বিচাৰো আৰু এই পৰিস্থিতি আনিবলৈ যদি আজিও হয়তো এইটো এটা সপোন যেন লাগিছে, কিন্তু এই সপোনো কেতিয়াবা সাৰ্থক হয় আৰু এই সপোন সাৰ্থক কৰিবৰ বাবে এই বিভাগে কাম-কাজ কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, কিছু বিধায়ক সকলে নিজৰ বক্তব্যত কিছু কথা উত্থাপন কৰিছিলে আৰু এই কথাবোৰৰ যেনেকৈ আমাৰ মাননীয় বিধায়ক শ্ৰী হাফিজ বচিৰ আহমেদ ডাঙৰীয়াই এটা কেগৰ ৰিপোৰ্টত তেখেতে ২০১৬-১৭ চনৰ এটা ৰিপোৰ্টৰ ক্ষেত্ৰত যিটো Observation সেইটো দেখুৱাইছিল, সেই Observation টো সঁচা। মই তেখেতসকলক কোনো defend কৰিব যোৱা নাই। কিন্তু বিভাগৰ কাম-কাজ কৰাৰো কিছু সীমাবদ্ধতা থাকে। মাননীয় অধ্যক্ষ মহোদয়, আপুনিও জানে যে আমাৰ অসমত যিটো working season, যিটো সময়ত খৰালি বা যিখিনি সময়ত আমি এই জলসম্পদ বিভাগৰ বিষয়া সকলে কাম-কাজ কৰিব পাৰে, তেনেই সীমিত। আমি ডিচেম্বৰৰ পৰা মাৰ্চ মাহৰ ভিতৰত এই কাম-কাজ নকৰিলে পৰৱৰ্তী সময়ত নদীত বালি পেলোৱাৰ লেখীয়াই কথা হ'ব আৰু সেই বাবে এই খুব কম সময়খিনিত কেতিয়াবা আগতীয়া বৰষুণ হ'লে কিছুক্ষেত্ৰত আমাৰ কাম-কাজ কৰাৰ অভাৱ হয়, কেতিয়াবা অসুবিধা হয়। বিভাগৰ বিষয়াসকলে মোক যিটো জনাইছে ২০১৬-১৭ চনত আমি সকলোৱে জানো আমাৰ পি ডব্লিউ ডি বিভাগো এই ক্ষেত্ৰত যথেষ্ট বাধাগ্ৰস্থ হৈছিলে, সেইটো হৈছিলে যে যিখিনি আমাক শিল লাগে, যিখিনি বোল্ডাৰ লাগে, যিখিনি মেনচাইজ বোল্ডাৰ লাগে, ফৰেষ্ট বিভাগৰ আৰু আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য সমূহে সেই যিখিনি আমাৰ required quantity, সেই required quantity তেখেতসকলে বন্ধ কৰি দিছিলে আৰু সেইবাবে সেই সময়ত ২০১৬-১৭ চনত আমাৰ যিখিনি আৱণ্টিত ধন, সেই আৱণ্টিত ধনৰ যিখিনি আঁচনি, সেইখিনি কাম-কাজ কৰাত কিছু অসুবিধা হৈছিলে। মইতো কোনো অজুহাত ওলাব খোজা নাই, এইটো যিটো হৈছিলে, সেই হোৱা কথাখিনিহে, যিহেতু উত্থাপিত হৈছে, তাৰবাবে মই তাৰ প্ৰত্যুত্তৰ হিচাপে

কথাখিনি কৈছো যে, ২০১৬-১৭ চনত, বাৰম্বাৰ কোৱা হৈছে যে, আৱণ্টিত ধনেই তেখেতসকলে খৰচ কৰিব নোৱাৰে। গতিকে আৰু অধিক ধন দিয়াৰ কোনো প্ৰয়োজন নাই। তেখেতসকলৰ ধন কৰ্তন কৰায়েই হওঁক, কিন্তু যিটো ভিত্তিৰ ওপৰত তেখেতসকলে এই কথাখিনি কৈছিল, তাৰ যিটো ground reality হৈছে, সেই সময়ত এনেকুৱা ধৰণৰ অসুবিধাবিলাকৰ বাবেহে আমি সেই কামখিনি বা আমাৰ যিটো আৱণ্টিত ধন ১০০ শতাংশই সম্পূৰ্ণ কৰিব পৰা নাছিলো। খুব নগন্য হলেও কিছু সংখ্যক তাত আৱণ্টিত ধন ৰৈ গৈছিল। ইয়াৰ উপৰিও মই কোনো বিতৰ্কলৈ যাব নিবিচাৰো। যি ইতিবাচক আহিছে, মই গোটেইখিনি ইতিবাচক দৃষ্টিভংগীৰে কথাখিনি লৈছো। মই সকলো বিধায়কলৈ পুণৰবাৰ ধন্যবাদ জনাইছো যে, তেখেতসকলে এই বিভাগটোৰ যিখিনি প্ৰয়োজনীয়তা, সেই প্ৰয়োজনীয়তাৰ গুৰুত্বতা তেখেতসকলে অনুভৱ কৰিছে মই তেখেতসকলক আকৌ এবাৰ ধন্যবাদ জনাইছো, যে এইটো এটা গুৰুত্বপূৰ্ণ বিভাগ গতিকে আঁসোৱাহসমূহ দূৰ কৰিবলৈ সন্মিলিত এক প্ৰচেষ্টা হ'ব লাগে। মই বিৰোধীপক্ষৰ লগতে সকলোৰে সহায় সহযোগিতা কামনা কৰিছো। তেখেতসকলৰ ইতিবাচক যি পৰামৰ্শ- মন্তব্য তাৰ বাবে মই ধন্যবাদ জনাইছো। ১৯৫০ চনৰ পৰা অসমত প্ৰতিবছৰে ধাৰাবাহিকভাৱে যিটো বানপানী হৈ আছে ইয়াৰ ফলত যি ক্ষয় ক্ষতি হৈ আছে আমি সম্পূৰ্ণভাৱে প্ৰতিহত কৰিব পৰা নাই। প্ৰতিহত কৰাৰ বাবে আমাৰ সন্মিলিত প্ৰচেষ্টা লাগিব। এই বিভাগটোক যে আৰু অধিক ধন দিয়াৰ প্ৰয়োজন আছে বিৰোধী পক্ষৰ মাননীয় বিধায়কসকলৰ বক্তব্যত এই কতাখিনি প্ৰকাশ হৈছে। এইক্ষেত্ৰত মই সকলো সদস্যৰ সহায় সহযোগিতা বিচাৰিছো লগতে তেখেতসকলক পুনৰ ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতসকলৰ যিটো কৰ্ত্তন প্ৰস্তাৱ তাৰ মাধ্যমেৰে আমাৰ যিটো সংসদীয় পদ্ধতি, চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে যিটো আনুস্থানিকতা সেইটো সম্পূৰ্ণ হৈছে গতিকে মই তেখেতসকলক অনুৰোধ জনাম যাতে কৰ্ত্তন প্ৰস্তাৱটো উঠাই লয়। অসমত ভয়াবহ ৰূপ ধাৰণ কৰা , বান সমস্যা, গড়াখহনীয় সমস্যাৰ মোকাবিলা তথা সমাধান কৰিবলৈ যাতে আমাক প্ৰয়োজনীয় সহায় সহযোগিতা আগবঢ়ায়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আমাৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিলে। এতিয়া যিসকলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছিল- শইকীয়া ডাঙৰীয়া, হাফিজ বছিৰ আহমেদ ডাঙৰীয়াক দুয়োটা কৰ্ত্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰাৰ সন্মতি দিয়া হ'ল।

**শ্ৰীকমলাক্ষ দে পুৰুকায়স্থ ঃ** অধ্যক্ষ মহোদয়, কালি মই যিটো কৈছিলো- MNR ৰ ২০১২-১৩ৰ Revenue Departmentৰ টকাটো কৰিমগঞ্জৰ চীফ ইঞ্জিনিয়াৰলৈ গৈছিল, এতিয়াও তাতে পৰি আছে। এই ক্ষেত্ৰত যাতে চৰকাৰে সোনকালে এটা ব্যৱস্থা লয়।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় বিধায়ক মহোদয়ে দৃষ্টিগোচৰ কৰা বাবে ধন্যবাদ জনালো। বিষয়টো লিখিতভাবে দিলে সু বিধা হ'ব।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** ঠিক আছে- এতিয়া আব্দুল খালেক ডাঙৰীয়া।

**শ্ৰীআব্দুল খালেক ঃ** মাননীয় মন্ত্ৰী মহোদয় মই মন্ত্ৰী মহোদয়ক এটা কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছো- উকাজান সত্ৰৰ ব্ৰীজৰ মেৰামতিৰ বাবে ৩ বছৰ ধৰি নাজিৰা মহকুমাই প্ৰস্তাৱ দি আহিছে । কিন্তু এতিয়ালৈকে সেইটো হৈ উঠা নাই। আমাৰ ডি আৰ এচ চি, ৰৰ্কছৰো ৰিক'মৈণ্ডেশ্যন আছে। নাজিৰা সমষ্টিৰ বিধায়ক শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াই এই সন্দৰ্ভত ১৮ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী মহোদয়লৈ এখন পত্ৰ লিখিছে। এই পত্ৰৰ প্ৰতিলিপি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক দিছো আৰু এটা কথা অধ্যক্ষ মহোদয়- ভূটানে কুৰিশু নদীৰ বান্ধ এৰি দিয়াৰ ফলত বৰপেটা জিলাত ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই ক্ষেত্ৰত অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত বিষয়টো টেক

আপ কৰিব লাগে যাতে অসমক অৱগত নকৰাকৈ যেতিয়াই তেতিয়াই পানী এৰি দিব নোৱাৰে কাৰণ ইয়াৰ ফলত যথেষ্ঠ গড়াখহনীয়াৰ সৃষ্টি হয়। অধ্যক্ষ মহোদয় গড়াখহনীয়াৰ বাবে যিবোৰ বান্ধ আছে এতিয়া আমি বহুমুখী বান্ধৰ কথা ভাবিব লাগে। কৰ্ত্তন প্ৰস্তাৱটো অধ্যক্ষ মহোদয় এটা সংসদীয় প দ্ধতিৰ অংশ। আচলতে জলসম্পদ বিভাগৰ টকা কৰ্ত্তন কৰা নহয়। আমি বৃদ্ধি কৰাৰহে পক্ষপাতী। বাজেটত পৰ্য্যাপ্ত ধন ধাৰ্য্য কৰা নাই বুলি আমি ভাবো। আমি আশা কৰিছো আগন্তুক দিনত এই বিভাগৰ বাবে চৰকাৰে যাতে আবন্টিত পুঁজি বৃদ্ধি কৰে। এইখিনি কৈ মই কৰ্ত্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নেক্সট হাফিজ বছিৰ আহমেদ।

**শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত কিছুমান কথা কৈছো তাৰ ভিতৰত এটা কথা আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। তথাপি এইটো অলপ দূৰ্ভাগ্যজনক যে আমাৰ নৈৰ ইৰোজন হৈ আছে আৰু টকাও আমাৰ হাতত আছে। আমি তাক কিন্তু সময়মতে খৰচ কৰিব পৰা নাই। যাতে এই বিষয়ত চৰকাৰে কিবা এটা মেকানিজিম কৰে যাতে সময়মতে টকাটো ইউটিলাইজ কৰিব পাৰো। টকাটো আমাৰ হাতত থাকিল কিন্তু ৰাইজে দূৰ্ভাগ্যৰ সন্মূখীন হ'বলগীয়া হ'ল। এই বিষয়ে মন্ত্ৰী মহোদয়ক পদক্ষেপ ল'বলৈ আহ্বান জনাইছো আৰু এটা কথা অধ্যক্ষ মহোদয়- অসমৰ বান আৰু গড়াখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ডিক্লিয়েৰ কৰাৰ কাৰণে আগৰ চৰকাৰৰ দিনত এই সদনত সৰ্ব্বসন্মত প্ৰস্তাৱ লৈ সৰ্ব্বদলীয় দল কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ গৈছিল। গতিকে মই অধ্যক্ষ মহোদয় পুনৰ অনুৰোধ জনাইছো যাতে এইখন চৰকাৰৰ কাৰ্য্যকালতো সদনত এটা সৰ্ব্বসন্মত প্ৰস্তাৱলৈ সৰ্ব্বদলীয় দল গঠন কৰি যদি কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ বা প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ ওচৰলৈ আমি যাও তেন্তে ভাল হ'ব। আমাৰ বান আৰু গড়াখহনীয়া যদি Natural Calamity হিচাপে ৰাষ্ট্ৰীয় সমস্যা হিচাপে অৰ্ন্তভূক্ত হয় তেতিয়া পুঁজি পোৱাত আমাৰ বাবে সহজ হ'ব। এই ক্ষেত্ৰত মই আশা কৰিছো মন্ত্ৰী মহোদয়ে এটা পজিটিভ পদক্ষেপ ল'ব এইখিনি কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য ঃ** অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই যিখিনি কথা কৈছেময়ো এই ক্ষেত্ৰত ব্যাক্তিগতভাৱে একমত আমি দেখিছো যে Natural Disaster যিটো আছে তাত কিন্তু Sea Erosion Related কিন্তু River Erosion. ৰ সম্পৰ্কে কোনো পদক্ষেপ নাই। যদি আমাৰ সদনে সৰ্ব্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ লয় সেই প্ৰস্তাৱ আমি সকলোৰে ভাবো যে গ্ৰহণযোগ্য হ'ব।

**শ্ৰীআব্দুল খালেক ঃ** আমি এহ প্ৰস্তাৱৰ সপক্ষে।

**মাননীয় অধ্যক্ষ ঃ** I think we are raising this issue since 1987-88-90 because at that time I was also there. আমি এইটো সদায়েই কৈছো যে কিয় আমাক এইটো neglect কৰি আহিছে। মই ভাল পাইছো। পিচত আলোচনা কৰি এটা সিদ্ধান্ত ল'ম। এতিয়া নেক্সট...।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও আমাৰ দলৰ পৰা কৰ্ত্তন প্ৰস্তাৱত আমি সমৰ্থন কৰিছো কিন্তু ৱাটাৰ ৰিৰ্চোছ ডিপাৰ্টমেন্টৰ অধিক ফাণ্ডৰ প্ৰয়োজন আছে। মেজৰ ডিপাৰ্টমেন্ট হিচাপে মই মেম্বাৰছ আৱাৰতো উত্থাপন কৰিছিলো। কিন্তু এতিয়ালৈ কামবোৰ হৈ উঠা নাই। মন্ত্ৰী মহোদয়ৰ মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে মোৰ সমষ্টিতো গড়াখহনীয়া হৈছে। ব্ৰহ্মপুত্ৰ, জলজলী, শিংৰা নদীৰ দ্বাৰা বৃহৎ অঞ্চল গড়াখহনীয়াৰ কবলত পৰিছে। অতি শোচনীয় অৱস্থা হৈছে। এটা

ব্যৱস্থা সোনকালে কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** শ্ৰীমতী নন্দিতা দাস- আপুনি বেয়া নাপাব- মই যেতিয়া শ্বেৰমান আলিৰ নাম মাতিছিলো তেতিয়া ক'ব বিচাৰিলে দিব পাৰিলোহেঁতেন । এই বিষয়ে আলোচনাটো শেষ হৈছে। আপোনাৰ যদি কিবা থাকে তেন্তে লিখিতভাৱে দিব পাৰিব। আজি এই বিষয়টো আলোচনা কৰিবলৈ সময় আছিল। মোৰ লিষ্টখন exhaust হ'ল আপোনালোকৰ কোনোবাই ক'ব বিচাৰিলে ক'ব পাৰিলেহেঁতেন কিন্তু কোনেও নক'লে সেইকাৰণে বন্ধ কৰিলো। পিছত আপোনলোকে ক'ব পাৰিব। নিয়মটো হৈছে কৰ্ত্তন প্ৰস্তাৱ যিসকলে দিয়ে- তেওলোকে যদি প্ৰস্তাৱটো কৰ্ত্তন কৰে তাৰ পিছত আৰু কোনো কথা নাথাকে। আমি ৰুলমতে যাব লাগিব। এতিয়া কৰ্ত্তন প্ৰস্তাৱটো প্ৰত্যাহৰত সদনৰ সন্মতি আছে বুলি ধৰি লৈ মই কৰ্ত্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল বুলি ঘোষণা কৰিলো। এতিয়া দাবি মঞ্জুৰীৰ প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিছো। ২০১০ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত জলসম্পদ সৰ্ম্পকীয় কেতবোৰ ব্যয় বহণ কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১ হাজাৰ ৬৬ কোটি ৭২ লাখ ৯৪ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে। যিসকল মাননীয় সদস্য-সদস্যাই এই প্ৰস্তাৱৰ সপক্ষে আছে তেওলোকে কওক 'হয়' যিসকলে বিপক্ষে আছে তেওলোকে কওক 'নহয়'।- মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে, গতিকে প্ৰস্তাৱটো গৃহীত হৈছে। দাবী মঞ্জুৰী নং-৬৩ টো গৃহীত হ'ল বুলি মই ঘোষণা কৰিছো।

**শ্ৰীআব্দুল খালেকঃ** অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে। তৰাবিহীন প্ৰশ্ন নং-৩১৩। মোৰ প্ৰশ্নটো আছিল-২০১৮-১৯ চনত অসম বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ কাৰ্য্যবাহী পৰিষদৰ সভাখন কেতিয়া কেতিয়া অনুষ্ঠিত হৈছে- তাত কোন কোন উপস্থিত আছিল। মন্ত্ৰী মহোদয়ে মোৰ উ্তৰত জনালে যে-২০১৮ চনৰ ১৩ চেপ্টেম্বৰত এখন বৈঠক অনুষ্ঠিত হৈছে আৰু ২০১৯ চনৰ ২১ ফেব্ৰুৱাৰীত আহ্বান কৰা হৈছে। কিন্তু লগত যিবিলাক ডকুমেন্ট গাঁথি দিয়া হৈছে পৃষ্ঠা নং-৯ মন্ত্ৰী মহোদয়ে চালে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** নাই, এতিয়া নাচাব। ৩১৮ টো কৈছিলে মই লিখি ৰাখিছিলো। আপুনি তেতিয়াই ক'ব লাগিছিলে।

**শ্ৰী আব্দুল খালেক ঃ** তাতে লিখা আছে যে ১১-০২-২০০৯ চনতে নীতিখন আহ্বান কৰা হৈছিল। ইয়াতে উত্তৰত কলে ২১ ফেব্ৰুৱাৰীত আৰু তথ্য গাঁঠি দিলে ১১ ফেব্ৰুৱাৰী। গতিকে অধ্যক্ষ মহোদয়, ২০১৮ চনৰ ১৩ ছেপ্তেম্বৰ এই বিধান সভাৰ পৰা মই কোৰ্টৰ সদস্যৰ তাতে Executive Council ৰ সদস্য, মোক কিন্তু আহ্বান কৰা নহ'ল।

**মাননীয় অধ্যক্ষ ঃ** I think, আপোনাক দিছো, আপুনি সুযোগটো বেছিকৈ নলব। মোৰ কথাটো এনেকুৱা আপুনি Unstarred question 318ৰ কথা Point of Orderত উল্লেখ কৰিছিল, তেতিয়া হয়তো আপোনাৰ এইটো চকুত নপৰিল, পৰিছে এইটো দৰকাৰী কথা মই সেইকাৰণে নোট কৰি ৰাখিছো পিছত আমি এইটো ঠিক কৰিম। এতিয়া মঞ্জুৰী নং ৫৬ আৰু মঞ্জুৰী নং ৫৭ দুয়োটা একেলগ কৰি দিয়া হৈছে, এটা পঞ্চায়ত আৰু এটা গ্ৰাম্য উন্নয়ন। এই দুয়োটাই club কৰা হৈছে together 56 & 57, এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক, মন্ত্ৰী ডাঙৰীয়া নাই বোধকৰো, তেখেতে চুটি লৈছে আজি, আমাৰ Parliament Affairs Minister তেখেতক মই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Hon'ble Speaker, Sir, on the recommendation of the Governor of Assam, I beg to move that a some of Rupees

281385.02 Lakhs be granted to the Minister in-charge to defray the charges which will come in course of payment during the year 31st March, 2020 for the Administration of Rural Development(Panchayat).

Hon'ble Speaker :- তাৰ পিছৰটো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Grant No. 57, I like to move, Hon'ble Speaker Sir, on the recommendation of Governor of Assam, I beg to move that a some of Rupees 321819.10 Lakhs be granted to the Minister in-charge to defray the charges, which will come in course of payment during the year of 31st March,2020 for the Administration of Rural Development.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৩ টা কৰ্তন প্ৰস্তাৱ আছে, প্ৰথমতে, দেৱব্ৰত শইকীয়াৰ হৈ আব্দুল খালেক ডাঙৰীয়াই উত্থাপন কৰিব।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই দুয়োটা মঞ্জুৰীৰ যি ধন ধাৰ্য্য কৰা হৈছে তাৰে এটকালৈ হ্ৰাস কৰিব লাগে বুলি মই প্ৰস্তাৱ উত্থাপন কৰিছো আৰু দুই লাইনমান কবলৈ খুজিছো যদি আপুনি অনুমতি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** দিম, প্ৰস্তাৱটো এতিয়া উত্থাপন কৰা বুলি ধৰি লওঁক। তেখেতৰ প্ৰস্তাৱটো উত্থাপন বুলি ধৰি ল'ব পাৰোনে, একেলগে কৰা হৈছে বুলি ?

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** হয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আপুনি আৰম্ভ কৰক।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কমলাক্ষ দে পুৰকায়স্থই কব, মই দুটামান লাইনহে কব খুজিছো। অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক দুটা লাইন নহয় দহটা লাইনেই দিছো।

**শ্ৰী আব্দুল খালেক ঃ** বেছিকৈ তেওঁহে কব চাৰ। মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰাম্যউন্নয়ন বিভাগ এটা গুৰুত্বপূৰ্ণ বিভাগ। কাৰণ আমাৰ ৰাজ্যৰ অধিকাংশ এলেকা গ্ৰাম্য এলেকা। অধ্যক্ষ মহোদয়, এই সদনত মই কিছুদিন পূৰ্বে এখন ব্যক্তিগত বিধেয়ক আনিছিলো, যে আমাৰ পঞ্চায়তীৰাজ ব্যৱস্থাত আমাৰ গাওঁপঞ্চায়তৰ সভাপতি সকলক ৰাইজে প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰে। কিন্তু, পঞ্চায়ত আইনখনত এটা ব্যৱস্থা আছে যে সদস্য সকলে ইচ্ছা কৰিলে সেই সভাপতি বা সভানেত্ৰী গৰাকীক অনাস্থা দিব পাৰে। অধ্যক্ষ মহোদয়, এই আইনখন যিহেতু ক্ৰুতিপূৰ্ণ গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো ভৱিষ্যতৰ কাৰণে হওঁক সভাপতি জনক সদস্য সকলৰ পৰা নিৰ্বাচন কৰক নহ'লে এই অনাস্থা প্ৰভিজনটো নাইকিয়া কৰিব লাগে। অধ্যক্ষ মহোদয়, ইয়াৰ আগৰ চৰকাৰে শেষৰ পিনে ৪৯ টা নতুন উন্নয়ন খণ্ড গঠন কৰিছে আৰু উন্নয়ন খণ্ড সমূহৰ পুনৰ গঠনৰ প্ৰয়োজনীয়তাও আছে। চৰকাৰে যোৱা আঢ়ৈ বছৰে আমাক সদনত জনাই আহিছে যে এই সন্দৰ্ভত কমিটি গঠন কৰা হৈছে। এই উন্নয়ন খণ্ড সমূহৰ উপৰি আৰু কিছু উন্নয়ন খণ্ডৰ দাবী অহা বুলি কৈছে। আঢ়ৈ বছৰ সময় চাৰ, যথেষ্ট সময়। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যে ৪৯ টাই যদি পাৰে ভাল কথা, নোৱাৰিলে অন্তত যিখিনিয়ে পাৰে এতিয়া ধৰক চাৰ, মন্দিয়া উন্নয়ন খণ্ড বৰপেটা জিলাত, অসমৰ ভিতৰতে আটাইতকৈ ডাঙৰ উন্নয়ন খণ্ড। ২৭ খন পঞ্চায়ত আছে তাত। এই বাঘবৰৰ ১৯ খন আৰু

জনিয়া সমষ্টিৰ ৮ খন। ইতিমধ্যে আমি দেখিছো বহুত ঠাইত যে ৭ খন, ৮ খন পঞ্চায়ত বোলে একোখন উন্নয়ন খণ্ড হয়। জনিয়াৰ এই ৮ টা পঞ্চায়ত মিলাই, আগতেও চৰকাৰে এটা উন্নয়ন খণ্ড অধিসূচনা যোগে ঘোষণা কৰিছে। গতিকে এই জনিয়া উন্নয়ন খণ্ডটো যাতে বাস্তৱত ৰূপায়িত হয় আৰু এতিয়া যি গৰাকী মন্ত্ৰীয়ে উত্তৰ দিব তেখেতেও ভালকৈ জানে জনিয়াৰ বিষয়ে। তাত সত্ৰ আছে, গতিকে এই ৮ খন, জনিয়াৰ কথা মই উল্লেখ কৰিছো বিশেষভাৱে, তদুপৰি ভাত্নাপাতিও এখন উন্নয়ন খণ্ড ঘোষণা কৰিছিল, হাউলিত এটা উন্নয়ন খণ্ড Notification কৰিছিল। এই উন্নয়ন খণ্ডসমূহ কাৰ্য্যকৰী কৰিবলৈ মই অনুৰোধ জনাইছো। আৰু চাৰ, আটাইতকৈ যিটো ডাঙৰ কথা MGNREGA ৰ কাম, মই বাকী জিলাৰ কথা নাজানো যদিও MGNREGA ৰ কাম যি সকলে কাম বিচাৰে তেওঁলোকে পাব লাগে আৰু গাওঁ সভাত যিবোৰ কাম গৃহীত হয় সেইবোৰ ৰূপায়িত হব লাগে। কিন্তু, অঘোষিত হয়, অপ্ৰিয় সত্য, সকলো দুৰ্নীতিৰ প্ৰমাণ নাথাকে। কিন্তু, অপ্ৰিয় সত্য যে MGNREGA ৰ কামৰ কাৰণে এটা বিশেষ শতাংশ নিদিলে MGNREGA ৰ কাম সমূহ মূকলি হৈ নাহে, sanction সমূহ নাপায়। গতিকে এনেকুৱাকৈ mechanism কৰিব পাৰে, মই কাকো দোষাৰোপ কৰিব বিচৰা নাই। যিটো ধন আমাৰ কৰ্মৰ সৃষ্টি কৰিবলৈ, ১০০ দিনৰ নিশ্চিত নিয়োগ আঁচনি, সেই নিয়োগ যাতে পাই সেই ব্যৱস্থা কৰিবলৈ দিয়া হৈছে। গতিকে তেনেকুৱা এটা mechanism চৰকাৰক সৃষ্টি কৰিবলৈ মই আহ্বান জনাইছো আৰু জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সমূহ, আমাৰ নিৰ্বাচন হৈ গ'ল, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, গাওঁ পঞ্চায়ত সমূহে দায়িত্ব গ্ৰহণ কৰিলে। গাওঁ পঞ্চায়ত বাৰু MGNREGA ৰ ধনৰে চলি থাকে কাম-কাজবোৰ। এতিয়া চতুৰ্দশ বিত্তীয় আয়োগ সেইটোৰ পৰাও গাওঁ পঞ্চায়তে ধন পাই আছে। কিন্তু Practically চাৰ, জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত নিস্ক্ৰিয় হৈ থাকিব লগীয়া হয়। কাৰণ যি আভ্যন্তৰীণ ৰাজহ তেওঁলোকে পায় সেই ৰাজহৰে জিলা পৰিষদ বা আঞ্চলিক পঞ্চায়তৰ পক্ষে কাম-কাজ চলোৱাটো কঠিন। দেখা গৈছে বিগত দিন সমূহত, আগতে DDP ৰ অধীনত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সমূহে উন্নয়ন মূলক কাম-কাজৰ সুবিধা পাইছিল। তাৰ আগতে DPC আছিল, DPC এতিয়াও আছে। এতিয়া মই অন্য জিলাৰ কথা নাজানো বৰপেটা জিলাত দেখিছো DPCৰ বৈঠকে অনুস্থিত নহয়। DPCৰ হৈ কোনে Approved কৰে ভগবানে জানে, যোৱা আঢ়ৈ বছৰত বৰপেটা জিলাত কোনো DPCৰ কোনো বৈঠকে অনুস্থিত হোৱা নাই। DPC (District Planning Committee) ৰ বৈঠক সমূহ নিয়মীয়াকৈ অনুস্থিত হ'ব লাগে। মই জনাত বিধায়ক সকলে তাৰে সদস্য। জিলা পৰিষদৰ সদস্য সকলেও সদস্য, কিন্তু তেওঁলোকে নাজানে। সেই কাৰণে অধ্যক্ষ মহোদয়, DPCৰ বৈঠক সমূহ যাতে regular হয় সেইটোৰ বাবে মই অনুৰোধ জনাইছো আৰু জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সমূহৰ আমাৰ ৰাজ্যিক বিত্ত আয়োগ আছে, ৰাজ্যিক বিত্ত আয়োগে যাতে জিলা পৰিষদ সমূহকো পোন পতীয়াকৈ কিছু ধন দিয়াৰ ব্যৱস্থা কৰে, আঞ্চলিক পঞ্চায়ত সমূহকো যাতে কিছু ধন দিয়াৰ ব্যৱস্থা কৰে, সেই বিষয়টো মই চাবলৈ অনুৰোধ কৰিছো। মই এইখিনিয়ে কৈ ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ যিটো কৰ্তন প্ৰস্তাৱ অনা হৈছে তাৰ সমৰ্থনত কব দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। অলপ আগতে আমাৰ বিৰোধী দলৰ বিধায়ক খালেক ডাঙৰীয়াই যিটো কথা কলে চাৰ, পঞ্চায়ত আইন সম্পৰ্কে কথাটো হয়। পঞ্চায়ত আইন খনতে ভুল আছে। যি

সকল মানুহে ভোট দিয়ে, সভাপতি জনক কিন্তু তেওঁলোকে ভাঙিব নোৱাৰে, ভাঙে মেম্বাৰ সকলে। পঞ্চায়ত আইন খন যেতিয়া যোৱাবছৰ Amend কৰা হয় তেতিয়া আমি এই কথাটো উত্থাপন কৰিছিলো, এতিয়া যিটো শিক্ষাগত অৰ্হতা বনাই দিয়া হ'ল, এইটো ঠিক আছে। কিন্তু মেম্বাৰ সকল Under matric. President জন Matric pass. অনস্থা প্ৰস্তাৱ দি ভাঙি দিয়াৰ পিছত এই Vice-President জন আকৌ মেম্বাৰৰ পৰা হয় Under matric মানুহ, তেওঁ আকৌ গৈ পিছত President হৈ যাব পাৰে। আইন খনত মানে বিসংগতি আছে। বহুত বিসংগতি আছে, আৰু যেতিয়া আইনখনৰ Amendment আনিছিল তেতিয়া খুউব বাক বিতণ্ডা হৈছিল আমি চৰকাৰক কৈছিলো যে আইনখন পুংখানুপুখংভাবে অধ্যয়ন কৰি পুনৰবাৰ এটা Amendment আনিব লাগে তেতিয়া চৰকাৰে কৈছিল আনিব আজিলৈকে অনা নাই। গতিকে এই কথাটো অলপ গুৰুত্ব সহকাৰে লোৱাটো ভাল, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন এই বিভাগটো এটা বিয়াগোম বিভাগ আৰু বহুত ডাঙৰ বিভাগ। আমাৰ অসমত প্ৰায় ২৬ হাজাৰখন গাওঁ আছে আৰু ২০১১ ৰ Census report তাৰ মতে ৮৬ শতাংশ মানুহ আমাৰ গাওঁ অঞ্চলত বাস কৰে। তাৰ মানে আমাৰ এযাৰ কথা আছে যে Service to man means service to God এই বিভাগটোৱে ৰাইজক সেৱা কৰাৰ প্ৰচুৰ সুবিধা পায়। কাৰণ ৮৬ শতাংশ Population falls under this deptt. গতিকে এইটো এটা প্ৰকাণ্ড বিভাগ, মই নিজে গাওঁ অঞ্চলৰ লৰা আমি গাওঁ অঞ্চলত যেতিয়া দেখো পঞ্চায়ত বিলাক ক'ত সীমাবদ্ধ, পঞ্চায়ত বিলাক অকল MGNREGA, 14th Finance এই বিলাকত সীমাবদ্ধ। ইয়াৰে বাহিৰে আমি যদি চাওঁ তেতিয়া হলে দেখা পাম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত বহুত ধৰণৰ আঁচনি আছে, কেন্দ্ৰীয় চৰকাৰৰ আঁচনি ইয়াৰ জৰিয়তে implement কৰা হয়। বহুত ভাল ভাল আঁচনি সমলোচনা কৰিবলৈ কোৱা নাই, মানে দেশখনক, ৰাজ্যখনক আগুৱাই নিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি বিলাক আঁচনি লয় State Govt. য়ে যি বিলাক আঁচনি লয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত বহুত এনেকুৱা ধৰণৰ আঁচনি আছে। এটা মই উদাহৰণ দিওঁ National Rurban Mission এই শব্দটো শুনিবলৈ ভাল, মানে Rural & Urban মিলি Rurban নতুন শব্দ সৃষ্টি কৰা হৈছিল কিমান ভাল শব্দ এইটো আৰু আঁচনিটো ভাল। তাৰ পিছত প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীন, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান, National Social Assistance Programme, দীন দয়াল গ্ৰামীণ কৌশল যোজনা, MGNREGA, এনেকুৱা কেইবাটাও ভাল ভাল আঁচনি এই বিভাগৰ অধীনত ৰূপায়ন কৰা হয়। অধিকাংশ আঁচনিয়ে কেন্দ্ৰীয় চৰকাৰৰ, যদি কেন্দ্ৰীয় চৰকাৰৰ আমি সমালোচনা কৰা নাই। কাৰণ কেন্দ্ৰীয় চৰকাৰৰ আঁচনি, State govt. য়ে প্ৰত্যকখন ৰাজ্যৰ নিজৰ নিজৰ লাইনত Implement কৰে ভাল কথা কিন্তু আজিৰ তাৰিখলৈ আমি যদি চাওঁ তেতিয়া হলে দেখা পাম যে পঞ্চায়তত এই বিলাক আঁচনি আছে, এই বিলাক আঁচনি কাৰ্য্যকৰী হয়, কাৰ্য্যক্ষম হয়, এই বিলাক আঁচনিৰ against ত যে বাজেট Allocation হয় সাধাৰণ মানুহটো বাদে দিয়ক প্ৰতিনিধি সকলকো অৱগত কৰা নহয়। সাধাৰণ মানুহৰ ধাৰণা পঞ্চায়ত মানে পঞ্চায়ত অফিচটোত গলে MGNREGA ৰ কাম পাব, 14th Finance ৰ কিবা বিল্ডিং পাব ইমানেই। মই মাত্ৰ দুটা বা তিনিটা উদাহৰণ দি শেষ কৰিম, National Rurban Mission মই কৈছো শুনিবলৈ ভাল লাগে চাৰ শব্দটো। আমাৰ যোৱা ২২ ফেব্ৰুৱাৰী ২০১৬ ত প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ ৰাজনন্দন গাওঁ ছত্তীশগড়ত এই আঁচনিটো আৰম্ভ কৰিছিল। তাৰ আগতে ২০১৪-২০১৫ ত কেন্দ্ৰীয় চৰকাৰৰ বাজেটত এই সম্পৰ্কে পুঁজি ধাৰ্য্য কৰা হৈছিল, আমি যদি এটা data চাওঁ এই আঁচনিটো চৰকাৰে আনিবলৈ কিয় ভাবিলে, কিয় চৰকাৰে ধাৰণা কৰিলে যে এনেকুৱা এটা আঁচনি

আমাক লাগে। Rural & Urban Area ৰ মাজত বহুত gape আছে, বহুত পাৰ্থক্য ৰাতি দিনৰ পাৰ্থক্য development ৰ ক্ষেত্ৰত সেই কাৰণে চৰকাৰখনে ভাবিলে যে Rural & Urban দুয়োটা Connect কৰিব লাগে। সেই কাৰণে এই প্ৰজেক্টটোৰ নাম দিয়া হল National Rurban Mission আমাৰ গোটেই ভাৰতবৰ্ষত বিদ্যুতৰ ৬৮ শতাংশ ২০১১ ৰ census report মতে ৬৮ শতাংশ Rural population আছে, আৰু অসমত আছে ৮৬ শতাংশ আপোনাৰ তাৰ ভিতৰত ৯৩ শতাংশ Urban household ত বিদ্যুৎতৰ ব্যৱস্থা আছে। কিন্তু Rural ত আছে ৫৫ শতাংশ বিদ্যুতৰ ব্যৱস্থা আছে। তাৰ পিছত ৭১ শতাংশ Urban household have pipe water connection আমি যিটো Tape water বুলি কওঁ। আৰু Rural ত আছে মাত্ৰ ৩৫ শতাংশ এই যে চাৰ gape ৯৩ শতাংশ Urban মানুহৰ ঘৰৰ বিদ্যুৎ, ৫৫ শতাংশ Rural মানুহৰ ঘৰত বিদ্যুৎ ৭১ শতাংশ Urban মানুহৰ ঘৰত Tape water ৩৫ শতাংশ আৰু Rural মানুহৰ ঘৰত Tape water আছে, এই gape টো কমাবৰ কাৰণে আছে Rurban, Rural & Urban এইটো ভাল আঁচনি চাৰ, কিন্তু আমি যদি কাৰ্য্য ক্ষেত্ৰত দেখা পাওঁ ইতিমধ্যে মই উনুকিয়াই গৈছো যে কাৰ্য্য হোৱাটো দূৰৰ কথা অৰগত বহুত ক্ষেত্ৰত হোৱা নাই। এই আঁচনিৰ জৰিয়তে প্ৰায় ১৪ টা বিষয় চৰকাৰ খনে সাঁমৰি লয় বহুত ভাল ভাল বিষয় মই স্বীকাৰ কৰিছো। Skill Development Traning to link Economic Activities, Agro Processing, Agro Services, Storage and Warehouse, Fully Equipped Mobile Health Unit ইমান ভাল কথা আমি গাঁওৰ নাজানো এই বিলাক কথা জনাবলৈ চৰকাৰে step ল'ব লাগে কিন্তু নলয়। Up-gradation of School/Higher Education facilities, Sanitation, Provision of pipe water supply, Solid & Liquid waste management, Up-gradation of village streets & drains, Street light, Inter village road connectivity, Public Transport, LPG connection, Digital literacy & Citizen service centre for Electornic delivery of Citizen centric services, Gram connectivity etc. এই বিলাক ইমান ভাল আঁচনি গতিকে চৰকাৰখনে যদি এই বিষয়টো ধনাত্মক দিশত আগুৱাই লৈ যায়, জনসাধৰণক প্ৰত্যক্ষ ভাবে জনায় তেনেহলে মোৰ বোধৰে ভাল হব। ইয়াত চৰকাৰ বিৰোধীৰ কোনো কথা নাই, অসমখনৰ উন্নয়নৰ কথা, দ্বিতীয় এটা কথা হ'ল আমি যদি চাওঁ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত National Social Assistance Progrmme আছে, এইটো এটা ভাল Progrmme। National Social Assistance Progrmme এইটো ১৫ আগষ্ট ১৯৯৫ তেতিয়াৰ কেন্দ্ৰীয় চৰকাৰে উদ্বোধন কৰিছিল । তেতিয়াৰ পৰা এই আঁচনিটো বিভিন্ন নামেৰে বিভিন্ন ৰাজ্যত বা কেন্দ্ৰত চলাই থকা হৈছে। কিন্তু মূলত এইটোৱে Article 41 আৰু Article 42 সংবিধানৰ এই দুটাক base কৰি National Social Assistance Progrmme বনোৱা হৈছিল। ইয়াৰ object খিনি ভাল National Social Assistance Progrmme is a Social Security and Welfare Progrmme to provide support to Aged pension, Aged persons, Widows & Disable persons etc. তাৰ মানে আমাৰ যে চৰকাৰখনে বৃদ্ধ পেঞ্চন দিয়ে, বিধৱা পেঞ্চন দিয়ে, এইটো এই আঁচনিখনৰ অধীনস্থ । এইটো ভাল আঁচনি এতিয়া কথাটো হল কি আমি যেতিয়া বাজেট ভাষণ শুনো আৰু মন্ত্ৰীয়ে যেতিয়া বুকু ফুলাই ফুলাই ভাল ভাল ভাষণ কয় আমি ভাবো মাৰাত্মক কথা কৈ আছে, কৰ পৰা অনা হৈছে, আচলতে এই বিলাকৰ পৰা

অনা হয় বস্তু বিলাক। MGNREGA আঁচনিখনক বেছি গুৰুত্ব দিয়া হয়, বিষয়টোত গুৰুত্ব দিবও লাগে, কিন্তু বাস্তৱত আমি যদি চাওঁ MGNREGA এটা আইনৰ মেৰপাক আৰু মায়াজাল। গোটেইখন আইনৰ মেৰপেচ। মই আইনৰ ছাত্ৰ আছিলো, ভাৰতবৰ্ষৰ বাহিৰত মই International Journalচাই Check কৰি মই দেখিছো MGNREGA ক খুব Appreciate কৰা হয়। মানে ভাৰতবৰ্ষৰ বাহিৰত এইটো এটা খুবেই ভাল আঁচনি বুলি প্ৰমাণ কৰা হৈছে। কাৰণ লিখিবলৈ খুব ভাল কিয় ভাল Article 21 of the Indian Constitution, ইয়াত Include হয় , Right to life, Article 60 ত Right to equality ইয়াত Include হয়, Article 46 of the Indian Constitution relates promote to work for upliftment of the Downtrodden Society Include হয়। এই যে ভাৰতবৰ্ষৰ সংবিধানৰ Article বিলাক আছে, Article বিলাকক আধাৰ কৰি এই MGNREGA বনোৱা হৈছিল আপোনাৰ ২০০৫ ত । উদ্বোধন কৰা হৈছিল ২০০৬ ৰ ২ ফেব্ৰুৱাৰীত মই কৈছো যে ইমান ভাল ভাল সংবিধানৰ প্ৰভিজন বিলাক আনি এইটো বনোৱা হৈছে, দেখিবলৈ ইমান ভাল লাগে ৰূপত যেনেকৈ ফুল দানি সজাই থকা দেখিলে ৰুমটো শুৱনি যেন লাগে। কিন্তু বাস্তৱত এটা ভংয়কৰ আঁচনি চলি আছে MGNREGA ত।

( সভাপতিৰ আসনত শ্ৰী ৰাজেদ আলি চৌধুৰী উপবিষ্ট )

১০০ দিনৰ কাৰণে জীৱিকা, এইটো আছিল প্ৰজেক্ট আৰু মেইন উদ্দেশ্য । ১৮২ টকা দিয়া হয় এজন জব কাৰ্ড হ'ল্ডাৰৰ বিপৰীতে । এই প্ৰশ্নটো মই এচেম্বলীত আনিছিলো, ডিপাৰ্টমেন্টক জনাইছো, মাননীয় মন্ত্ৰীকো জনাইছো । মই স্বীকাৰ কৰো এইটো অসম চৰকাৰে সলনি কৰিব নোৱাৰে যিহেতু এইটো কেন্দ্ৰীয় আঁচনি । কিন্তু ১৮২ টকাত কোনো মানুহেই কাম নকৰে, এইটো চৰকাৰে মানি লব লাগে । গতিকে চৰকাৰৰ ফালৰ পৰা এটা প্ৰস্তাৱ যাব লাগে যে ১৮২ টকাত কোনো মানুহেই কাম নকৰে । এইবিলাক কাগজে-পত্ৰই লিখা কথা । জি, আৰ, এফ, পঞ্চায়তৰ সচিব আৰু বি, ডি,অ ' এই তিনিজনৰ এটা ডাঙৰ ঘোটালাৰ নেকচাস । মই আগৰ চৰকাৰ , বৰ্তমানৰ চৰকাৰ কাকো অভিযোগ কৰা নাই আৰু অফিচাৰ সকলৰ লগতো মোৰ কোনো ক্লেষ নাই । কিন্তু এইটো মানি লোৱাটো ভাল যে ১৮২ টকাত কোনো মানুহে কাম নকৰে , দিন হাজিৰা কাম কৰা মানুহকো ৪০০ ৰ পৰা - ৫০০ টকাকৈ দিব লাগে । মাননীয় সভাপতি মহোদয়, এই বিষয়টো হ'ল - এটা - এটা স্কীমৰ বিপৰীতে নিৰ্দিষ্ট কিছুমান জবকাৰ্ড চাবমিট কৰা হয়, জব-কাৰ্ডৰ বিপৰীতে একাউন্টত টকা সোমায়, জব-কাৰ্ড হোল্ডাৰে নাজানে কোনটো স্কীমৰ বিপৰীতে টকা সোমাইছে, তেখেতক হাজিৰা দিয়া হয় যে তোমাৰ একাউন্টত ইমান টকা সোমাইছে, তাত 'মেট' বুলি মানুহ এজন থাকে, ( আচলতে সেইজন 'মেট' নহয়, ঠিকাদাৰৰ হয়, যদিও সাংবিধানিক ভাৱে ঠিকাদাৰৰ প্ৰভিজন ইয়াত নাই )। জি, আৰ, এছ এ পইচা খায়, পঞ্চায়ত চেক্ৰেটাৰীয়ে পইচা খায় । মুঠতে ঘোটালাৰ এটা ডাঙৰ Nexsus । হাউচত ৰেকৰ্ডিং হৈ আছে । যদি মই প্ৰমাণ কৰিব নোৱাৰো তেনেহ'লে মই একশ্যন ফেচ কৰিম । যি জন জব-কাৰ্ড হোল্ডাৰ তেওঁ কিন্তু স্কীম সম্পৰ্কত সম্পূৰ্ণ অজ্ঞ । গতিকে চাৰ , এইটো গোটেই অসম বেচিচত Strictly enquiry কৰিব লাগে। অসমৰ এজন বিধায়কে অফিচাৰৰ বিৰুদ্ধে কোৱাটো মই নিবিচাৰো, কাৰণ তেওঁলোক চৰকাৰী কৰ্মচাৰী। অলপ আগতে চাৰ জলসম্পদ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত ক'লে যে Brahmaputra ৰ দুয়োপাৰে Express Highway বনোৱাৰ কথা আছিল । এই কথাটোৰ ওপৰতে মই কব বিছাৰিছো যে এইটো চাবৰ কাৰণে অসম চৰকাৰৰ এজন প্ৰাক্তন আমোলাই শদিয়াৰ পৰা ধুবুৰীলৈকে নৌকা

বিহাৰ কৰিছিল । এতিয়া তেওঁ এটা ৰাজনৈতিক দলত যোগদান কৰিছে আৰু শুনিছো কোনোবা সমষ্টিৰ পৰা হেনো এম পি খেলিব । তেখেতে শদিয়াৰ পৰা আহি আহি আমাৰ লক্ষীমপুৰতো গ'ল । ( এক-ডেৰ বছৰ আগৰ ঘটনা ) । পি, ডি, বি, ডি,অ' সকলো অফিচাৰকে মাতি কথা নাই, বতৰা নাই আধা কাম হোৱা আঁচনিসমূহ বন্ধ কৰি দিলে । আমি ৰাইজৰ প্ৰতিনিধি । মানুহে আহি আমাক ধৰে যে যদি বন্ধই কৰে তেনেহ'লে চেংশ্যন কিয় কৰিছে ? আধাহোৱা আঁচনিবোৰ কিয় বন্ধ কৰি দিলে ? ডি,চি, বি,ডি,অ' সকলে এইবোৰ কথা ঢুকি নাপায় । যিজন অফিচাৰৰ কথা কৈ আছিলো তেখেতৰ ভৰিৰ কঁপনিত অসম কঁপে । মই নিজেই ভুক্তভোগী । গতিকে চাৰ, যিটো উদ্দেশ্যত MGNREGA স্কীম বনোৱা হৈছিল, সেইটো উদ্দেশ্য পালন কৰাত বিফল হৈছে । MGNREGA ত আইনৰ কথাখিনি বাদ দি যদি অইন কথালৈ যাও, কিয় কৰা হৈছিল, পিচপৰা সূচাংক চাই এইটো নিৰ্ধাৰণ কৰা হৈছিল যে ক'ত ক'ত MGNREGA implement হ'ব । গোটেই দাতা মোৰ হাতত আছে । এতিয়া Backward index কিহৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল সেইটো কব বিচাৰিছো । Agriculture, Electricity, Drinking, Sanitation আৰু Banking এই ৫ টাৰ ওপৰত ভিত্তি কৰি মানুহবিলাক জৱ-কাৰ্ড হ'ল্ডাৰৰ অধিকাৰী হয়নে নহয় সেইটো ঠিক কৰা হৈছিল । তাৰ ওপৰত ভিত্তি কৰি এই আঁচনিবোৰ ধৰি কামবিলাক কৰা হৈছিল । ২০১৪ চনত কেন্দ্ৰত থকা বৰ্তমানৰ এন, ডি, এ চৰকাৰখনে অলপ Re-form কৰি লেবাৰ মেটেৰিয়েলৰ যিটো আগৰ ৰেচিঅ' আছিল ৬০ - ৪০ এইটো সলনি কৰি ৫১ ঃ ৪৯ । শুনিলে সভাপতি মহোদয় আচৰিত হ'ব যে এনেকুৱা কিছুমান বি ডি অ' আছিল যে মেটেৰিয়েল বানান নাজানে । এইবিলাক মানুহে ৰেচিঅ' কি বুজি পাব । বাস্তৱ কথা। ব্লক লেভেলত যিটো Block Development অফিচ থাকে, সেইটো এটা অনুষ্ঠান । গতিকে চাৰ, বহু বি ডিঅ' ক যদি চেক্ কৰে গমপোৱা যাব যে মেটেৰিয়েল বানান নাজানে, গতিকে ৰেচিঅ' মানে কি বুজি পাব । অসমখন যাতে সঠিক ভাৱে চলাবপৰা যায় তাৰ বাবেহে মই এই কথাবোৰ কৈছো । আগৰ গ্ৰামসেৱক বোৰ up-grade হৈ Panchayat Secretary হয়, Panchayat Secretary, up-grade হৈ in-charge BDO হয়, একো এটা বুজি নাপায় । গতিকে মোৰ চৰকাৰখনৰ প্ৰতি এটা অনুৰোধ থাকিল এইটো এটা ভাল institution হিচাপে গণ্য কৰি Well- equipped, well-trained officer তাত নিযুক্তি দিব লাগে । কাৰণ Development টো grass-root ত implement হ'বৰ কাৰণে Panchayat ৰ Secretary আৰু বিডিঅ' জন বহুত দৰ্কাৰী । সাধাৰণ মানুহে ডি,চিৰ ওচৰত যাবলৈ ভয় কৰে । তেওঁলোকে পঞ্চায়ত চেক্ৰেটাৰী আৰু বিডিঅ'ৰ ওচৰত যায় । ডি,চি জন আই এ এছ হয়, আৰু তেখেতৰ বহুত কাম থাকে । গতিকে সাধাৰণ মানুহে তেওঁক লগ কৰিবলৈ ভয় কৰে । গতিকে তেওঁলোকে পঞ্চায়তৰ চেক্ৰেটাৰী আৰু বিডিঅ' গৰাকী Well- equipped, well-trained হোৱাটো আমাৰ চৰকাৰৰ প্ৰতি পৰামৰ্শ থাকিল ।

মাননীয় সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰখনক অনুৰোধ কৰিছো যে MGNREGA লৈ এই বিধানসভাত বহুদিন প্ৰশ্ন আনিছো । কথাটো মানি লৈছো যে MGNREGA ত তেওঁলোকে সলনি কৰিব নোৱাৰে । গতিকে চৰকাৰে এটা প্ৰস্তাৱ লওঁক যে এই আইনখন যিটো উদ্দেশ্যত বনোৱা হৈছিল, সেইটো উদ্দেশ্য কাৰ্য্যকাৰী হোৱা নাই । ১৮২ টকাত কোনো মানুহে কাম নকৰে । গতিকে এইটো কমেও প্ৰতিদিনত ৩০০ টকা হ'ব লাগে । এই প্ৰস্তাৱটো লৈ কেন্দ্ৰীয় চৰকাৰলৈ পঠালে ভাল হয় ।

দ্বিতীয়তে, যিটো ১০০ দিনৰ Working days আছে, এইটো কোনো মানুহেই নাপায়, মই এটা জিলাভিত্তিত দাতা' লৈ আহিছো । ' দাতা ' মতে সকলোতকৈ কম কাম পোৱা জিলাখন হৈছে নগাওঁ, ১০০ দিন নাপায় । ডিমা-হাছাও নিল দেখাইছে । গতিকে চৰকাৰখনে ১০০ দিনৰ যিটো minimum working day's এইটো পুংখানু-পুংখভাৱে কাৰ্য্যকৰী কৰাৰ লগতে ১০০ দিনৰ working day's কৰিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰলৈ এটা প্ৰস্তাৱ পঠাব লাগে । এই দুখীয়া মানুহখিনিৰ স্বাৰ্থত আমি আপোনালোকৰ লগত আছো ।

ইয়াৰোপৰি চাৰ, যিহেতুকে এইটো মূলত ; ৰুৰেল এৰিয়াক কেন্দ্ৰ কৰি বনোৱা হৈছিলে আৰু এই ডিপাৰ্টমেন্টৰ আণ্ডাৰত যিহেতুকে আপোনালোকে এটা ভাল প'জিটিভ মিছন " আৰ্বান মিছন " চলাই আছে গতিকে MGNREGA কো আৰ্বান এলেকাত লৈ যোৱাৰ বাবে চৰকাৰে প্ৰয়াস কৰিব লাগে আৰু এই প্ৰস্তাৱটো কেন্দ্ৰীয় চৰকাৰক দিব লাগে, কিয়নো এইটো এতিয়া অকল ৰুৰেল এৰিয়াতে সীমাবদ্ধ হৈ আছে ।

মাননীয় সভাপতি মহোদয়, এই তিনিটা পৰামৰ্শ বা অনুৰোধ মোৰ চৰকাৰখনলৈ থাকিল । আজিৰ তাৰিখত পঞ্চায়তে কি কৰিছে বুলি সুধিলে, যি কোনো এজন মানুহেই MGNREGA বুলিয়েই কব । ৰাইজে আমাক ভোট দিছে । চৰকাৰৰ অধীনত চলা প্ৰত্যেকটো আঁচনিয়েই যাতে ৰাইজে ভালদৰে অৱগত হয় তাৰ বাবে অনুৰোধ ৰাখি মোৰ বক্তব্য সামৰিলো ।

**মাননীয় সভাপতি ঃ** এতিয়া শ্ৰী অশোক সিংহল।

**শ্ৰী অশোক সিংহল ঃ** মাননীয় সভাপতি মহোদয়, পঞ্চায়তী ৰাজ ব্যৱস্থাৰ প্ৰস্তাৱৰ ওপৰত আলোচনা চলি আছে। মাননীয় দুজন সদস্যই কথাবিলাক ক'লে। পঞ্চায়তী ৰাজ ব্যৱস্থা ভাৰতীয় গনতান্ত্ৰিক ব্যৱস্থাৰ ভিতৰত অন্যতম। এই ব্যৱস্থাৰ জৰিয়তে গাওঁৰ সাধাৰণ মানুহ, ভিতৰুৱা তথা পিছপৰা অঞ্চলত বসবাস কৰা লোকসকলে চৰকাৰ বুলি ক'লে নিজৰ অঞ্চলত থকা পঞ্চায়তৰ অফিচটোকে বুজে। তাত যিজন পঞ্চায়তৰ সভাপতি থাকে এই সভাপতি জনকেই চৰকাৰী অফিচাৰ বুলি গন্য কৰে। এই সাধাৰণ মানুহে কোনোদিনে ডি চি অফিচ ঢুকি নাপায়, যাবও নোৱাৰে যাবও নোখোজে। চৰকাৰ এখন ভালকৈ চলিবলৈ হ'লে এই পঞ্চায়তী ৰাজ ব্যৱস্থা, যিটো গনতন্ত্ৰৰ ভেঁটি, এই ভেঁটিটো মজবুত হ'ব লাগে আৰু এই ভেঁটিটো যিমানেই আমি মজবুত কৰি যাম সিমানেই আমাৰ কাৰণে ভাল বুলি ক'ম। ২০০৭- ২০০৮ চনত এম জি এন ৰেগা আৰম্ভ হ'ল। তাৰ অৰ্থটো হ'ল সভাপতি মহোদয়, স্বাধীনতাৰ ৭০ বছৰ পিছতো দেশ খনক আগুৱাই লৈ নোযোৱাৰ কাৰণে আজি স্বাধীনতাৰ ৬০ বছৰ পিছত দুখীয়া মানুহক ১০০ দিন কাম কৰাৰ সুবিধা দিয়াৰ কাৰণে এম জি এন ৰেগা অনা হ'ল। তাৰ অৰ্থটো হ'ল স্বাধীনতাৰ ৬০ বছৰ পিছত তেনেকুৱা কোনো ব্যৱস্থা নাছিল য'ত মানুহে নিজৰ জীৱিকাটো পাব। ইয়াত কাকো ক্ৰিটিচাইজ কৰা কথা নহয়। ইয়াত বহি থকা প্ৰত্যেকজন সদস্যই এই কথা এগ্ৰী কৰিব যে পঞ্চায়তী ৰাজ ব্যৱস্থাটো ভাল হ'ব লাগে। বেলেগ অফিচৰ লগত বা চৰকাৰী ব্যৱস্থাৰ লগত গাওঁৰ সাধাৰণ মানুহৰ যিহেতু যোগাযোগ নাথাকে গতিকে এই পঞ্চায়তী ৰাজ ব্যৱস্থাটো ভাল হ'লে গাওঁৰ মানুহে চৰকাৰখন ভালকৈ চলিছে বুলি ধৰি লয়। মোৰ সতীৰ্থ বিধায়কে এইমাত্ৰ কৈ গ'ল যে অসমৰ ৫৫ শতাংশ ৰুৰেল এৰিয়াত ইলেক্ট্ৰিফিকেশ্যন হৈছে। মই ভাৱো যে তেখেতে বহুদিন পুৰণি তথ্য চাইছে। আজি অসমৰ প্ৰত্যেকখন ঘৰতে নহ'লেও প্ৰত্যেকখন গাওঁতে ইলেক্ট্ৰিফিকেশ্যন হৈছে। আমাৰ চৰকাৰ গঠন হোৱা মাত্ৰ ২ বছৰ ১০ মাহ হৈছে, যিসকলে ৬০ বছৰ দিব পৰা নাই কিন্তু আমাৰ চৰকাৰে এইখিনি ৩৪ মাহতে দিলে। গতিকে চৰকাৰক প্ৰথমতে ধন্যবাদ দিব লাগে। যেতিয়া সদনত কয় যে হোৱা নাই মই ভাৱো যে এই ৬০ বছৰে সকলো হৈ

আছিল নেকি? মাজত যেতিয়া আমাৰ চৰকাৰ আহিলে সকলো বিলাক নাইকিয়া হৈ গ'ল নেকি? চৰাই উৰি যোৱাৰ দৰে উৰি গ'ল নেকি? অসমৰ উন্নয়ণ উৰি বাহিৰলৈ ওলাই গ'ল নেকি? তোমালোকে যোৱা ৭০ বছৰে একো নকৰিলা, আমাৰ চৰকাৰে কৰিবলৈ আৰম্ভ কৰিছে মাত্ৰ গতিকে আপোনালোকে কিয় হোৱা নাই বুলি কয়? যেতিয়া এই চৰকাৰে দিশপুৰত শাসনভাৰ ল'লে তেতিয়া ১ লাখ এম জি এন ৰেগাৰ যি কাম হাফদান অৱস্থাত চলি আছিল, ২০০৮ পৰা ১৮ চনলৈকে.....

(সদনত হুলস্থুল)

সভাপতি মহোদয়, এই যে ১ লাখ এম জি এন ৰেগাৰ কাম হাফদান অৱস্থাত চলি আছিল, ৰাতি মোৰ সপোনত আহিছিল আৰু আপোনালোকক আজি কৈছো এনেকুৱা নহয়। আপোনালোকে যদি মোক এলাও কৰে বাহিৰৰ পৰা মই আইপেডটো আনি এতিয়াই দেখাই দিব পাৰিম যে কোন চনত কিমান আঁচনি হাফডান অৱস্থাত পৰি আছে। নতুন বিধায়ক হিচাপে আমি এইবিলাক দেখি আচৰিত হৈছো যে এম জি এন ৰেগাৰ ৭০ হাজাৰ, ১ লাখ, ডেৰ লাখ ৰ আঁচনি এটা যদি আজি ৫ বছৰ ধৰি চলি থাকে কেনেকৈ চলে এই আঁচনিটো? অফিচাৰ এজনক সোধোতে ক'লে যে এইটো অনলাইন হয় আপুনি সকলোবিলাক চাব পাৰে। সোমাই যেতিয়া দেখিলো যে ১০ টা জবকাৰ্ড এই আঁচনিৰ লগত attach কৰা আছে আৰু ৫ বছৰ ধৰি এটা জবকাৰ্ডেই তাত কাম কৰি আছে। বেলেগ জবকাৰ্ড নাই। সপ্তাহত যিটো এম আৰ দিয়া হয় এইটো ১০ জনৰ নামতেই চলি থাকে আৰু এই ১০ জন মানুহৰ বিশেষ এটা ৰাজনৈতিক দলৰ লগতেই সম্পৰ্ক থাকে। পিছত দেখা গ'ল যে এই স্কীমটো সম্পূৰ্ণ নহয় তেতিয়া মই দুই এটা বেলেগ ব্লকত ও গ'লো। সভাপতি মহোদয়, যোৱা ১০ বছৰে এম জি এন ৰেগাত যিমান টকা খৰচ হ'ল তাৰ চিন চাব আপুনি কিন্তু বিচাৰি নাপাব। পিছত আমাৰ মুখ্যমন্ত্ৰী তথা পঞ্চায়ত বিভাগে সিদ্ধান্ত ললে যে যিবিলাক স্কীম হাফডান হৈ আছে, এই ১ লাখ স্কীমক ৰিভিউ কৰিব লাগে। মোৰ সমষ্টিৰ ৭৫০ স্কীম হাফডান, আনডান, অনগ'ইং আছিলে।যোৱা ২০০৮ চনৰ পৰা তাৰে ৭০০ স্কীম বন্ধ কৰি দিয়া হ'ল। আমাক জনপ্ৰতিনিধি হিচাপে ৰাইজে প্ৰশ্ন কৰে যে কিয় বন্ধ কৰি দিয়া হ'ল? . কাৰণ ৰাইজে জনপ্ৰতিনিধি হিচাপে আমাক প্ৰশ্ন কৰে। ৰাইজে নাজানে যে ৭.৫০খন MGNREGA ৰ Scheme কাগজে-পত্ৰে চলি আছে। এই কথাটো জব কাৰ্ড হোল্ডাৰ আৰু কিছুমান বিশেষ বিশেষ লোকে জানে। 86% People residing in the Rural Area of Assam. সম্পূৰ্ণ চৰকাৰী ব্যৱস্থা, চৰকাৰী বাজেট, সম্পূৰ্ণ চৰকাৰৰ চিন্তা, মন্ত্ৰী-বিধায়কৰ চিন্তা সদায় এটাই থাকে যে গ্ৰামোন্নয়ণ কেনেকৈ কৰিব পাৰি? পঞ্চায়ত বিভাগৰ ওপৰত আলোচনা চলি আছে, মই ভৰতীয় জনতা পাৰ্টী দলৰ বিধায়ক হিচাপে কোৱা বুলি নাভাৰিব। কিন্তু প্ৰধানমন্ত্ৰী ডাঙৰীয়াই যিবিলাক আঁচনি ল'লে সেই আঁচনিয়ে এটা Systematic Development কৰাৰ যি এক আগ্ৰহ, দিল্লীত বহি থকা চৰকাৰেই হওঁক বা অসম চৰকাৰেই হওঁক প্ৰদৰ্শন কৰি আছে। আগতে 'ইন্দিৰা আৱাস যোজনা' ৰ অধীনত ঘৰ হোৱা নাছিল। তাৰ বাবে মই কেৱল কংগ্ৰেছ দলক দায়ী কৰিব খুজিছো যে তেনেকুৱা নহয়। কংগ্ৰেছ দলেও বহুত সদিচ্ছা ৰাখিছিল, ভাল চিন্তা কৰিছিল। কিন্তু তাৰ পিছতো তেওঁলোকৰ তলত থকা বিষয়াসকলৰ মনোভাৱৰ কাৰণে হয়তো হোৱা নাই। কংগ্ৰেছ দলৰ সদিচ্ছা আছিল যদিও Implement কৰিব পৰা নাই। কিন্তু দিল্লীত যেতিয়া মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ চৰকাৰ হ'ল, তেতিয়া তেওঁ এইটো কৰিব পাৰিলে।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহীহাট) ঃ** মাননীয় সভাপতি মহোদয়, গেলাৰীত কিছু ছাত্ৰ-ছাত্ৰী বহি আছে। সেয়েহে সদনৰ পৰা যদি ভুল বাৰ্তা যায়, তেনেক্ষেত্ৰত ভৱিষ্যৎ প্ৰজন্মক ক্ষতি কৰা হ'ব।

**শ্ৰী অশোক সিংহল, বিধায়ক (ঢেকীয়াজুলি) ঃ** মাননীয় সভাপতি মহোদয়, ইয়াত ভৱিষ্যতৰ

কথা কোৱা নাই। বৰ্তমানৰ কথা কৈ আছো। পিছলৈ ভৱিষ্যতৰ কথা কম। ২০১৪ চনত যেতিয়া চৰকাৰ গঠন হ'ল, আগৰ চৰকাৰৰ সদিচ্ছা আৰু ভাল মনোভাৱ থকাৰ পিচতো 'ইন্দিৰা আৱাস যোজনা' যেতিয়া ফিল্ডত ভালকৈ কাৰ্য্যকৰী নহ'ল, নতুন এটা চিন্তাধাৰাৰ দ্বাৰা মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০২২ চনৰ ভিতৰত সকলোকে ঘৰ দিম বুলি চিন্তা কৰি 'প্ৰধানমন্ত্ৰী আৱাস যোজনা' আৰম্ভ কৰিলে। আগতে 'ইন্দিৰা আৱাস যোজনা' ৰ অধীনত ৭৫ হাজাৰ টকা কৈ দিয়া হৈছিল। কিন্তু ৭৫ হাজাৰ টকাত ঘৰ বনোৱা সম্ভৱ নহয়। কিন্তু বৰ্তমানৰ চৰকাৰে ঘৰ বনাবলৈ 'প্ৰধানমন্ত্ৰী আৱাস যোজনা'ৰ অধীনত ঘৰ বনাবলৈ ১.৫০ লাখ টকাকৈ দিয়া হৈছে।

**শ্ৰী নন্দিতা দাস, বিধায়িকা (বকো) ঃ** মাননীয় সভাপতি মহোদয়, কংগ্ৰেছ চৰকাৰৰ দিনত আটাইতকৈ বেছি 'ইন্দিৰা আৱাস যোজনা' ৰ অধীনত ঘৰ দিয়া হৈছিল। বৰ্তমানৰ চৰকাৰৰ দিনত বহুতো লোকে ঘৰ পোৱা নাই।

**শ্ৰী অশোক সিংহল, বিধায়ক (ঢেকীয়াজুলি) ঃ** মাননীয় সভাপতি মহোদয়, মই ইয়াত একো তথ্য দিয়া নাই। কেৱল আঁচনিৰ কথাহে কৈছো। তথ্য বিচাৰিলে মই তথ্য দিব পাৰিম। আগৰ কংগ্ৰেছ চৰকাৰে 'ইন্দিৰা আৱাস যোজনা' ৰ অধীনত বহুত ঘৰ দিছিল। কিন্তু ফিল্ডত ঘৰসমূহ বনোৱা হোৱা নাই। মই এই কথাটোহে কৈছো। কিন্তু পিছলৈ যেতিয়া 'প্ৰধানমন্ত্ৰী আৱাস যোজনা' আহিলে, তেতিয়া ঘৰ সমূহ বনোৱা হৈছে। প্ৰকৃতাৰ্থত কাম কৰাৰ ইচ্ছা থাকিলে ফিল্ডত কামবোৰ হয়। মই এই কথাখিনি যোৱা ২৪-২৫ মাহত ফিল্ডত যি কাম হৈছে তাৰ ভিত্তিত কৈছো। মোৰ দুটামান পৰামৰ্শ দিবলগীয়া আছে আৰু মই ভাৱো যে সকলোৱে ইয়াত সহমত দিব। 'পঞ্চায়তী ৰাজ' ব্যৱস্থাত পঞ্চায়তৰ অফিচত যিটো আন্তঃগাঁথনি সেইটো আৰু অলপ উন্নত কৰিব লাগে, ভাল কৰিব লাগে। গাওঁৰ লোকসকল যেতিয়া পঞ্চায়ত অফিচত যায়, সেই অফিচৰ আন্তঃগাঁথনি, তাত কাম কৰি থকা চৰকাৰী বিষয়সকলৰ ব্যৱহাৰ আদিৰ দ্বাৰা চৰকাৰৰ প্ৰতি ভাল এটা মনোভাৱ লৈ যাতে তাৰ পৰা যাব পাৰে। পঞ্চায়তে কৰিবলগীয়া বহুতো কাম আছে। আজিলৈকে আমি Urban Town Planning ৰ কথা কওঁ। কিন্তু Rural Village Planning যিটো আছে বা যিবোৰ অঞ্চল Semi Urban হৈ গ'ল, আজি টাউনৰ লগত লাগি থকা যিবোৰ পঞ্চায়ত আছে, সেইবোৰ আধা আধা Urban হৈ গৈছে, যদিও পঞ্চায়তৰ ভিতৰত আছে। সেইবোৰৰ অসুবিধা এইটো হৈছে যে টাউনত অন্ততঃ Town Planning বোলা বিভাগটো থাকে। Town Committee, Municipality, Corporation বোলা কিছুমান বিভাগ থাকে। তাৰ পৰা ঘৰ বন্ধিব অনুমতি ল'বলগীয়া হয়। ৰাস্তা কিমান বহল আছে সেইটো চাই লয়। কিন্তু গাওঁত পঞ্চায়তৰ পৰা তেনেকুৱা কোনো অনুমতি ল'ব নালাগে। নিজৰ য'ত মাটি আছে, তাত তেওঁলোকে নিজৰ ইচ্ছা অনুযায়ী ঘৰ বান্ধিব পাৰে আৰু সেইধৰণে ঘৰসমূহ নিৰ্ম্মাণ কৰে। টাউনৰ ওচৰৰ অঞ্চলসমূহ যেতিয়া Urbanisation হোৱা আৰম্ভ হয় তাত ৰাস্তাসমূহ বহুত ঠেক কৰি থয়। ৰাস্তাৰ বাবে ৮ৰ পৰা ৬ ফুট বা খুব বেচি ১০ ফুট মাটি থৈ ঘৰসমূহ বান্ধি দিয়ে। তাৰ পিছত যেতিয়া ৰাস্তাসমূহ পকী কৰাৰ কাম আৰম্ভ কৰিবলগীয়া হয়, তেতিয়া PWD বিভাগে কয় যে ইমান সৰু ৰাস্তা আমি পকী কৰিব নোৱাৰো। MGNREGA আঁচনিৰ অধীনত ইমান টকা নাথাকে যে ৰাস্তাসমূহ পকী কৰিব পাৰো। 'প্ৰধানমন্ত্ৰী গ্ৰামীন চড়ক যোজনা'ৰ অধীনত এইবোৰ ৰাস্তা সোমাব নোৱাৰে। কাৰণ ৰাস্তাবোৰ বহল নহয়। এই ৰাস্তাসমূহ আধা আধৰুৱা হৈ থাকে, বহুত ধৰণৰ মেৰপাকত পৰি। আমাৰ জনপ্ৰতিনিধিৰ ওপৰতো ইয়াৰ বাবে হেঁচা আহি থাকে। সেয়েহে এইটো ভাল হ'ব যদি 'পঞ্চয়তী ৰাজ' ব্যৱস্থাৰ অধীনত এটা আইন বনাই ঘৰ বান্ধিবৰ বাবে বা এটা ভাল গাইড লাইন বনাই আমি পঞ্চয়তক দিব

পাৰো নেকি ? যে কোনোবাই যদি ঘৰ বান্ধে যাতে ৰাস্তাৰ বাবে নিৰ্দ্দিষ্ট ঠাই এৰি বান্ধে । নাইবা ৫ ফুট মাটি ৰাস্তাৰ বাবে এৰি বান্ধে। ভৱিষ্যতে যেতিয়া উন্নয়ণ হ'ব তেতিয়া অন্ততঃত ৰাস্তাটো বহল হৈ থাকিব। তেতিয়া অগ্নি নিৰ্ব্বাপক বাহিনীৰ গাড়ীয়েই হওঁক বা PWD য়ে ৰাস্তা বনাবলগীয়াই হওঁক বা হাউচিংৰ কথাই আহক ৰাস্তাসমূহ আহল-বহল হৈ থাকিব। গতিকে এই কথাটো আমি 'পঞ্চায়তী ৰাজ' ব্যৱস্থাত কৰিব পাৰো নে নোৱাৰো এই বিষয়ে চিন্তা কৰিব লাগিব। দ্বিতীয় কথাটো হ'ল যে আজিকালি দেখা গৈছে যে পঞ্চয়তৰ বেচিভাগ চৰকাৰী মাটি বে-দখল হৈছে। টাউনৰ ওচৰত যিবোৰ অঞ্চল আছে, তাত Urbanization যেতিয়া আৰম্ভ হয়, তাত পূৰণা খেল-পথাৰ বা স্কুলৰ খেল - পথাৰ হ'লে থাকি যায়, নহ'লে বেছিভাগ চৰকাৰী মাটি বে-দখল হৈ যায়। Urbanization হোৱাৰ পিছত সেই ৫/৮ বিঘা মাটিত ভৱিষ্যতে Park বনাব পৰাকৈ কোনো মাটি নাথাকে, ভাল ৰাজহুৱা অনুষ্ঠান পতাৰ বাবে মাটি নাথাকে বা অন্য চৰকাৰী অনুষ্ঠান যেনে- হস্পিতাল খোলা, অফিচ বনোৱা, পানী-যোগান আঁচনি আদি নিৰ্মাণ কৰাৰ বাবে কোনো ব্যৱস্থা নাথাকে। গতিকে, এই মাটিবোৰ চিনাক্ত কৰি পঞ্চায়ত বিভাগে যাতে ভৱিষ্যতৰ প্ৰকল্পৰ বাবে তেওঁলোকৰ নামতে ৰাখি থয়। অধ্যক্ষ মহোদয়, চহৰৰ পৰা ৫ কিঃমিঃ এলেকাত Urbanization হৈ যায় গতিকে এনেবোৰ ঠাইত এই ব্যৱস্থাবোৰ গ্ৰহণ কৰাৰ প্ৰয়োজন। পঞ্চায়তীৰাজ ব্যৱস্থাত খোৱা পানী যোগান ধৰাৰ বাবে সৰু সৰু আঁচনি হাতত ল'ব পাৰে। বিভাগে পানী যোগান আঁচনি কিছুমান হাতত লৈছে যদিও সকলো ঠাইতে এই আঁচনিৰ কাম কৰিব নোৱাৰে কাৰণ বহু অঞ্চলৰ পানীত ফ্লু'ৰাইড, আৰ্চেনিক থকা দেখিবলৈ পোৱা গৈছে। সভাপতি মহোদয়, আজিকালি সৰু সৰু প্ৰকল্প ওলাইছে, Defence Research & Development Organization, উৰিষ্যাৰ Central Scientific Research Institute, Pune ৰ Water Resource Body ৰ বিজ্ঞানী সকলে ৬০-৭০ হাজাৰ টকাৰ সৰু সৰু filter কিছুমান উলিয়াইছে। সভাপতি মহোদয়, মই মোৰ সমষ্টিত পঞ্চায়ত বিভাগৰ সহযোগিতাত ৬০ হাজাৰ টকাৰ pilot project ৰ অধীনত Terafil Filter বনাই ১০০ টা পৰিয়ালে খোৱা-পানী খোৱাৰ ব্যৱস্থাটো কৰা হৈছে। ইয়াত recurring cost একো নাই, কোনো ধৰণৰ machine ৰো ব্যৱহাৰ নহয়। সেয়েহে, এই আঁচনিটো খুব সফল হৈছে। মই এইবাৰ নিজেই MLA fund ৰ পৰা এই আঁচনিৰ বাবে কাম কৰাইছো আৰু 14th Finance তো প্ৰত্যেকটো পঞ্চায়ত ত ৫ টা Terafil আঁচনি আমি ধৰিছো আৰু এই আঁচনিটো বহুত সফল হোৱা দেখা গৈছে। সেয়েহে এই আঁচনিটো যদি অন্য ঠাইত নিব পৰা যায় তেন্তে মই ভাৱো খোৱা পানীৰ যি সমস্যা আছে সেইটো সমাধান হ'ব। চৰকাৰে অকল পঞ্চায়তীৰাজ ব্যৱস্থাই নহয়, কৃষকক ১ টকাত ১ কেজি চাউল, এক কালীন grant হিচাপে ৫০০০ টকা দিয়া, স্কুলীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া শিক্ষা তথা uniform দিয়াৰ ব্যৱস্থাই গ্ৰামাঞ্চলৰ উন্নয়নৰ লগতে পঞ্চায়তীৰাজ ব্যৱস্থাক মজবুত কৰিব। মই ভাৱো, বিৰোধীয়ে এই কথাবোৰ ভালদৰে উপলব্ধি কৰি এই কৰ্তন প্ৰস্তাৱটো উঠাই ল'ব। ধন্যবাদ সভাপতি মহোদয়।

**মাননীয় সভাপতিঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ:-**মাননীয় সভাপতি মহোদয়, কর্তন প্রস্তাবের সমর্থন জানিয়ে কিছু কথা আমি বলব। সভাপতি মহোদয়, আমরা সবাই জানি যে গ্রামন্নোয়ন বিভাগ একটি গুরুত্বপূর্ণ বিভাগ। সেই বিভাগের সঙ্গে গ্রামের মানুষের এক সম্পর্ক রয়েছে এবং সেই বিভাগের মাধ্যমেই গ্রামাঞ্চলের উন্নয়নের কথা আমরা চিন্তা করতে পারি। সভাপতি মহোদয়, জাতির জনক মহাত্মা গান্ধী গ্রাম স্বরাজের কথা বলেছিলেন। এবং বলেছিলেন গ্রামের উন্নয়ন যদি না হয়, তাহলে আমরা

দেশের উন্নয়নের কথা আমরা চিন্তা করতে পারি না। সমহারে আমাদের প্রয়াত প্রাক্তন প্রধানমন্ত্রী রাজীব গান্ধী ত্রি টায়ার পঞ্চায়েত ব্যবস্থা গঠন করেছিলেন এবং সেই মর্মে অসমের বা ভারতবর্ষের পঞ্চায়েত ব্যবস্থা চালু হয়। এটা মানুষের অধিকারের কথা, সাধারণ মানুষের অধিকারের কথা। তাদের একটা আইএওয়াই-র দরকার, তাদের একটা বৃদ্ধ ভাতার দরকার, তাদের একটা স্বাস্থ্য ভাতার দরকার। সেই কথাগুলো আগে বলার কোনও সুযোগ ছিল না। এখন এক জন সাধারণ মানুষও তার অধিকারের কথা বলতে পারে গ্রামসভায় গিয়ে যে তার একটা আইএওয়াই-র দরকার। সেই জিনিসগুলো আমাদের প্রয়াত প্রধানমন্ত্রী রাজীব গান্ধী প্রবর্তন করেছিলেন। আজকে তার মাঝপথেই আমরা সুন্দর একটা পরিবেশ পাচ্ছি। সভাপতি মহোদয়, ৭৩ তম অ্যামেন্ডমেন্ট করে অসম পঞ্চায়েত অ্যাক্ট, ১৯৯৪ সালে গঠন করা হয় এবং সেই মর্মে পঞ্চায়েত ব্যবস্থাও চালু করা হয়। সভাপতি মহোদয়, পঞ্চায়েত ব্যবস্থা চালু হল কিন্তু পঞ্চায়েত ব্যবস্থার যে সমস্যাগুলো আছে, তা কিন্তু আমরা সমাধান করতে পারিনি। এখনও সম্ভব হয়নি। আমার দুঃখ হয়, আমার সতীর্থ বিধায়ক অশোক সিংঘল স্যার এইমাত্র কিছু কথা বলে গেলেন। আসলে উনি যে কথা বললেন হয়তো বা আমরা সবাই জানি। ১৯৪৭ সালে যখন আমাদের দেশ স্বাধীন হয়েছিল তখন আমাদের কাছে ২০-২৫ টা মাত্র টেংকার ছিল। ৫০ জন মানুষের ঘরে টেলিফোন লাইন ছিল। আমাদের দেশ উন্মুক্ত ছিল, কোনও দিকে কোনও বর্ডারের ব্যবস্থা ছিল না। আমাদের অর্থনৈতিক ব্যবস্থা জর্জরিত ছিল। মানুষ এক বেলা যদি খাওয়া পেত, আরেক বেলা খাওয়ার বন্দোবস্ত ছিল না। সেই অবস্থায় আমরা এই দেশকে পেয়েছিলাম। কিন্তু উনি যেভাবে বক্তৃতা দিলেন সেই বক্তব্যে বোঝা যাচ্ছে যে এই সরকার আসার পরই সব কিছু চালু হয়েছে। এই সরকার আসার পরই নতুন-নতুন টেকনোলজি এসেছে। আসলে এই জিনিসটা জানা দরকার আমরা এই দেশটাকে কিভাবে পেয়েছিলাম ? আজকে বিশ্বের বুকে এই দেশকে কে প্রতিষ্ঠা করল ? সেই কথাগুলো যদি আমরা না জানি, না বুঝি, অবিশ্বাস করি তাহলে তো চলবে না। কথাগুলো স্বীকার করতেই হবে।

**শ্রী অশোক সিংঘাল ঃঃ** আমি স্বীকার কৰিছো যে কংগ্ৰেসে কৰিব পাৰা নাছিল। তেখেতে আৰু কই কি হব ?

**শ্রী কমলাক্ষ দে পুরকায়স্থঃ** সভাপতি মহোদয়, কথাগুলো স্বীকার করতে হবে। কথাগুলো আমি বলছি না, সমস্ত ভারতবর্ষের মানুষ সে কথা বলছে। কিন্তু আজ এমন ভাবে বলা হচ্ছে কেন্দ্রে ও রাজ্যে এই সরকার আসার পর হিমালয় পর্বতও যেন সৃষ্টি হয়েছে। তার আগে হিমালয় পর্বতও ছিল না। এভাবে বলা হচ্ছে যেমন এই দেশে কিছুই ছিল না। আমাদের সরকার আসার পর সব আমরা এই দেশে করতে পারলাম।

সভাপতি ঃ আপোনাৰ পৰামৰ্শ আগ বঢ়াক।

**শ্রী কমলাক্ষ দে পুরকায়স্থঃ** সভাপতি মহোদয়, এনরেগা আমাদের দেশে ২০০৫ সাল থেকে শুরু হয়েছে। আমার আগের বক্তা বললেন যে ১০ জনের নামে জবকার্ড হয়। একটা জিপিতে এই১০ জনকেই ল্যাবার দেওয়া হয়। আসলে গ্রাউন্ড লেভেল রিয়েলিটি কি সেটা আমাদের বুঝতে হবে। বলার জন্য বললেই হবে না। আমাদের বুঝতে হবে আমরা কি বলছি? এই এনরেগার মাধ্যমে আমাদের জনসাধারণের কোনও লাভ হচ্ছে না। ১০০ দিনের কাজ তো হয় না।

দ্বিতীয়ত, আমাদের প্রথম প্রায়োরিটি থাকে আমরা গ্রামাঞ্চলে কাজ করব। মানুষের যাতে কাজ হয়। সরকারের উদ্দেশ্যই ছিল যে ওয়েজ বেসড ওই স্কিমের মাধ্যমে মানুষ যাতে কিছু লাভান্বিত

হন। সময়ে যাতে কাজ হয়। একদিকে বিধায়ক হিসাবে আমাদের প্রথম প্রায়োরিটি থাকে আমরা আমাদের অঞ্চলের কাজ করব। রাস্তাঘাটের কাজ করব। কিন্তু এনরেগা দিয়ে কোনও লাভ হচ্ছে না। সভাপতি মহোদয়, আনস্কিলড ল্যাবারদের আমরা নিযুক্ত করি এবং নিযুক্ত করে সেই টাকাগুলো যখন অ্যাকাউন্টে যায় সেখানে যদি কাজ করতে হয় তাহলে ওই দশ জনই। প্রত্যেকটি সমষ্টিতে একই অবস্থা। আমাদের প্রথমে সেই সিস্টেমকে পরিবর্তন করতে হবে। সিস্টেমটাকে যদি পরিবর্তন করতে না পারি, তাহলে এনরেগার উদ্দেশ্যটা সফল হবে না। সত্যি কথা বলতে গেলে বিশ্বের বুকে সব চেয়ে বড় একটা প্রজেক্ট, কিন্তু সেই প্রজেক্টে আমাদের ভারতবর্ষের মানুষ উপকৃত হতে পারছে না।

সভাপতি মহোদয়, আমার কাছে একটি তথ্য আছে। ২০১৭-১৮ সালে ওয়েস্ট বেঙ্গল, তামিলনাড়ু এবং অন্ধ্রপ্রদেশ— ওই তিন রাজ্যে এনরেগার কাজ খুব ভালো হয়েছে। ওয়েস্ট বেঙ্গল প্রথম, দ্বিতীয় হচ্ছে তামিলনাডু এবং তৃতীয় অন্ধ্রপ্রদেশ। প্রথম পজিশনে ওয়েস্ট বেঙ্গল ছিল। সেই জায়গাগুলোতে কীভাবে এনরেগার ভাল কাজ হচ্ছে, কিন্তু আমাদের এই অঞ্চলে কেন দুর্নীতি চলছে? দুর্নীতি হলে তো অ্যারেস্ট করতে হবে। আপনারা অ্যারেস্ট করুন। দুর্নীতির কথা অনেকবার বলা হয়ে থাকে। এবং বাজেট স্পীচে লেখা থাকে দুর্নীতিমুক্ত, সন্ত্রাসমুক্ত প্রদূষণমুক্ত— এই কথাগুলো লেখা থাকে। 'জিরো টলারেন্স' এই কথাগুলি আমাদের শুনতে খুব ভালো লাগে। কিন্তু বাস্তব ক্ষেত্রে আপনারা কাউকে মুক্ত করতে পারবেন না। বাস্তবে মানুষ কতটুকু সুবিধা পাচ্ছে, বাস্তবে দুর্নীতিমুক্ত হচ্ছে কি হচ্ছে না? এনরেগায় একদিকে দুর্নীতি হচ্ছে, অন্যদিকে আমাদের কাজ হচ্ছে না.

**শ্রী ৰঞ্জিত দত্ত ঃ** মাননীয় সভাপতি মহোদয়, আপনালোকেৰ দিনত ফল্‌স ... ৰ ত কাম চলি আছিল। আমাৰ চৰকাৰ অহাৰ পাছত আমি ১.৫ লাখ false duplicate job card জব্দ কৰিছো।

**শ্রী কমলাক্ষ দে পুরকায়স্থঃ** সভাপতি মহোদয়, আমাদের রঞ্জিত দত্ত মহাশয় যে কথাগুলো বললেন, আমি এখনই দেখিয়ে দেব যে সিস্টেম বলা হয়েছে, যে ১০ জনের অ্যাকাউন্টে টাকা যায়, প্রত্যেকটা সমষ্টিতে একই অবস্থা সেই ১০ জনের অ্যাকাউন্টেই টাকা ঢুকে। পরিবর্তন কিছু হয়নি। আপনারা যদি মনে করেন যে অনেক কিছু পরিবর্তন করে নিয়েছেন, তাহলে সেটা সম্পূর্ণ মিথ্যে কথা হবে এগুলো।

**শ্রী ৰঞ্জিত দত্তঃ** MGNREGA টো আ পোনালোক ৰ UPA চৰকাৰৰ দিনতে লঞ্চ কৰা হৈছে। এইটো এটা আইনত পৰিণত হৈছে। কিন্তু আপুনি MGNREGA ৰ schemeটো এটা নিগেটিভ লাইনত লৈ আছে।

**শ্রী কমলাক্ষ দে পুরকায়স্থঃ** সভাপতি মহোদয়, তার মানে এমজিএনরেগার একটি ভালো উদ্দেশ্য ছিল, কিন্তু বর্তমান সময়ে সম্পূর্ণ প্রজেক্টটাকে নষ্ট করার একটা প্রবণতা চলছে। মানুষ উপকৃত হচ্ছেন না। যে রাজনীতিতে মানুষ উপকৃত হয় না, সেটা আমরা করতে চাই না। গণতন্ত্র আমাদের শিখিয়েছে সত্যিকে সত্যি আর মিথ্যাকে মিথ্যা কিভাবে বলতে হয়। শুধু আমি আমার দলের প্রশংসা করব বলে মিথ্যে কথাগুলো উপস্থাপন করলাম। যে একদম হয়ে গেছে, এটা হয়ে গেছে, সেটা হয়ে গেছে। কিন্তু বাস্তব ক্ষেত্রে ফিল্ড লেভেলে, গ্রাসরুট লেভেলে কী চলছে? হরিবোল কন্ডিশন সেই এনরেগার। আমরা চাই এনরেগার ওপর বড় ধরনের একটি এনকোয়ারি হোক। আপনারা যদি

বলেন দুর্নীতি হচ্ছে, আমরা বিরোধী দল, আমরাও বলছি দুর্নীতি হচ্ছে। এআইইউডিএফও বলছে , বিপিএফ ও বলছে। সবাই যদি বলে দুর্নীতি হচ্ছে, তাহলে তো একটা এনকোয়ারির দরকার। এনকোয়ারি একটা হোক। এনকোয়ারি হলে আগের যে উদ্দেশ্যে স্কিমটাকে আনা হয়েছে, বর্তমান সময়ে যে সম্পূর্ণ মিসইন্টারপ্রিটেশন করা হচ্ছে, সেই কথাগুলো বেরিয়ে আসবে। সভাপতি মহোদয়, বিশেষ করে আমাদের পঞ্চায়েতের প্রতিনিধি যারা, ওদের সেলারির ব্যাপারে বলছি।

**শ্রী কমলাক্ষ দে পুরকায়স্থ:-**২০১৩ সালে যখন পঞ্চায়েত নির্বাচন হয়, তারপর সেই সময়ের কংগ্রেস সরকার ঘোষণা করেছিল যে পঞ্চায়েত প্রতিনিধিদের রিমুনারেশন দেওয়া হবে। এবং সেই সময় প্রায় ১১ মাস ওদেরকে দেওয়া হয়। তারপর দেখা গেল যে পঞ্চায়েতদের প্রতিনিধিদের রিমুনারেশন বন্ধ হয়ে গেল এবং সেই কথা আমরা বিধানসভায় উত্থাপন করেছিলাম। আমাদের সব বিধায়করাই একমত যে প্রতিনিধিদের রিমুনারেশন দিতে হয়। কিন্তু আমরা দেখতে পেলাম সরকারের সদিচ্ছার কিছুটা অভাব ছিল। সেটা আমরা অস্বীকার করতে পারি না। প্রায় ৪৪ থেকে ৪৫ মাস ওনারা কোনও রিমুনারেশন পাননি। বারবার মেমোরেন্ডাম দেওয়া হল। হাইকোর্টে কেস দেওয়া হল। মন্ত্রী মহোদয়কে গত বিধানসভায় বললাম যে ওরা কেন রিমুনারেশন পাচ্ছেন না? উনি বললেন যে অন্য সোর্স থেকে ওরা ব্যবস্থা করবে সেটা। হয়তো বা সরকার সেই রিমুনারেশনের ব্যবস্থা করতে পারবে না। সভাপতি মহোদয়কে একটা কথা বলছি যে যদি অন্য সোর্স থেকে ব্যবস্থা করতে হয় তাহলে আজকে পঞ্চায়েত, এপি, জেলা পরিষদ— ওদের অন্য সোর্সটা কোথায়? কোনও সমষ্টিতে, কোনও জায়গায় তো সেভাবে অন্য সোর্স নাই। তার মানে, আপনারা বলে দিন যে পঞ্চায়েত প্রতিনিধিদের সেলারি দিতে পারব না। আমরা অক্ষম। যেহেতু Government is a continuous process, আগে কংগ্রেস সরকার ছিল, এখন বিজেপি সরকার। কংগ্রেস সরকার আইন প্রণয়ন করল, এখন বিজেপি সরকার যদি বলে যে সেই আইন আমরা মানতে পারব না। আপনারা আজ আছেন, আপনারা হয়তো একটা আইন করে যাবেন কাল হয়তো বা আমরা ট্রেজারি বেঞ্চে যাব। আমরা কি সেই আইনকে অস্বীকার করব? আমরা তা করতে পারব না। যেহেতু Government is a continuous process, তাই কংগ্রেস সরকারের সময় সেই পঞ্চায়েত প্রতিনিধিদের রিমুনারেশনের কথা বলা হয়েছিল, সেটা এখন কন্টিনিউ করা হোক। আমরাও প্রতিনিধি। আমরা ইলেক্টেড, জনসাধারণ আমাদের ভোট দিয়ে বানিয়েছে। পঞ্চায়েত প্রতিনিধিযারা ওদের ভোট দিয়ে এপি, জিপি, জেলা পরিষদ মেম্বার বানানো হয়। অতএব পঞ্চায়েত প্রতিনিধি হিসাবে এবং ইলেক্টেড মেম্বার হিসাবে আমাদের যে গরিমা, একজন মেম্বারের গরিমা প্রায় সমান। ওদের সাথে যাতে ন্যায় করা হয়। সে ব্যাপারে সরকারের দৃষ্টি আকর্ষণ করছি। গতকাল আমি আর রূপজ্যোতি, তামুলপুর গিয়েছিলাম। সেখানে আমার একটা বন্ধু ছিল। হঠাৎ দেখি ও রাগ করে আছে। আমি জিজ্ঞেস করলাম কেন রাগ? ও বলল দেখছিস, এখানে আমাদের প্রধানমন্ত্রীর যে সুন্দর একটা সাইনবোর্ড লাগালো, সেটা দেখে আমার রাগ হচ্ছে। সভাপতি মহোদয়, সেই সাইনবোর্ডের নিচে লেখা ছিল যে অসমের প্রত্যেকটা গ্রামে ঘরে-ঘরে বিদ্যুৎ দেওয়া হল। ও বলছে আমাদের জেলায় এখনও ৩৫ শতাংশ মানুষ বিদ্যুৎ পাননি। গ্রামেই বিদ্যুৎ যায়নি। আর এমনভাবে হাসিমুখের একটি ফটো লাগানো হয়েছে, আমার তো রাগ হচ্ছে তার জন্য। তখন আমি ওকে বললাম, রাগ হয়ে লাভ নেই আলটিমেটলি সেগুলো হতে হবে।

ব্যাপারটা হচ্ছে, এই যে মিথ্যা যে তথ্যদিয়ে বড় বড় পোস্টার লাগানো হয়, আর বলা হয় যে আমরা প্রত্যেকটি গ্রামের ঘরে-ঘরে বিদ্যুতের ব্যবস্থা করে দিলাম। সৌভাগ্য হোক আর দুর্ভাগ্য

হোক, ছিল সৌভাগ্য এখন গিয়ে পরিণত হয় দুর্ভাগ্যে। সে জন্য বলছি এই যে ঘরে ঘরে যে বিদ্যুৎ দেওয়া হল, আগে যে বৈদ্যুতিকীকরণ হল, বর্তমান দিনে যে বৈদ্যুতিকীকরণ হল, আবার ভবিষ্যতে যেটা হবে সব মিলিয়ে আমাদের সম্পূর্ণ গ্রামে বৈদ্যুতিকরণ করতে হবে। কিন্তু দেখা যায় যে বৈদ্যুতিকীকরণ করার আগে বলা হচ্ছে যে আমরা সমস্ত গ্রামে বৈদ্যুতিকীকরণ করে দিলাম। আমরা যে দলই করি না কেন, সত্যি কথা আমাদের বলতে হবে। পোস্টার লাগানোর আগে অসমের জনগণকে, বিধায়কদের জানা উচিত ছিল যে ৩০ শতাংশ গ্রামে আমরা এখনও বিদ্যুৎ দিতে পারিনি। সেটা আমি দায়িত্ব সহকারে বলছি।

**কমলাক্ষ দে পুরকায়স্থ ঃ** অধ্যক্ষ মহোদয়, আজকে আমাদের পঞ্চায়েতের ইলেকশন হল। ইলেকশন হওয়ার পর হেন্ডিং ওভার, টেকিং ওভার— চার্জ নেওয়া হয় । কিন্তু এখনও পর্যন্ত কাজ সেভাবে আরম্ভ হয়নি। সেই কাজগুলোকে রেগুলারাইজ করতে হবে। আমি একটা তথ্য আপনাদের দিচ্ছি। বিষয়টা হচ্ছে যে করিমগঞ্জ জেলা পরিষদ Proceeding of the first meeting, forth general body of the Karimganj Zilla Parishad, convened by the Deputy Commissioner, P.B. Roy, ACS held on 11th February, 2019 at 4 P.M.in the Conference Hall, Deputy Commissioner Office, Karimganj

অধ্যক্ষ মহোদয়, ১১ তারিখ সেই মিটিং ডাকা হয়। সেই মিটিঙের রিজোলিউশন দেওয়া হয় ১৫-০২ তারিখে। ১১ তারিখের মিটিং এর রিজোলিউশন দেওয়া হচ্ছে ১৫-০২ এ। আমাদের সবারই জানা আছে যে রিজলোশন দেওয়া হয় মিটিং শেষ হওয়ার সাথে-সাথে। কিন্তু এখানে রিজোলিউশন দেওয়া হচ্ছে ৪ দিন পর। মাইনুটস যেগুলো করা হয়, সেই অনুযায়ী জেলা উপায়ুক্ত সকলের সামনে টস করলে কিন্তু টস করার সময় কয়েনসটি সভাকক্ষের দেওয়ালে এবং চেয়ারে লাগে। সভাকক্ষের মেজে পরা মাত্রই হেড পরিলক্ষিত হয়। কিন্তু কয়েনসটি মেজে পড়ার পূর্বে সভায় উপস্থিত কয়েকজন সদস্য ভীষণভাবে প্রতিবাদ আরম্ভ করেন। এবং জেলা উপায়ুক্ত সেই কয়েনসটি মেজ থেকে তুলেন। তারপর উপস্থিত সদস্য সকল জেলা উপায়ুক্তকে পুনরায় টস করার জন্য দাবি করলে, দাবি মর্মে জেলা উপায়ুক্ত মহোদয় পুনরায় টস করলে কয়েনস সভাকক্ষের মেঝেতে পড়লে টেল পরিলক্ষিত হয়। তার মানে কথাটা হচ্ছে, অধ্যক্ষ মহোদয় প্রথম যে টস করা হয়, তখন সেই টসটা.....

**মাননীয় অধ্যক্ষ ঃ-** Cut-motion ত অহা কথাবিলাকত আহক। পঞ্চায়ত নির্বাচনত কিবা কিবি হৈছে, সেইটো বেলেগ ধৰনৰ। ইয়াত মুল কথাত, সেই কথাবোৰ নাহে। আপুনি issue বিলাক লগত Subject টোৰ ওপৰত কথা কওঁক। এইটো এটা দৰকাৰী কথা কৈছে আপুনি কিন্তু এইটো এতিয়া কলে একো লাভ নাই। Election Commissionar য়ে indipendently কৰিব পাৰে। Government যেও একো কৰিব নোৱাৰে নিয়ম মতে। কৰবাত কিবা হৈছে যদি court আছে, court ত যাব।

**কমলাক্ষ দে পুরকায়স্থ ঃ** আমার কথাটা হচ্ছে যেহেতু এখানে রিজোলিউশন নেওয়া হয়েছে। অসমের পঞ্চায়েত ব্যবস্থা Panchayat Act, 1994 মতে চলে। কিন্তু এই Act কে ভায়োলেট করে আমরা কিছু করতে পারি না।

**মাননীয় অধ্যক্ষ ঃ** ভায়োলেট কোনে কৰিলে?

**মাননীয় অধ্যক্ষ ঃ-** আপুনি যিটো কৈছে সেইটো State Election Commissionare ৰ

কাম। তাত যদি কিবা Violate কৰিছে, He is compell to get punishment তাত Government য়ে একো কৰিব নোৱাৰে। মই পঞ্চায়ত ইলেকশ্যনৰ মাজত কথা পাতিবলৈ নিদিও। বেলেগ কলে কওঁক। আৰু আপোনাৰ ২০ মিনিট হৈছেই।

**কমলাক্ষ দে পুরকায়স্থ ঃ** যেহেতু সেখানে Declare করা হয়েছে, even statementও আমাদের কাছে আছে। তারপর সেগুলো পরিবর্তন করার মানসিকতা যদি থাকে সেখানে law & order.........

**মাননীয় অধ্যক্ষ ঃ**-I am telling you this is a subject of State Election Commission. It can be executed by the court. Court ত যাব। মই আপোনাক কৈছো, মই নিজে জানো। তাত declare কৰিলে DC য়ে এটা নাম, ইয়াত বেলেগ এটাৰ নামো গৈছে। তেনেকুৱা হৈছে আগতে। But these are all Subject to the Jurisdiction of the Court. সেই কাৰণে আমি ইয়াত এইবোৰ কথা কৈ লাভ নাই।

**কমলাক্ষ দে পুরকায়স্থ ঃ** অধ্যক্ষ মহোদয় আমাদের পঞ্চায়েতরাজ ব্যবস্থায় অনেকগুলো পদ এখনও খালি। সেই পদগুলিতে নিযুক্তি করতে হয়। আমরা দেখেছি যে করিমগঞ্জ জেলা সহ প্রত্যেকটি জেলায় ওই পদগুলো খালি। এবং সেজন্য সেখানে ঠিক ঠিক ভাবে কাজ করা সম্ভব হচ্ছে না। সেই পদগুলো Immediate যাতে fulfill করা হয় এবং আমাদের পঞ্চায়েতরাজ ব্যবস্থাটা ভালো করে যাতে আমরা করতে পারি সে ব্যাপারে সরকারের দৃষ্টি আকর্ষণ করলাম। সামনের দিনে এনরেগার প্রবলেম বা বিভিন্ন ধরনের প্রবলেম যেগুলো আছে, সেগুলো পরিবর্তন করতে হবে। আমরা বক্তব্যে একরকম বলি কিন্তু field-এ কী ধরনের প্রবলেম সেগুলো হয়ত আমরা ঠিকঠাক ভাবে বুঝতে পারিনা। সেই প্রবলেমগুলো আমাদের বুঝতে হবে যাতে এনরেগার সিস্টেমটাকে change করতে কেন্দ্রীয় সরকারের কাছে লিখিত চিঠি আপনারা পাঠান। এনরেগার সিস্টেমটাকে পরিবর্তন করে সেই টাকা দিয়ে আমরা যাতে গ্রামাঞ্চলের মানুষের উন্নতি করতে পারি। ইতিমধ্যে আমরা দেখেছি ন্যুনতম আয়ের জন্য অনেকেই কথাবার্তা বলছেন। আমাদের রাষ্ট্রীয় অধ্যক্ষ বলছেন ন্যুনতম আয় যাতে মানুষের হয় বা দেওয়া যায় সেই স্কীমগুলো যাতে আনা যায়। কিন্তু এনরেগার স্কীমটাকে পরিবর্তন করে একটা প্রণালীর মাধ্যমে গিয়ে যাতে গ্রামাঞ্চলের মানুষের উপকারের জন্য কাজে যাতে আমরা লাগাতে পারি সে দিকে লক্ষ্য রাখতে হবে। আজকে কাট মোশনের ব্যাপারে বলতে গিয়ে একটি বিষয় বলতে চাই যে পঞ্চায়েত সিস্টেম হচ্ছে চাবিকাঠি। সেই পঞ্চায়েত সিস্টেমটাকে যাতে ঢেলে সাজানোর জন্য পরিকল্পনা নেওয়া হয় আর যেগুলো সমস্যা আছে, সেগুলো সমাধান করার জন্য আমরা কি কি ব্যবস্থা করতে পারি। আসলে এটা একটা প্রক্রিয়া, বিভাগীয় বরাদ্দ এক টাকা হ্রাস করার কথা বলা হয়। আসলে পঞ্চায়েত বিভাগে আরও টাকার দরকার। সেই প্রক্রিয়ার মাধ্যমে অনেক বিতর্ক হয়, আলোচনা হয়। সেই আলোচনার মাধ্যমে আমাদের প্রবলেম, সরকারের প্রবলেম, সরকার কি কি করলে সেই পঞ্চায়েত ব্যবস্থাটাকে আরও চাঙ্গা করতে পারা যায়, সেই কথাগুলি বলা হয়। তাই সেই পরামর্শগুলো মানা হোক। এবং সামনের দিনে যাতে পঞ্চায়েত ব্যবস্থাকে আরও চাঙ্গা করা যায়, সেটাই লক্ষ্য নেওয়া হোক। ভারতবর্ষের বুকে পশ্চিমবঙ্গ এনরেগা রূপায়ণে এখন প্রথম। যেহেতু মন্ত্রী মহোদয় বলেন 'এ ফর অসম' সে জন্য ভারতবর্ষের আরও পাঁচটি রাজ্যের মধ্যে পঞ্চায়েত ব্যবস্থায় অসম যাতে প্রথম স্থান পায় সেই পদক্ষেপগুলো নিতে হবে আপনাদের। এবং পরামর্শগুলো গ্রহণ করে পঞ্চায়েত ব্যবস্থায় যাতে একটা আমূল পরিবর্তন আনা হয়, সেই আশা রেখে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**माननीय अध्यक्ष ঃ**-Thank you. Now Ganesh Kumar Limbu, thereafter নিজানুৰ ৰহমান

**শ্ৰী গনেশ কুমাৰ লিম্বু, সদস্য ঃ**- ধন্যবাদ অধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছিলে, মই তাৰ বিৰোধ কৰি দুআষাৰ কবলৈ বিচাৰিছো. পঞ্চায়ত ব্যৱস্থা গ্ৰামোন্নয়নৰ কাৰণে অতি আৱশ্যকীয় গুৰুত্বপুৰ্ন বিষয়, এটা ব্যৱস্থা ইয়াত আমাৰ কাৰো দ্বিমত নাই। আমি সকলোৱে জানো যে এই পঞ্চায়ত ব্যৱস্থাক যদি আমি নিখুত কৰিব পাৰো, পঞ্চায়ত ব্যৱস্থাৰ লগত যদি আমি ৰাইজক একাকাৰ কৰিব পাৰো, পঞ্চাত আৰু ৰাইজ যদি আমি এক কৰিব পাৰো, তেতিয়া হলে আমাৰ পঞ্চায়ত ব্যৱস্থাৰ যিটো উদ্দেশ্য, পঞ্চায়ত ব্যৱস্থাৰ যিটো লক্ষ সেইটো বহুগুনে সফল হ'ব বুলি মই ব্যক্তিগত ভাবো। কিন্তু এই বাৰ যিটো পঞ্চায়ত ব্যৱস্থাৰ আমাৰ প্ৰথম অভিজ্ঞতা, নিৰ্বাচন হ'ল নিৰ্বাচনৰ পাছত অধ্যক্ষ মেহাদয়, যেতিয়া পঞ্চায়ত অফিচলৈ গলো তেতিয়া কিছুমান কথা মই গম পালো যে ইয়াৰ আগতে পঞ্চায়ত নিৰ্বাচন হোৱাৰ পাছত বিশেষকৈ যি সকলে গাওঁ অঞ্চল সেই সমস্যা বোৰ পঞ্চায়তলৈ লৈ আনে অৰ্থাৎ সদস্য সকলক পঞ্চায়তত এনেকুৱা এটা ব্যৱস্থা আছে যে সদস্যই এদিনহে জিকাৰ সময়ত মানুহে মনত ৰাখে। তাৰ পাছত কেতিয়াও সেই মানুহজনক আকৌ পঞ্চায়তত খবৰ নাৰাখে। ইয়াৰ আগতে পঞ্চায়ত নিৰ্বাচন হোৱাৰ পাছত, বিশেষকৈ যিসকলে গাওঁ অঞ্চলৰ সেই সমস্যাসমূহ পঞ্চায়তলৈ লৈ আনে, অৰ্থাৎ Member সকলক পঞ্চায়তত এদিনহে মানুহে মনত ৰাখে তাৰ পাছত কেতিয়াও সেই মানুহজনক আকৌ পঞ্চায়তত খৱৰ নাৰাখে। ইয়াৰ গুৰিতে মই দেখিলো যে, আমাৰ পঞ্চায়তী যিটো কাথামো, যিটো ব্যৱস্থা ইমান গুৰুত্বপূৰ্ণ, এটা বিভাগৰ ব্যৱস্থাটো এনেকুৱা যে আমাৰ প্ৰতিনিধি অৰ্থাৎ আমাৰ Member সকলৰ কাৰণে এখন চকীও নাই বহিবলৈ আৰু বহুত ঠাইত তেওঁলোকৰ কোনো ধৰণৰ খৱৰেই ৰখা নহয়। সেই বিষয়টো মই ভাৱো অতি গুৰুত্ব সহকাৰে অসম চৰকাৰে ল'ব লাগে আৰু মই যথাসম্ভৱ মোৰ সমষ্টিত আমাৰ পঞ্চায়তী ব্যৱস্থা যাতে নিখুত হয়, তাৰ কাৰণে আমাৰ সকলো Member ৰ অন্তত যাতে এখন চকী থাকে, তাৰ কাৰণে ব্যৱস্থা কৰাতো মই উচিত বুলি ভাৰিছো। কিন্তু এটা কথা মই মন কৰিছো যে, পঞ্চায়ত যদি স্বচ্ছ নহয়, পঞ্চায়ত যদি নিকা নহয়, তেতিয়া কিন্তু আমাৰ উদ্দেশ্যবিলাক, আমাৰ লক্ষ্যবিলাক মাজতে কৰবাত বুমেৰাং হ'ব। এই কথাটো ধুৰূপ সত্য। ইয়াৰ কিন্তু মই গুৰিতে গৈ দেখিলো যে আমাৰ সকলো ৰাজনৈতিক দলে এই কথা স্বীকাৰ কৰিব লাগিব। মই বিশেষভাৱে কোনো এটা ৰাজনৈতিক দললৈ লক্ষ্য কৰি কথাটো কোৱা নাই। দেখিছো যে বিভিন্ন নিউজতো শুনিবলৈ পাইছো যে, পঞ্চায়তৰ নিৰ্বাচনৰ প্ৰাক মূহুৰ্তত আমাৰ পঞ্চায়তৰ প্ৰতিনিধি সকলে আনকি তেওঁলোকে টিকট পাবলৈয়ো ক'ৰবাত ক'ৰবাত বিনিময় ব্যৱস্থা আমি দেখিবলৈ বা শুনিবলৈ পাইছো। মই ভাৱো, আমাৰ পঞ্চায়তক নিখুত কৰিবৰ কাৰণে এইটো এটা আমাৰ ডাঙৰ সমস্যা। এই সমস্যা কিন্তু সকলোৱে গুৰুত্ব সহকাৰে যদি আমি লওঁ, তেতিয়া আমাৰ প্ৰতিনিধি বিলাক স্বচ্ছ হ'ব। এতিয়া মোৰ প্ৰশ্নটো হ'ল যিহেতু ইমান গুৰুত্বপূৰ্ণ এটা বিষয়, ইমান বছৰ ধৰি আমি ইয়াৰ এনেকুৱা এটা ড্ৰয়িং কিয় নকৰিলো যে তাত আমাৰ প্ৰতিনিধিসকল আহক আৰু ভাল ধৰণে বিষয়াসকলৰ লগত মিলি গাওঁ অঞ্চলৰ সমস্যাবিলাক সমাধান কৰাৰ এটা যিটো অত্যাধুনিক পৰিৱেশ কিয় নহওঁক। হোৱা নাই। ইমান দিনলৈকে কিয় নহ'ল, অন্তত আমি কিছুমান পঞ্চায়তক আদৰ্শগত পঞ্চায়ত হিচাপে লৈ আমাৰ local interior ক আনি যাতে আমাৰ প্ৰতিনিধি বা আমাৰ এই গুৰুত্বপূৰ্ণ বিষয়টোক যাতে ভালধৰণে construction যাতে ভৱিষ্যতলৈ কোনোবা এটা পঞ্চায়তলৈ হ'লেও কৰিবলৈ যদি চৰকাৰে চিন্তা-চৰ্চা কৰে, আৰু লগতে local design যাতেহয় মই এইটো পৰামৰ্শ

হিচাপে আগবঢ়াব বিচাৰিছো আৰু আমাৰ মাননীয় বিধায়ক সকলে ক'লে যে MGNREGA ৰ বিষয়টো। আচলতে MGNREGA ৰ বিষয়ে আমি সকলোৱে জানো যে ইয়াৰ আগতে কেনেকৈ MGNREGA ৰ Job Card চলি আছিল আমি সকলোৱে বিধায়ক হিচাপে দেখিছো। MGNREGA আগৰ চৰকাৰৰ দিনত ভালধৰণে চলিথকা নাছিল। Job Card Holder বলাকে নিজেই নাজানে যে তেওঁলোকৰ Job Card আছে। এনেধৰণে এটা nexus চলিছিলে যে MGNREGA আমি বিধায়ক হৈ অহাৰ পাছত এতিয়া পঞ্চায়ত নিৰ্বাচন হোৱাৰ পাছত প্ৰথমে আমি চিন্তা-চৰ্চা কৰিছো যাতে এই ব্যৱস্থাটো আৰু পুনৰাই নহয় তাৰ কাৰণে আমি এইটো ব্যৱস্থা কৰিছো। পিছে মই ইয়াতো এটা কথা ক'ব খোজো যে, আজি আমি একৈশ শতিকাত কি কৰিছো, আমি MGNREGA ৰ জৰিয়তে আমি খাল-দ, বিলবিলাক পেলাইছো, মাটি পুতিছো। এই বিষয়টো কিন্তু আগৰ চৰকাৰৰ ভুলৰ কাৰণে হৈছে। মোৰ এটা কথা মনত পৰিছে, আমাৰ মাননীয় প্ৰধানমন্ত্ৰীয়ে Parliament ত এটা কথা কৈছিল যে এনেকৈ বিৰোধী সকলে আশংকা কৰিছিল যে MGNREGA আইনখন কিজানি নতুন চৰকাৰে নানিব নেকি Parliament ত, উঠাই দিব নেকি এনেধৰণৰ তেওলোকে শংকা কৰাত তেওঁ কৈছিল যে, মই কিন্তু সকলো আঁচনি বাতিল কৰিলেও এই MGNREGA এইকাৰণে বাতিল নকৰো যে ভাৰতৰ জনগণে বুজি পাওঁক যে, ৬০ বছৰলৈকে যিখন চৰকাৰে নিৰন্তৰ শাসন কৰাৰ পাছতো ভাৰতবৰ্ষৰ দুৰৱস্থা কিয় এনেকুৱা হ'ল এই বিষয়টো মাননীয় প্ৰধানমন্ত্ৰীয়ে তেখেতৰ বক্তব্যৰে ক'ব খুজিছিল আৰু আপোনালোকে দেখিছে যে, এতিয়া পঞ্চায়তত যিমান fund allocation হৈছে মই ভাবো যে আগৰ সেইসময়ত যিসকল পঞ্চায়তৰ ব্যৱস্থাত আছিল তেওঁলোকৰ পৰা মই যিমান গম পাইছো তেতিয়া কেতিয়াবাহে কম fund allocation হৈছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পাছত কেন্দ্ৰত আমাৰ NDA চৰকাৰ অহাৰ পাছৰ পৰা বিশেষকৈ অসম চৰকাৰৰ আমাৰ পঞ্চায়তী ব্যৱস্থাৰ ওপৰত বিভিন্ন ধৰণৰ উন্নয়নমূলক কামবিলাক হৈছে। সেয়েহে আমি এই ক্ষেত্ৰত যাতে আৰু অলপ সজাগ হ'ব লাগিব যাতে আমাৰ পঞ্চায়তী ব্যৱস্থাক আৰু আমি ঠিক কৰিব পাৰো আৰু আমাৰ যিবিলাক আঁচনি তাত যেন কোনোধৰণৰ দুৰ্নীতি নহয়, এই ক্ষেত্ৰত আমি সকলোৱে মিলি ব্যৱস্থা কৰো তেতিয়া কিন্তু আমাৰ যিটো উদ্দেশ্য, সেই উদ্দেশ্যটো সফল হ'ব আৰু গ্ৰামাঞ্চলৰ যিটো উন্নয়ন আমি বাস্তৱত দেখিবলৈ পাম। এইটোও ঠিক যে, আজিকালি আমি কৈছো যে চহৰ অঞ্চলৰ সেই প্লেনিং বিচাৰিছো বা চহৰ অঞ্চলৰহে আমাৰ প্লেনিং ব্যৱস্থাটো আছে কিন্তু মই অনুভৱ কৰো যে আজিকালি গাওঁ অঞ্চলতো গাড়ী-ঘোঁৰা বেছি হৈছে, গাওঁ অঞ্চলতো আজিকালি polution ৰ ব্যৱস্থা হৈছে, গাওঁ অঞ্চলতো আজিকালি ঠেক হ'বলৈ আৰম্ভ কৰিছে। সেই সময়ৰ প্ৰতি লক্ষ্য ৰাখি আমি পঞ্চায়তী ব্যৱস্থাটো এনেকুৱা এটা ব্যৱস্থা কৰিব লাগিব যাতে অদুৰ ভৱিষ্যতত আমাৰ গাওঁবিলাক কেনেকুৱা হ'ব লাগে, গাওঁৰ ৰাস্তা-পদুলী কেনেকুৱা হ'ব লাগে, ঘৰৰ কি ধৰণৰ ড্ৰয়িং হ'ব লাগে আৰু এই সকলো বিষয় কিন্তু আমি এতিয়া পঞ্চায়তী ব্যৱস্থাৰ জৰিয়তে চিন্তা-চৰ্চা কৰাৰ সময় সমাগত বুলি মই ভাবো। আমাৰ অনাময় আঁচনি হওঁক, প্ৰধান মন্ত্ৰী আৱাসে হওঁক এতিয়া আমাৰ দিনত মই ভাবো যে আগৰ তুলনাত যথেষ্ট উন্নতমানৰ হৈছে বুলি মই ভাবো। ইন্দিৰা আৱাসৰ তুলনাত আৰু সকলো সদস্যই স্বীকাৰ কৰিব লাগিব যে, যিকোনো গণতান্ত্ৰিক ব্যৱস্থাত নিৰ্বাচিত এখন চৰকাৰ অহাৰ পাছত ২০-৩০ বছৰৰ ভিতৰত যিবিলাক সমস্যা সমাধান হ'ব লাগিছিল, কিন্তু দুৰ্ভাগ্য আজি আমি ৭০ বছৰৰ পাছতো আমি কি কৰিছো ক'ৰবাৰ টয়লেট বনাই আছো, অনাময় আঁচনি আমি বনাই আছো, ক'ৰবাত গৈ আমি এইয়া কি কৰি আছো ? প্ৰধান মন্ত্ৰী আৱাস বনাই আছো তাৰমানে মানুহৰ বহিবলৈ

ঘৰ নাই, মানুহৰ অনাময় আঁচনিৰ ব্যৱস্থা নাই আমাৰ আজিলৈকে আমি electrification ৰ ব্যৱস্থা কৰিব নোৱাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ২টা বজাৰ ভিতৰত conclude কৰিব লাগিব।

**শ্ৰীগণেশ কুমাৰ লিম্বু, বৰচলা ঃ** হয়। এইটো কিন্তু অত্যন্ত দুৰ্ভাগ্যৰ বিষয় বুলি মই ভাবো সেইকাৰণে ইখন চৰকাৰ অহাৰ পাছত কেন্দ্ৰীয় চৰকাৰে যিধৰণে গুৰুত্ব সহকাৰে এই কামবিলাক অতি ক্ষীপ্ৰতাৰে এটা সময়ৰ ভিতৰত কৰিবৰ কাৰণে যিধৰণেৰে কাম কৰিছে এইটো আমি সকলোৱে শলাগ ল'ব লাগিব আৰু এনেকৈ যদি চৰকাৰে লক্ষ্যস্থিৰ কৰি কাম কৰে আৰু অসম চৰকাৰেও ঠিক তেনেকৈ আগলৈ এই পঞ্চায়তী ব্যৱস্থাৰ ওপৰত যদি গুৰুত্ব দি কাম কৰো আৰু সকলো বিভাগ আমি নিখুত আৰু ৰাইজৰ ওচৰলৈ লৈ যাওঁ তেনেকুৱা ব্যৱস্থা যদি কৰি থওঁ মই ভাবো পঞ্চায়তী ব্যৱস্থা যিটো লাভালাভ সচাঁ অৰ্থত গ্ৰামাঞ্চলে পাব আৰু গ্ৰামাঞ্চল যেতিয়া আগলৈ আহিব তেতিয়াহে অসম খন আচলতে উন্নত অসম আমাৰ যিটো সপোন সেইটো বাস্তৱ হ'ব বুলি মই আশা ৰাখি আমাৰ বিৰোধী পক্ষই যিটো প্ৰস্তাৱ আনিছিলে সেই প্ৰস্তাৱৰ মই বিৰোধ কৰি মোৰ চমু বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী নিজানুৰ ৰহমান আপুনি একমিনিট কওঁক আৰু তাৰ পাছত মই বন্ধ কৰিম। কাইলৈ আপুনি continue কৰিব।

**শ্ৰী নিজানুৰ ৰহমান, গৌৰিপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো। Panchyat Rural Development ত, ইয়াৰ আগত মই বিধান সভাতো কৈছিলো। মোৰ সমষ্টিৰ এটা Part, BTAD ত অংশত আছে। ৯ খন VCDC ৰে গঠিত। তাত আমি দুৰ্নীতি কেতিয়াও ৰোধ কৰিব পৰা নাই। ইমান তললৈকে চিপাহী গৈছে, তাত প্ৰশাসনিকভাবে এটা Part ধুবুৰী আৰু এটা কোকৰাঝাৰ। এতিয়া এনেকুৱা এটা অৱস্থা হৈছে তাত, কোনো প্ৰশাসন বুলি কোনো MGNREGA ৰ Scheme ত কোনো ধৰণৰ লাগাম নাই, আমি কোনো complain দি তাত আমি কেতিয়াও এই বস্তুবিলাক সমাধান কৰিব পৰা নোৱাৰি। এই বিভাগটো এটা কিছুমান মানুহৰ কাৰণে এটা income ত কৰা এটা হোৱা বিভাগ হৈ পৰিছে আৰু বৰ্তমান এটা ডাঙৰ স্কেম হৈ আছে আমাৰ ধুবুৰী জিলাত

**মাননীয় অধ্যক্ষ ঃ** আপুনি কাইলৈ continue কৰিব। মই just আৰম্ভ কৰিব দিলো। এতিয়া

**সদন অহা ২১ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখে পুৱা ৯.৩০ বজালৈকে স্থগিত ৰখা হ'ল।**